








# উত্তৰণ



সোণাৰি মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন কোষৰ মুখপত্ৰ

সম্পাদনা

ৰাণু মহন




আন্তর্জাতিক নাৰী দিৱসত উপস্থিত বিশিষ্ট ব্যক্তিসকল



ভাষণৰত অৱস্থাত শ্ৰীযুত বিবেকানন্দ ফুকন, মহকুমা বিষয়া



সাহিত্য চ'ৰা উদ্বোধন কৰিছে ড° ৰাজেন তামূলী মহোদয়ে



# উ
# ত্ত
# ৰ
# ণ

"Uttaran" - A journal of Woman Studies Centre, Sonari College, Vol-1. Session - 2009. edited by Ranu Mohan, Published by - Principal Sonari College. Sonari 785690. Tel 03772-256515.

উত্তৰণ

সোণাৰি মহাবিদ্যালয়ৰ

মহিলা অধ্যয়ন কোষৰ আলোচনী।

২০০৯



**সম্পাদনা সমিতি**

ডঃ ৰাজেন তামুলী - সভাপতি

সোণাৰি মহাবিদ্যালয় মহিলা অধ্যয়ন কোষ

শ্ৰীমতী ৰতিপ্ৰভা গগৈ - উপ-সভানেত্ৰী

সোণাৰি মহাবিদ্যালয় মহিলা অধ্যয়ন কোষ

শ্ৰীমতী ৰানু মহন - সম্পাদিকা

বেটুপাত ঃ

প্ৰকাশক ঃ- অধ্যক্ষ; সোণাৰি মহাবিদ্যালয়।

অক্ষৰ বিন্যাস আৰু অংগসজ্জা ঃ শ্ৰীৰবীন বাইলুং।

ছপাশাল ঃ বিনায়ক অফ্‌চেট, শংকৰ মন্দিৰ পথ, শিৱসাগৰ।

বৰঙণি ঃ ২০.০০ টকা (মাথোন)



# সূচীপত্ৰ


- সম্পাদনাৰ মেজৰপৰা- - ১
- অধ্যক্ষৰ কলম-
  মহিলা অধ্যয়ন কোষ সোণাৰি মহাবিদ্যালয় - ৩
- চন্দ্ৰপ্ৰভা শইকীয়ানী ঃ এক অনন্য ব্যক্তিত্ব - ৬
  - ডঃ অঞ্জলি শৰ্মা
- অনন্য প্ৰতিভাশালী চন্দ্ৰপ্ৰভা শইকীয়ানীঃ জীৱন আৰু কৃতি
  - হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি - ১৪
- প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদী উপন্যাস "সন্ধ্যা"
  - ৰতিপ্ৰভা গগৈ - ২৫
- তুমি স্থিতপ্ৰজ্ঞা ৰমণী বিশেষ - ২৯
  - মীৰা ঠাকুৰ
- এদিন - ৩২
  - নিবেদিতা ফুকন
- TEEN BLUES - ৩৩
  - MRS. DEEPANJALI GOGOI
- অৰ্দ্ধ আকাশ - ৩৬
  - শ্ৰীঅৰ্পণ কুমাৰ বৰুৱা
- জানি থওঁ আহক - ৪২
  - শ্ৰীগুণলতা শইকীয়া
- নাৰীৰ প্ৰাপ্য মৰ্য্যদাত নাৰীৰ ভূমিকা - ৪৩
  - শ্ৰীকুঞ্জ চলিহা
- Saviour of society : Woman as MOTHER - ৪৬
  - Mrs. Rashmi Mohan Rajkhowa.
- সুষম ব্যক্তিত্ব আৰু শৈশৱকালীন প্ৰতিপালন - ৪৯
  - ৰানু মহন
- পাতৰ তল - ৫২
  - ফুল কোঁৱৰ

- হেনৰিক ইব্‌চেনৰ 'এ ডলচ্ হাউচ'ৰ প্ৰতিবাদী ন'ৰা - ৫৩
  - অনিতা কোঁৱৰ
- দিদি - ৫৮
  - ৰুণু সন্দিকৈ
- "অভিমানী মোৰ গাওঁখন" - ৬৩
  - জোনালী বৰপূজাৰী
- নাৰী সবলীকৰণৰ প্ৰয়োজনীয়তা আৰু উপলব্ধি - ৬৪
  - সুশীল কুমাৰ চুঁড়ী
- গল্প- থোৰাছিঙা ঢেঁকী - ৬৮
  -ডঃ জ্যোতিমা ফুকন
- শিশুৰ চৰিত্ৰ গঠনত প্ৰাচীন কাহিনী আৰু সাধুকথাৰ প্ৰভাৱ- ৭৩
  -বাণী দেৱী
- **Mahatma Gandhi and Gender Equality** -৭৭
  - **Sunil Dutta**
  - **Anjali Saud Dutta.**
- মিচিং সকলৰ বিবাহ পদ্ধতি - ৮৩
  - ৰঘুনাথ কাগয়ুং
- বিবাহ অনুষ্ঠানত দৰা আৰু কইনা সখীৰ ভূমিকা - ৮৭
  - বিৰিঞ্চি কুমাৰ শইকীয়া
- অন্ধবিশ্বাস, নাৰী আৰু বিজ্ঞান - ৯২
  - ৰীতা দত্ত
- সমাজ সংগঠক চন্দ্ৰপ্ৰভা শইকীয়ানী - ৯৭
  - মৃদুলা শৰ্মা
- **ATRIBUTE TO A LEGEND: MOTHER TERESA** - ১০২
  **-Sri Chinmoy Sumon Dutta**
- **Photo** - ১০৩


## সম্পাদনাৰ মেজৰ পৰা-

পৰিবৰ্তন জীৱনৰে অন্য এটা নাম। পৰিবৰ্তনেই উন্নতিৰ ছাবি-কাঠি, প্ৰগতিৰ মূলমন্ত্ৰ। ইয়াৰ অবিহনে আমি জীৱন্মৃত। এই পৰিবৰ্তনেই একোখন সমাজক উন্নতিৰ শিখৰত আৰোহণ কৰাব পাৰে। লাগে মাথোন সঠিক লক্ষ্য, উপযুক্ত প্ৰচেষ্টা আৰু সুযোগ্য নেতৃত্ব।

উৰ্দ্ধমুখী সমাজ-পৰিবৰ্তনৰ প্ৰধান অহিলা হৈছে শিক্ষা। আৰু এই পৰিবৰ্তনৰ প্ৰধান ৰূপকাৰ হৈছে মহিলাসকল। তেওঁলোকেই পৰিবৰ্তনক মান দিব পাৰে; গতি দিব পাৰে। গতিকেই মহিলাসকলৰ বিকাশ অতীৱ প্ৰয়োজনীয়। ই উচ্চ-শিক্ষাৰো এটি অন্যতম প্ৰধান লক্ষ্য।

মহিলাসকলৰ বিকাশ- এই মহান লক্ষ্য আৰু উদ্দেশ্যক বাস্তৱায়িত কৰাৰ প্ৰয়াসেৰেই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ "মহিলা অধ্যয়ন কেন্দ্ৰ" (Women Studies Centre) ৰ নীতি-নিৰ্দ্দেশনা অনুসৰি সোণাৰি মহাবিদ্যালয়ৰ "মহিলা অধ্যয়ন কোষ" (Women Studies Cell) টি ২০০৪ চনত গঠন কৰা হয়। উদ্দেশ্য- মহাবিদ্যালয়ৰ দাঁতি-কাষৰীয়া অঞ্চলৰ মহিলাসকলক সময়ে সময়ে শিক্ষা-প্ৰশিক্ষণ দি তেওঁলোকৰ আৰ্থ-সামাজিক দিশৰ উন্নতি তথা প্ৰগতিত অৰিহনা যোগোৱা। এই উদ্দেশ্য সাৰোগত কৰিয়ে যোৱা বছৰ কেইটিত "মহিলা অধ্যয়ন কোষ"ৰ দ্বাৰা বিভিন্ন সভা, আলোচনাচক্ৰ, বক্তৃতানুষ্ঠান আদি অনুষ্ঠিত কৰি অহা হৈছে। মহিলা সকলক সজাগ কৰি স্বাস্থ্য-সম্পৰ্কীয় সাৱধানতা অৱলম্বন কৰিব পৰাকৈ তেওঁলোকৰ মাজত চিকিৎসা সম্পৰ্কীয় দিহা-পৰামৰ্শ আগবঢ়াবলৈ সুযোগ্য চিকিৎসকৰ জড়িয়তে বক্তৃতা প্ৰদানৰো ব্যৱস্থা কৰা হৈছে।

সাহিত্য-সংস্কৃতিক একাষৰীয়া কৰি বিকাশৰ লক্ষ্যত উপনীত হ'বলৈ আগবাঢ়িব পৰা নেযায়। গতিকে তেওঁলোকৰ এই বিকাশত সুবিধা প্ৰদানৰ বাবে অন্যান্য কাৰ্যসূচীৰ উপৰিও আমি এখনি আলোচনী প্ৰকাশৰ প্ৰচেষ্টাও

হাতত লৈছো। এই প্ৰচেষ্টাৰ ফলশ্ৰুতিতে "উত্তৰণ"ক ৰূপ দিবলৈ প্ৰয়াস কৰা হৈছে।

"উত্তৰণ"ৰ পাতত মহাবিদ্যালয়ৰ প্ৰবক্তাসকলৰ উপৰিও বিভিন্নজনে তেওঁলোকৰ লেখনি আগবঢ়াই আমাৰ প্ৰচেষ্টাত হাত আগবঢ়াইছে। সদৌটিকে Women Studies Cell ৰ তৰফৰ পৰা ধন্যবাদ জনাইছো।

আমাৰ এই প্ৰচেষ্টাত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ৰাজেন তামুলী মহোদয়ৰ উৎসাহ আৰু দিহা-পৰামৰ্শ অনস্বীকাৰ্য। তেখেতৰ সহায়-সহযোগৰ অবিহনে "উত্তৰণ"ৰ প্ৰকাশ সম্ভৱ নহ'লহেতেন। তেখেতলৈ আমাৰ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিছো। ধন্যবাদ।

**ৰানু মহন।**



*অধ্যক্ষৰ কলম-*

# মহিলা অধ্যয়ন কোষ
## সোণাৰি মহাবিদ্যালয়

সোণাৰি মহাবিদ্যালয় সোণাৰি অঞ্চলৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান। ১৭৮০ জন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰা বৰ্ত্তমান শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা ৫২ জন। (ইয়াৰে ১৫ জন চৰকাৰৰ দ্বাৰা অনুমোদন নোহোৱা)। ৩৯ টা বসন্ত গৰকা এই মহাবিদ্যালয়খনৰ সমৃদ্ধি আৰু সৌষ্ঠৱ নিৰ্ভৰ কৰে বিশেষকৈ বিদ্যায়তনিক দিশত। বিদ্যায়তনিক দিশৰ লগত জড়িত হৈ আছে শিক্ষাব্যৱস্থা, গৱেষণা আৰু সামাজিক দায়বদ্ধতা। উচ্চ শিক্ষাৰ জ্ঞানবৰ্দ্ধনৰ আৰু বিকাশৰ লগতে সামাজিক দায়বদ্ধতা উন্নতিকৰণ এক প্ৰত্যাহ্বান হৈ পৰিছে। এনেধৰণৰ প্ৰত্যাবান সন্মুখীন হ'বলৈ সোণাৰি মহাবিদ্যালয়ৰ তত্বাৱধানত মহিলা অধ্যয়ন কোষৰ (Women Study Centre) জন্ম হৈছে। ইয়াৰ সদস্যসকল হৈছে সোণাৰি মহাবিদ্যালয়ত অধ্যাপনা কৰা শিক্ষয়িত্ৰী সকল। মহিলা অধ্যয়ন কোষৰ Vision হৈছে সমাজত অৱহেলিত নাৰী সম্প্ৰদায়ৰ মন বিলাক সমৃদ্ধ কৰা। এইখিনিতে আমেৰিকাৰ ভূতপূৰ্ব প্ৰেছিডেন্ট জন্ এফ কেনেডিৰ উক্তি মন কৰিবলগীয়া "If a society cannot help the many who are poor, it can not save the few who are rich."

ভাৰতবৰ্ষৰ সমাজব্যৱস্থা প্ৰাচীন কালৰে পৰা ৰক্ষণশীল। পুৰুষ সমাজত ল'ৰাইহে গুৰু আশ্ৰমত থাকি ১৮/২০ বছৰ শিক্ষা গ্ৰহণ কৰিছিল। গতিকে গুৰুৰ গৃহত থাকি শিক্ষা গ্ৰহণ কৰাটো কন্যাৰ কাৰণে সম্ভৱ নাছিল। কাৰণ কন্যাক শান্তি হোৱাৰ আগতে বিয়া দিয়াতো কন্যাৰ মাক-বাপেকৰ একান্ত কৰ্ত্তব্য আছিল। গতিকে পাঁচ-ছয় বছৰীয়া কন্যাজনীক চৌধ্য বা ততোধিক পোন্ধৰ বছৰৰ বাবে গুৰুৰ গৃহত ৰাখি শিক্ষা গ্ৰহণ কৰিবলৈ দিয়া নহৈছিল। তথাপি তাৰ মাজত দুই এগৰাকী ব্ৰহ্মচাৰিণীয়ে বৈদিক শিক্ষা গ্ৰহণ কৰিছিল। খনাৰতী, মৈত্ৰেয়ী, গাৰ্গেয়ী আদি বিদুষী নাৰীসকলে এনেকৈ শিক্ষা

গ্ৰহণ কৰি সেইসময়ৰ নাৰী সকলৰ মাজত বুৰঞ্জীৰ পাতত চিৰস্মৰণীয় হৈ উঠিছিল। কন্যাক পিতৃ-মাতৃয়ে গচ্ছিত ধন, পৰধন বুলি গণ্য কৰিছিল। ধৰ্ম্মৰ নামত বাল্য বিবাহ, সতীদাহ প্ৰথা আদি জঘন্য নিয়মবিলাক ১৯ শতিকালৈকে প্ৰচলিত আছিল। নাৰীৰ ওপৰত অত্যাচাৰ, অনাচাৰ আৰু সহনশীলতাহীন প্ৰাচীন মহাকাব্যৰ পৰা আৰম্ভ কৰি কুৰি শতিকালৈকে সমাজত বিৰাজমান হৈ আহিছে। সমাজত নাৰীৰ ওপৰত ৰক্ষণশীলতাৰ শিথিলতা বহু পৰিমাণে কমি গ'ল যদিও বিয়াৰ পিছত পতিগৃহত অৱৰ্ণীয় অত্যাচাৰ (যৌতুক প্ৰথাৰ বলি), নাৰীৰ ওপৰত ধৰ্ষণ আৰু বিভিন্ন সময়ত কৰা অত্যাচাৰ আদি বাতৰিৰ শিৰোণামা দখল কৰি আছে। শক্তিৰ অধিস্থাত্ৰী শ্ৰীশ্ৰীদূৰ্গাদেৱী, ধনৰ অধিকাৰী শ্ৰীলক্ষ্মীদেৱী আৰু জ্ঞান শিক্ষাৰ প্ৰতীক শ্ৰীশ্ৰী মা সৰস্বতীক সকলোৱে পূজা আৰাধনা কৰি আশীৰ্বাদ লৈ আছে যদিও তেনে নাৰীকেই অৱলা নাৰী বুলি সমাজত হেয় জ্ঞান কৰা হয়।

বৰ্তমান সময়ত শিক্ষাৰ প্ৰসাৰ বঢ়াৰ লগে লগে ল'ৰাৰ লগতে ছোৱালী সকলো আগবাঢ়ি গৈছে। কিন্তু এটা সময়ত তেওঁবিলাক থমকি ৰব লগা হয়। কিয়নো বিয়াৰ পিছত তেওঁবিলাকে এটা নতুন পৰিবেশৰ লগত খাপ খাব লগা হয়। ইয়াতেই শিক্ষাৰ ক্ষেত্ৰত বহুতৰে যৱনিকা পৰে। ঘৰখনৰ মান মৰ্য্যাদা অটুত ৰখিবলৈ গৈ বহুতো ছোৱালীৰ জীৱনৰ আগছোৱাত মনে ভবা ৰঙীন সপোন খিনি ধুলিসাৎ হৈ যায়। শতকৰা ১০ ভাগ মান ছোৱালীৰ ক্ষেত্ৰত নিজে প্ৰতিষ্ঠিত হৈ সমাজৰ কাম কাজত লাগি থকা দেখা যায়। এই মহিলাসকলেই (শিক্ষিত) তেখেত সকলৰ অভিজ্ঞতাৰ পৰা পোৱা যি জ্ঞান সম্পদ তাক কম ভাগ্যৱতী হোৱা সকলক মাজত বিলাই দিয়াটোৱেই সমাজৰ শ্ৰেষ্ঠ কৰ্ত্তব্য বুলি ভৱা হয়। এজন মনিষীয়ে কৈছে- আমি যিজোপা গছৰ ফল খাইছো তাক কোনোবাই ৰুই থৈ যোৱা, অহা প্ৰজন্মৰ কাৰণে আমি এনে গছ ৰুব লাগিব যাতে তাৰ পৰা পোৱা ফলখিনি তেওঁবিলাকে খাব লাগিব।

**মহিলা অধ্যয়ন কোষৰ দায়িত্ব-**



মহিলা অধ্যয়ন কোষৰ সামাজিক দায়বদ্ধতা অতি বেছি। পাৰ্শ্বীয় অঞ্চলৰ নাৰীৰ শিক্ষাৰ মানদণ্ড অধ্যয়ন খোৱা খাদ্যৰ পৌষ্টিকতা কিমান, শিশুৰ মৃত্যুৰ হাৰ, স্বাস্থ্য বিধি পালনৰ নিয়ম, খোৱা পানীৰ গুণ, বাসস্থানৰ আয়তন, বেমাৰ আজাৰৰ প্ৰাদূৰ্ভাৱ, চিকিৎসা সেৱাৰ সুবিধা, সাক্ষৰতা, বিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানৰ সা-সুবিধা, দ্ৰুত পৰিবৰ্তনশীল আৰ্থিক সামজিক দাবীসমূহৰ সৈতে মোকাবিলা কৰা কৌশলৰ বিভিন্ন স্তৰ ইত্যাদি বিষয় সমূহৰ প্ৰতি সজাগতা অনাটো অতি প্ৰয়োজনীয়। সমাজৰ অজস্ৰ দুখীয়া-দৰিদ্ৰ আৰু অনুন্নত বা পিছপৰা সম্প্ৰদায়ৰ দুখ-যাতনা লাঘৱ কৰিব পাৰিলেহে ৰাষ্ট্ৰ বিকাশৰ ক্ষেত্ৰত বৰঙণি আগবঢ়োৱা হব।

<u>**নতুন প্ৰজন্মৰ প্ৰতি দায়িত্ব**</u>

বৰ্তমান সময়ত দেখা দিয়া ভয়াবহ পৰিস্থিতি হৈছে যুব মানসিকতাৰ বিশৃঙ্খলতা। এই যুব মানসিকতাৰ বিশৃঙ্খলতাৰ মূল কাৰণ পিতৃ-মাতৃৰ আওকণীয়া মনোভাৱ। নিজে ভোগবাদৰ প্ৰতি আসক্তি থকাৰ উপৰিও নিজৰ সন্তান-সন্ততিক ইয়াৰ প্ৰতি আকৃষ্ট কৰাটো। বহুতে আধুনিকতাৰ নামত সহজলভ্য মটৰচাইকেল, মবাইল, টি. ভি.ৰ ৰংচঙীয়া প্ৰগ্ৰেমবিলাকে শিশুৰ কোমল মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিশ্বজোৰা ভোগবাদী বজাৰ অৰ্থনীতি অন্তহীন লালসাৰ জীৱন যাপনৰ প্ৰতি আকৰ্ষিত হৈছে। ফলত বিদ্যায়তনিক দিশটোৰ পৰা আঁতৰি আহিব লগীয়া হৈছে। এখন সমাজৰ শিক্ষাৰ বিকাশ নহ'লে জ্ঞানৰো উন্নতি নহয় আৰু সেই সমাজৰ ভৱিষ্যত ধ্বংসমুখী হয়। বজাৰ অৰ্থনীতিৰ মুক্ত বিনিময় কৰা দেশ ইতিমধ্যে আৰ্থিকভাৱে শোচনীয়তাৰ ফালে ধাবিত হৈছে। ইতিমধ্যে লাখ লাখ নিবনুৱাৰ সৃষ্টি হৈছে। ভাৰতবৰ্ষতো ইয়াৰ প্ৰভাৱ পৰিছে। সময় থাকোতেই আমাৰ মাতৃ সকলে তেখেতসকলৰ ভৱিষ্যত প্ৰজন্মৰ বাবে সম্যক জ্ঞান দিয়াটো উচিত হ'ব নহ'লে সময়ে আমাক গ্ৰাস কৰি পেলাব। ■

# চন্দ্ৰপ্ৰভা শইকীয়ানী ঃ এক অনন্য ব্যক্তিত্ব

ডঃ অঞ্জলি শৰ্মা
উপদেষ্টা, অসম লেখিকা সংস্থা

চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে এনেদৰে পূৰ্বৰ আৰু সমসাময়িক পুৰুষ নিৰ্দ্ধাৰিত নাৰী সমাজৰ পৰম্পৰা ভংগ কৰিছিল। সমাজত নাৰী আৰু পুৰুষ দুয়ো সমান। পুৰুষ সত্তাৰ দৰে নাৰী সত্তাও এক মাননীয় সত্তা। এই নাৰীবাদী ধাৰণা তেওঁৰ মজ্জাগত আছিল বাবেই পুৰুষ নিৰ্দ্ধাৰিত পৰম্পৰা ভংগ কৰিবলৈ বা বাল্যবিবাহৰ বন্ধন ছিন্ন কৰি ঘৰলৈ ঘুৰি আহিবলৈ সাহস কৰিছিল।

"আপোনালোকৰ উত্তৰ পুৰুষৰ বাবে কিবা এটা উপহাৰ এৰি থৈ যাওক-- দেশৰ স্বাধীনতাই উত্তৰ পুৰুষৰ বাবে আপোনালোকৰ উপহাৰ হওক "-

এনে আৱেগসঞ্চাৰী ভাষাৰে আৰু অসাধাৰণ বাগ্মিতাৰে চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে অসমীয়া ৰাইজক স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ উদ্বুদ্ধ কৰি তুলিছিল। একেদৰে কলিয়াবৰৰ ৰাইজক আৱেগিক কৰি তুলিছিল অতীত বুৰঞ্জীৰ অসমীয়া নাৰী মূলাগাভৰুৰ বীৰত্বৰ কাহিনীৰে। তেওঁ কৈছিল "পাঁচশ বছৰ পূৰ্বে আহোম যুগত এদিন ঠিক এই ঠাইতেই কলিয়াবৰৰ যুদ্ধত আহোম ৰমনী মূলাগাভৰুৱে অসংখ্য আহোম সেনাৰ লগ লাগি তুৰ্বকৰ লগত যুদ্ধ কৰিছিল আৰু কলিয়াবৰে আজি ভাৰতৰ যুদ্ধত পিছপৰি ৰ'বনে?"

এনে তেজ উতলোৱা ভাষণেৰে তেওঁ তেতিয়াও আন্দোলনে গা কৰি নুঠা নগাঁও চহৰ আৰু ইয়াৰ আশ-পাশৰ অঞ্চল সমূহত আন্দোলনৰ প্ৰচাৰ অভিযানত ঘুৰি ফুৰিছিল। নগাঁৱৰ পৰা বৰপেটালৈ ধুমুহাৰ গতিৰে তেওঁ ভ্ৰমণ কৰিছিল। গাঁৱৰ মহিলা, যুৱক-যুৱতীক আন্দোলনৰ তাৎপৰ্য বুজাবলৈ অহৰহ চেষ্টা কৰিছিল। অকল সেয়ে নহয় '৪২ৰ ভাৰত ত্যাগ আন্দোলনত যোগ দিয়া পাঠশালাৰ আন্দোলনকাৰী ৰাইজক পুলিচে হাৰা-শাস্তি কৰিছিল। চন্দ্ৰপ্ৰভাই পুলিচৰ চৰ খাব লগা হৈছিল। কিন্তু তথাপি তেওঁ পৰোৱাই কৰা নাছিল। তাৰ বিপৰীতে পুলিচী অত্যাচাৰৰ নেতৃত্বত থকা পাটাচাৰকুছি থানাৰ দাৰোগা তুলাৰাম কেওঁতক তেওঁ ধমকি দি কৈছিল- "দেশ স্বাধীন হ'লে কেৱল আমাৰহে হ'বনে? আপোনাৰ দেশ মাতৃ স্বাধীন নহ'বনে? আপুনি তলে তলে হ'লেও দেশৰ মুক্তি যুদ্ধত সহায় কৰা বুলি অন্তৰত গৌৰৱ কৰিব নোৱাৰিবনে?"

এইয়া আছিল চন্দ্ৰপ্ৰভা শইকীয়ানী, যাৰ অসাধাৰণ বাগ্মিতাই ৰাইজক- যুৱক-যুৱতী মহিলাকে ধৰি সকলোকে আন্দোলনত জপিয়াই পৰিবলৈ উদ্বুদ্ধ কৰি তুলিছিল।

এই গৰাকী চন্দ্ৰপ্ৰভাৰ কিন্তু জন্ম হৈছিল সেই সময়ৰ অবিভক্ত কামৰূপ জিলাৰ বজালী মহকুমাৰ এখন ভিতৰুৱা গাঁও দৈশিঙ্গৰীত। চন্দ্ৰপ্ৰভাৰ পিতৃ ৰাতিৰাম মজুমদাৰ আৰু মাতৃ গঙ্গাপ্ৰিয়াও আছিল সেই সময়ৰ আন পিতৃ-মাতৃৰ তুলনাত ব্যতিক্ৰম। যি সময়ত অসমীয়া সমাজত ছোৱালীক ভৱিষ্যতে সুগৃহিনী হ'বৰ বাবে বোৱা-কটা, ৰন্ধা-বঢ়া আদি কাম শিকোৱাতহে গুৰুত্ব দিয়া হৈছিল সেই সময়ত চন্দ্ৰপ্ৰভাৰ পিতৃ-মাতৃয়ে চন্দ্ৰপ্ৰভা আৰু ভনীয়েক ৰজনীপ্ৰভাক পঢ়িবৰ বাবে ভালুকী গাঁৱত মাহীয়েকৰ ঘৰত থৈছিল। এই কাৰ্যই চন্দ্ৰপ্ৰভাৰ মনত এক গভীৰ সাঁচ বহুৱাইছিল যেন বোধ হয়। সেয়েহে চন্দ্ৰপ্ৰভাই এই কোমল বয়সতে শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা উপলব্ধি কৰিছিল।

চন্দ্ৰপ্ৰভা সৰ্বসাধাৰণ ছোৱালীতকৈ বেলেগ প্ৰকৃতিৰ আছিল। সেয়েহে প্ৰাইমেৰী পাছ কৰি কঠালমুৰীৰ ল'ৰাৰ স্কুলতে মজলীয়া পাঠ্যক্ৰমৰ শিক্ষা ল'বলৈ যো-জা কৰিছিল। কিন্তু এফালে সমাজৰ আপত্তি আৰু প্ৰকৃতিৰ বাধাৰ বাবে এই চেষ্টা সফল নহ'ল। সেয়েহে সমাজৰ নীতি অনুসৰি চন্দ্ৰপ্ৰভাক বিয়া দিয়া হ'ল। কিন্তু ব্যতিক্ৰমী স্বভাৱৰ চন্দ্ৰপ্ৰভাই এই বিয়া গ্ৰহণ কৰিব নোৱাৰিলে। আৰু পতিগৃহৰ পৰা চিৰদিনৰ বাবে পিতৃগৃহলৈ ঘুৰি আহিল। এই যে বাল্য কালতে সমাজৰ নিয়ম উলঙ্ঘা কৰি ঘৰলৈ ঘুৰি আহিল আৰু নিজে বিচৰা ধৰণে জীৱনটো যাপন কৰিবলৈ ঠিক কৰিলে ইয়ে তেওঁৰ অসাধাৰণ সাহস আৰু ব্যক্তিত্বৰ পৰিচয় ফুটাই তুলিছে। পুৰুষ প্ৰধান সমাজে বান্ধি দিয়া নীতি নিয়মৰ বান্ধোনতহে নাৰীয়ে জীৱন অতিবাহিত কৰিব লাগিব এই পৰম্পৰাগত বিশ্বাস তথা ৰীতি তেওঁ উলঙ্ঘা কৰি এক বিৰল সাহসৰ উদাহৰণ ৰাখি গ'ল।

অকল সেয়ে নহয়, এই বাল্য বিবাহৰ বন্ধন ছিন্ন কৰি অহাৰ পিছত তেওঁ দৈশিঙ্গৰীৰ ওচৰৰ গাঁও 'অকয়া'ত

এখনি স্কুল পাতিছিল। ওচৰৰ গাঁৱৰ ছোৱালীবোৰ গোটাই লৈ তেওঁ এই স্কুলত পঢ়ুৱাবলৈ লৈছিল। এই কুমলীয়া বয়সতে তেওঁ নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা উপলদ্ধি কৰিছিল আৰু নাৰী শিক্ষাৰ ক্ষেত্ৰত আগভাগ লৈছিল। কাৰণ চন্দ্ৰপ্ৰভাই অভিজ্ঞতাৰে দেখিছিল যে ছোৱালীক শিক্ষা দিয়া বিষয়ত সমাজ তথা অভিভাৱক আগ্ৰহী নাছিল। আনকি কোনো ছোৱালীৰ শিক্ষাৰ প্ৰতি আগ্ৰহ থাকিলেও শিক্ষা লোৱাৰ কোনো সুবিধা নাছিল। তেওঁ সেই সময়তে অনুভৱ কৰিছিল যে, নাৰী শিক্ষা অবিহনে সমাজ আগুৱাব নোৱাৰে। সেয়েহে নাৰী শিক্ষাৰ ক্ষেত্ৰত লোৱা তেওঁৰ অগ্ৰণী ভূমিকায়ো তেওঁৰ দূৰদৃষ্টিৰে পৰিচয় দিয়ে।

মাষ্টৰণী হিচাবে চন্দ্ৰপ্ৰভাৰ নিষ্ঠা দেখি গঞা ৰাইজেও স্কুলখন ভালকৈ সাজি দিছিল। গঞা ৰাইজৰ সহযোগত ঠন ধৰি উঠা স্কুলখন খুব কম সময়ৰ ভিতৰতে লোকেলবৰ্ডে অধিগ্ৰহণ কৰে। লোকেল বৰ্ডৰ অধীনৰ স্কুল বাবেই চৰকাৰী সহকাৰী স্কুল পৰিদৰ্শক নীলকান্ত বৰুৱাই স্কুল পৰিদৰ্শন কৰিবলৈ আহে আৰু এই প্ৰতিভাশালী কিশোৰী মাষ্টৰণী গৰাকী দেখি মুগ্ধ হ'ল আৰু তেওঁক নগাঁৱৰ মিশ্যন স্কুলত পঢ়াৰ সুবিধা কৰি দিয়ে।

এই নগাঁও মিশ্যন স্কুলখন বৃটিছ চৰকাৰৰ অনুমতি সাপেক্ষে আমেৰিকান মিশ্যনেৰী সকলে স্থাপন কৰিছিল। তেওঁলোকৰ উদ্দেশ্য আছিল শিক্ষা প্ৰচাৰৰ জৰিয়তে ধৰ্ম প্ৰচাৰ কৰা। সেয়েহে এই স্কুলত পঢ়িবলৈ অহা হিন্দু ছাত্ৰীৰ যি সকলে খ্ৰীষ্ট ধৰ্মৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিছিল তেওঁলোকক আদৰ কৰিছিল, থকা-মেলাৰ ভাল সুবিধা দিছিল। যি সকলে অনিচ্ছা প্ৰকাশ কৰিছিল তেওঁলোকক অৱজ্ঞা কৰিছিল। চন্দ্ৰপ্ৰভাই পঢ়ি থকা সময়ত মিশ্যন স্কুলৰ কৰ্তৃপক্ষই হিন্দু ছাত্ৰীসকলৰ প্ৰতি কৰা এনে অন্যায় আচৰণৰ বিৰোধিতা কৰিছিল আৰু নিজৰ ন্যায্য অধিকাৰ সাব্যস্ত কৰিছিল। এনেদৰে চৌধ বছৰীয়া কিশোৰী চন্দ্ৰপ্ৰভাই স্কুল কৰ্তৃপক্ষৰ বিৰোধিতা কৰি নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত এক বিৰল সাহসিকতাৰ উদাহৰণ ৰাখি গ'ল। এই কাৰ্যই চন্দ্ৰপ্ৰভাৰ ব্যক্তিত্বৰ দৃঢ়তাকে ফুটাই তুলিছে।

সমাজে নাৰীৰ প্ৰতি কৰা বৈষম্যমূলক আচৰণৰ বিৰোধিতা কৰাতো তেওঁৰ ব্যক্তিত্বৰ এটা উল্লেখযোগ্য দিশ। ১৯২৫ ছনত নগাঁৱত বহা অসম সাহিত্য সভাৰ অধিৱেশন অনুষ্ঠিত হৈছিল। এই সভাত এফালে পুৰুষৰ আসন আনফালে নাৰীৰ আসনৰ অংশটো চিকেৰে বেৰি দিয়া হৈছিল।



অধিৱেশনৰ দিনা চন্দ্ৰপ্ৰভাই সাহিত্য সভা চাবলৈ অহা নাৰী সকলক যেতিয়া চিকৰ আঁৰত বহি থকা দেখিলে তেতিয়া তেওঁ অভ্যৰ্থনা সমিতিক তিৰস্কাৰ কৰিয়েই ক্ষান্ত নাথাকিলে, নাৰীসকলকো তিৰস্কাৰ কৰি কলে যে এইদৰে চিকৰ আঁৰত বহি বলৈ তেওঁলোকৰ আত্মসন্মানবোধে অপমান পোৱা নাইতো? তেওঁলোকে চিক ভাঙি ওলাই নাহে কিয়? চন্দ্ৰপ্ৰভাৰ এই আহ্বানত মহিলা সকলে চিক্ ভাঙি বাহিৰলৈ ওলাইআহিল। উপস্থিত লোক সকলে মহিলাৰ এই সাহসক হাত-চাপৰিৰে স্বাগতম জনালে।

এই ঘটনাই চন্দ্ৰপ্ৰভাৰ মনত বিশেষভাৱে ৰেখাপাত কৰিলে। তেওঁ অনুভৱ কৰিলে অসমৰ নাৰী সমাজক যদিহে সংগঠিত কৰিব পৰা নাযায় তেনেহলে যুগ যুগ ধৰি নাৰীৰ ওপৰত চলা সমাজৰ দমন-পীড়ন অন্যায় অবিচাৰৰ অৱসান ঘটোৱা সহজ নহ'ব।

সেয়েহে চন্দ্ৰপ্ৰভাই পিছদিনালৈ সেই সভা মণ্ডপতে এখন মহিলাসকলৰ সভা আহ্বান কৰিলে। পিছদিনা এই সভাত ভালেসংখ্যক মহিলাই যোগদান কৰিছিল। উল্লেখযোগ্য যে সভা বহি থাকোঁতেই অভ্যৰ্থনা সমিতিৰ কেইজনমান সদস্যক লৈ বিদ্যাধৰ শৰ্মা নামৰ এজন উকীলে মণ্ডপখন ভাঙিবলৈ আৰম্ভ কৰিলে। তেতিয়া মহিলাসকলে মুকলি পথাৰত গৈ সভাপাতে। সভাত চন্দ্ৰপ্ৰভাই সমগ্ৰ অসমৰ মহিলাসকলক একত্ৰিত কৰি এখন সমিতি পতাৰ প্ৰয়োজনীয়তাৰ কথা উত্থাপন কৰে। চন্দ্ৰপ্ৰভাৰ এই প্ৰস্তাৱ সকলোৱে সমৰ্থন কৰে আৰু অসম মহিলা সমিতি গঠনৰ ভাৰ চন্দ্ৰপ্ৰভাৰ ওপৰত ন্যস্ত কৰে। ১৯২৬ চনত ধুবুৰীত বহা অসম সাহিত্য সভাৰ অধিৱেশন খনত সভাপতিত্ব কৰিছিল স্বনাম ধন্য সাহিত্যিক বেণুধৰ ৰাজখোৱাই। এই অধিৱেশনতে সভাপতি বেণুধৰ ৰাজখোৱা বিশিষ্ট চুটি গল্পকাৰ নগেন্দ্ৰ নাৰায়ন চৌধুৰী, পুলিচ বিষয়া ভুবন চন্দ্ৰ বৰুৱা আদি পুৰুষ প্ৰতিনিধি সকলৰ উদ্যোগত অসম মহিলা সমিতি গঠন কৰা হয়। সভাই চন্দ্ৰপ্ৰভাক সম্পাদিকাৰ ভাৰ অৰ্পণ কৰে।

সম্পাদিকাৰ ভাৰ গ্ৰহণ কৰি তেওঁ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ভ্ৰমণ কৰি প্ৰতিখন জিলাতে একোখন মহিলা সমিতি স্থাপন কৰিছিল। ইতিপূৰ্বে চন্দ্ৰপ্ৰভাৰ উদ্যোগতে নগাঁৱত ১৯১৭ ছনত আৰু তেজপুৰত ১৯১৯ ছনত মহিলা সমিতি গঠন হৈছিল। কিন্তু ইয়াৰো আগেয়ে ১৯১৫ ছনত ডাঃ তিলোত্তমা দাস আৰু অমলপ্ৰভা দাসৰ মাতৃ হেমপ্ৰভা দাসে ডিব্ৰুগড়ত এখন

মহিলা সমিতি গঠন কৰিছিল। ১৯১৬ চনত শিৱসাগৰত বিমলাপ্ৰসাদ চলিহাৰ মাতৃ নিকুঞ্জলতা চলিহা আৰু কেইগৰাকীমান মহিলা লগ লাগি এখন মহিলা সমিতি পাতিছিল। এই সকলোবোৰ মহিলা সমিতি লগলগাই অসম মহিলা সমিতি গঠন কৰা হয়। ইয়াৰ পিছৰ বছৰতে অৰ্থাৎ ১৯২৯ ছনত গোলাঘাটত অসম মহিলা সমিতিৰ অধিবেশনো অনুষ্ঠিত হৈছিল। ইয়াৰ ফলত অসমৰ মহিলা সকলৰ মাজত এক জাগৰণৰ সৃষ্টি হৈছিল।

এইদৰে তেওঁ মহিলাসকলক ঘৰৰ পৰা উলিয়াই আনি সংঘবদ্ধ কৰাই নহয়, নাৰী সকলক যুগ যুগ ধৰি দমন কৰি ৰাখিবৰ বাবে সমাজে যিবোৰ নীতি-নিয়মৰ পৰম্পৰা গঢ়ি তুলিছিল, চন্দ্ৰপ্ৰভাই সেইবোৰ পৰম্পৰাও ভংগ কৰি এগৰাকী দুঃসাহসী আৰু প্ৰবল ব্যক্তিত্বৰ নাৰী হিচাপে পৰিচয় দিছিল।

এই প্ৰসঙ্গত উল্লেখযোগ্য যে সেই সময়ত মুকলিকৈ তিৰোতামানুহ ফুৰা-চকা কৰিব নোৱাৰিছিল। অলৈ-তলৈ যাবলৈ হলে ঘোৰাবাগীত উঠি দুৱাৰ-খিড়ীকী বন্ধ কৰিহে গৈছিল। তেজপুৰ মহিলা সমিতিয়ে এই ৰীতিৰ বিৰোধিতা কৰি প্ৰস্তাৱ গ্ৰহণ কৰে যে তেতিয়াৰ পৰা মহিলা সকলে খোজকাঢ়ি ফুৰা চকা কৰিব।

সেইদৰে ১৯২৯ছনত গোলাঘাটত বহা 'অসম মহিলা সমিতি'ৰ অধিবেশনত বাল্য বিবাহৰ বিৰোধিতা কৰি প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। এই প্ৰস্তাৱ উত্থাপন কৰিছিল স্বৰ্ণলতা দেৱী গোস্বামীয়ে। উল্লেখযোগ্য যে স্বৰ্ণলতাৰ মাতৃ অভ্যৰ্থনা সমিতিৰ সভানেত্ৰী মৃনালিনী দেৱী গোস্বামীয়ে এই প্ৰস্তাৱক বিৰোধিতা কৰিছিল। এই প্ৰসঙ্গত সেই সভাত তুমুল তৰ্ক হৈছিল আৰু বিষয়টো অৱশেষত ভোটত দিয়া হৈছিল। ভোটত মৃণালিনী দেৱী গোস্বামী হাৰে আৰু প্ৰস্তাৱটো গৃহীত হয়।

গাঁও অঞ্চলত মহিলা সমিতিৰ কামত ঘুৰিবলৈ চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে এখন চাইকেল লৈছিল। তেৱেঁই প্ৰথম মহিলা চাইকেল আৰোহী। এনে কামৰ বাবে তেওঁ যে সমাজৰ পৰা ডাংকাটি মহিলাৰ বিশেষণ পোৱা নাছিল এনে নহয়। কিন্তু তেওঁ সেইবোৰলৈ ভ্ৰুক্ষেপ কৰা নাছিল।

নাৰীৰ অধিকাৰ সম্পৰ্কে তেওঁ বিশেষ ভাৱে সচেতন আছিল। দেউতাকৰ মৃত্যুৰ পাছত ভায়েক ধৰ্মেশ্বৰে দেউতাকৰ মাটি-সম্পত্তি বন্ধকত থৈ টকা লৈ পলাই যায়। দেউতাকৰ সা-সম্পত্তিৰ অধিকাৰী ল'ৰাৰ দৰে ছোৱালীও। সেইদৰে পিতৃ ঋণৰ দায়িত্বও ল'ৰাৰ দৰে ছোৱালীৰো



সমান। এই আদৰ্শত বিশ্বাসী চন্দ্ৰপ্ৰভাই দেউতাকৰ মাটি-সম্পত্তি উদ্ধাৰৰ বাবে কাছাৰীত মোকৰ্দমাও কৰিছিল। সম্পত্তিৰ কিছু অংশ উদ্ধাৰ কৰি মাউৰা ভাগিনীয়েক আৰু মাকক থকাৰ সুবিধা কৰি দিছিল। এই আদৰ্শৰ ওপৰত ভেটি কৰি তেওঁ 'পিতৃভিঠা' নামৰ এখন উপন্যাস ৰচনা কৰিছিল। উল্লেখযোগ্য যে উপন্যাসখনে নাৰীবাদী ভাবধাৰাও বহন কৰিছে।

উল্লেখযোগ্য যে এটা সময়ত অৰ্থ কষ্টৰ বাবে তেওঁ উপাৰ্জনৰ উপায় স্বৰূপে এখন লাইন বাছো চলাইছিল। বাছখন ধূপধৰা লাইনত চলাইছিল। কিন্তু ক'ৰ পৰা ক'লৈ চলিছিল সেইটো জনা নাযায়। পাছত এইখন বাছ গুৱাহাটীত চিটি বাছ হিচাপে চলাইছিল বুলি ধৰ্মেশ্বৰৰ পুতেক টুটু মজুমদাৰে শ্ৰীযুত কুলদা কুমাৰ ভট্টাচাৰ্যক দিয়া সাক্ষাৎকাৰৰ পৰা জনা যায়। তেতিয়া নাৰীয়ে চাইকেল চলোৱাটো যেনেকৈ অদ্ভুত কথা সেইদৰে জীৱিকাৰ উপায় হিচাপে বাছ চলোৱাৰ দৰে ব্যৱসায় কৰাও এক অভাৱনীয় লগতে নিন্দনীয় বিষয় আছিল। চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে এনেদৰে পূৰ্বৰ আৰু সমসাময়িক পুৰুষ নিৰ্দ্ধাৰিত নাৰী সমাজৰ পৰম্পৰা ভংগ কৰিছিল। সমাজত নাৰী আৰু পুৰুষ দুয়ো সমান। পুৰুষ সত্তাৰ দৰে নাৰী সত্তাও এক মানৱীয় সত্তা। এই নাৰীবাদী ধাৰণা তেওঁৰ মজ্জাগত আছিল বাবেই পুৰুষ নিৰ্দ্ধাৰিত পৰম্পৰা ভংগ কৰিবলৈ বা বাল্যবিবাহৰ বন্ধন ছিন্ন কৰি ঘৰলৈ ঘুৰি আহিবলৈ সাহস কৰিছিল।

তেজপুৰত থকা কালতেই ঘটা ঘটনাই তেওঁৰ ব্যক্তিত্বৰ অসাধাৰণত্ব সুন্দৰ ভাৱে ফুটাই তুলিছে। সেয়া হ'ল তেজপুৰত থাকোঁতেই তেওঁৰ চিনাকী হৈছিল তেজপুৰৰ উদীয়মান যুৱক দণ্ডিনাথ কলিতাৰ লগত। দণ্ডিনাথ কলিতা শিক্ষক, লেখক আৰু গান্ধীৰ আদৰ্শৰ অনুগামী আছিল। চন্দ্ৰপ্ৰভাও শিক্ষয়িত্ৰী, লেখিকা আৰু গান্ধীৰ আদৰ্শৰ অনুগামী। দুয়োৰে এই আদৰ্শগত মিলৰ বাবে দুয়ো দুয়োৰে প্ৰতি আকৰ্ষিত হৈছিল। আৰু সময়ত ই প্ৰেমলৈ ৰূপান্তৰিত হৈছিল। কিন্তু এই প্ৰেমৰ ফলস্বৰূপে চন্দ্ৰপ্ৰভা অন্তঃসত্বা হয়। ফলত তেওঁ চাকৰি ইস্তফা দি দৈশিঙৰীলৈ উলটি যায়। দৈশিঙৰীতে তেওঁৰ পুত্ৰ অতুলৰ জন্ম হয়। সেই কথা সকলোৱে জানে। কুমাৰী মাতৃয়ে শাৰিৰীক আৰু মানসিক যান্ত্ৰণা কেনে ভাবে ভোগ কৰিব লগা হৈছিল আজি আৰু সেইয়া কাৰো অবিদিত নহয়। সমাজৰ হেঁচাত সাধাৰণতে সন্তানটো ভ্ৰূণতে হত্যা কৰা হৈছিল। কিন্তু চন্দ্ৰপ্ৰভাই সন্তানটো নষ্ট কৰাৰ পক্ষপাতি নাছিল। কাৰণ এইয়া

তেওঁৰ পাপৰ সন্তান নহয়; এইয়া তেওঁৰ প্ৰেমৰ সন্তান। পিতৃয়ে সমজুৱাভাৱে স্বীকাৰ নকৰিলেও দুবৈৰ পৰা ভৰণ-পোষণ দি সহায় কৰি আছে। সেয়ে চন্দ্ৰপ্ৰভাই এই সন্তান জন্ম দি আদৰেৰে তাক-ডাঙৰ দীঘল কৰিলে। এই সন্তান তেওঁ লগত লৈ সাহিত্য সভা, মহিলা সমিতি, কংগ্ৰেছ আন্দোলনৰ বিভিন্ন কাৰ্যসূচীত যোগদান কৰিছিল; কোনোবাই গৰিহণা দিলেও; কোনো অপবাদকাৰীৰ কটুক্তিলৈ ভ্ৰুক্ষেপ নকৰি তেওঁ নিজ লক্ষ্যত আগবাঢ়িছিল। তেওঁৰ অসাধাৰণ ব্যক্তিত্ব আৰু নৈতিক সাহসৰ বলতেই তেওঁ এনে এক পৰিস্থিতিকো অতিক্ৰম কৰিবলৈ সক্ষম হৈছিল।

চন্দ্ৰপ্ৰভা শইকীয়ানীৰ ব্যক্তিত্বৰ আন এটা দিশ হ'ল তেওঁৰ স্পষ্টবাদীতা। এই স্পষ্টবাদীৰ উদাহৰণ হিচাপে পুষ্পলতা দাসৰ 'অগ্নিস্নাতা চন্দ্ৰপ্ৰভা' নামৰ পুথিত উল্লেখ থকা এটি ঘটনালৈ আঙুলিয়াব পাৰোঁ।

স্বাধীনতা সংগ্ৰামত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বাবে স্বাধীনতাৰ পাছত ১৯৫৭ চনৰ নিৰ্বাচনত কংগ্ৰেছৰ পৰা তেওঁক মনোনয়ন দিয়া হয় বজালী সমষ্টিৰ বাবে। নিৰ্বাচন খেলিবলৈ বহুত লোকে অজস্ৰ ধন খৰছ কৰে, জিকিবৰ কাৰণে নানা অসৎ উপায় অৱলম্বন কৰে। চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে কিন্তু আত্মস্বাৰ্থৰ বাবে এনে কাম কৰাৰ পৰা সদায় আঁতৰত আছিল।

এই নিৰ্বাচনী প্ৰচাৰ অভিযানত তেওঁ দিয়া এটি বক্তৃতাৰ পৰা তেওঁৰ এই স্পষ্টবাদী নিস্বাৰ্থ ব্যক্তিত্বৰ স্বৰূপ সুন্দৰকৈ উপলব্ধি কৰিব পাৰি। তেওঁৰ নিৰ্বাচনী প্ৰচাৰৰ এখন সভাৰ, পুষ্পলতা দাসে দিয়া বৰ্ণনাটি এনে ধৰণৰ - চন্দ্ৰপ্ৰভাৰ নিৰ্বাচনী প্ৰচাৰৰ শেষ সভাখন অনুষ্ঠিত কৰা হৈছে বজালীত। সেই সভাত স্থানীয় মৌজাদাৰ, ঠিকাদাৰ, ব্যৱসায়ী আদি অনেক বিশিষ্ট ব্যক্তি উপস্থিত আছিল। কংগ্ৰেছকৰ্মী আৰু সেই সভাত উপস্থিত বিশিষ্ট ব্যক্তি সকলোলৈকে খোৱাৰ যোগাৰ কৰা হৈছে। সেই সময়ত বজালীত ভাল ঘিউ পোৱা গৈছিল। খাটি ঘিউত লুচি ভজা হৈছে সকলোলৈকে। তেনে সময়তে মঞ্চত উঠি চন্দ্ৰপ্ৰভাই বক্তৃতা আৰম্ভ কৰি কৈছিল-

ৰাইজসকল, এই শোষক পুঁজিপতিসকলে, এই ঠিকাদাৰ, মৌজাদাৰ, ব্যৱসায়ীসকলে- যি সকলে অতদিনে ৰাইজক শোষণ কৰি আহিছে, সেই বিলাকৰ শোষণৰ অন্ত পেলাবলৈকে আপোনালোকে কংগ্ৰেছৰ হাত শক্তিশালী কৰিব লাগিব। ন্যস্ত স্বাৰ্থই নিজ স্বাৰ্থত আজিও কংগ্ৰেছক পূজা কৰিছে। তেওঁলোকৰ মুখা ৰাইজেই খুলি পেলাব লাগিব।

এই সকল লোকৰ আৰ্থিক সহায়তেই হয়তো তেওঁ নিৰ্বাচন খেলিব লগা হৈছে। কিন্তু এনে পোনপটীয়া কথাই এই সকল লোকক লজ্জিত কৰাৰ লগতে নিৰ্বাচনী বতাহো যে ওলোটা দিশতহে যে ব'ব সেইফালে তেওঁৰ ভ্ৰুক্ষেপ নাই। ইয়াৰ পিছত স্বাভাৱিক ভাৱেই তেওঁ নিৰ্বাচনত পৰাজয় বৰণ কৰিলে, কিন্তু তাৰ বাবে তেওঁৰ আক্ষেপো নাই।

সেয়েহে অসমৰ প্ৰতিটো সামাজিক, ৰাজনৈতিক সমস্যাৰ প্ৰসংগত তেওঁ নিৰ্ভীক ভাবে নিজস্ব মতামত ব্যক্ত কৰিছিল। লাগে তেওঁৰ মতামতে শাসকীয় কংগ্ৰেছ পক্ষকে আঘাট কৰক বা বিৰোধীকে আঘাট কৰক তেওঁ তালৈ পৰোৱা নকৰিছি। উদাহৰণ স্বৰূপে ৰাজ্য ভাষাৰ আন্দোলনত কাছাৰবাসী বাংলাভাষী লোকসকলৰ ভূমিকাৰ ক্ষেত্ৰত, বিদেশী বহিস্কাৰ আন্দোলনৰ ক্ষেত্ৰত সংখ্যালঘু মন্ত্ৰী-বিধায়ক সকলৰ ভূমিকাৰ ক্ষেত্ৰত তেওঁ নিৰ্ভীক নিজস্ব মতামত প্ৰকাশ কৰিবলৈ সংকোচ বোধ কৰা নাছিল।

এই গৰাকীয়েই হ'ল ব্যতিক্ৰমী ব্যক্তিত্বৰ চন্দ্ৰপ্ৰভা শইকীয়ানী, যি গৰাকী নাৰীয়েই এহাতে নাৰীৰ প্ৰগতি, কল্যাণৰ হকে কাম কৰি গ'ল আনহাতে সমাজৰ দুৰ্বল শ্ৰেণীৰ উদ্‌গতিৰ হকে আজীৱন সেৱা কৰি গ'ল।

**সহায়ক পুথিঃ-**

১। 'অগ্নিস্নাতা চন্দ্ৰপ্ৰভা', পুষ্পলতা দাস, নেশ্যেনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া, ১৯৯৮।

২। 'চন্দ্ৰপ্ৰভা শইকীয়ানী', অচ্যুত কুমাৰ শৰ্মা, লোকায়ত প্ৰকাশন, গুৱাহাটী ২০০১।

৩। 'মুক্তি সংগ্ৰামী চন্দ্ৰপ্ৰভা', হিৰণ্ময়ী দেৱী, গুৱাহাটী, ২০০২।

৪। 'মুক্তি যুঁজত লুইতপৰীয়া নাৰী', ডঃ দীপ্তি শৰ্মা, ষ্টুডেন্ট ষ্ট'ৰচ, গুৱাহাটী ১৯৯৫। ■

# অনন্য প্ৰতিভাশালী চন্দ্ৰপ্ৰভা শইকীয়ানীঃ জীৱন আৰু কৃতি

-হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি
সভানেত্ৰী, অসম লেখিকা সংস্থা

প্ৰাক্ স্বাধীনতাৰ যুগতে অবিবাহিতা মাতৃ হিচাপে নিজক সন্মানেৰে প্ৰতিষ্ঠা কৰিব পৰা সাহসী সংগ্ৰামী এই নাৰীক ভাৰত চৰকাৰে পদ্মশ্ৰী সন্মান যাচি উপযুক্ত মৰ্যাদা দিছিল বুলিয়েই ক'ব পাৰি।

---

উপজি মৰিছোঁ
মৰি উপজিছোঁ
অলেখবাৰ।
ধৰণী ধূলাত পৰি ৰ'ল আমাৰ
অহা যোৱা চিহ্ন
অলেখবাৰ।"

আত্মপ্ৰত্যয় আৰু দৃঢ়তাৰে কৰা এই সহজ-সৰল ঘোষণা আত্মিক শক্তিৰে বলীয়ান বিদ্ৰোহী নাৰী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ। একেধাৰে কবি, গীতিকাৰ, নিবন্ধকাৰ, গল্পকাৰ, ঔপন্যাসিক, সাংবাদিক, শিক্ষাব্ৰতী, সুবক্তা, সুসংগঠক, সমাজসেৱী, নাৰীমুক্তি আন্দোলনৰ বাটকটীয়া চন্দ্ৰপ্ৰভা শইকীয়ানী এক বিৰল তথা বলিষ্ঠ ব্যক্তিত্ব। বিস্ময়কৰ প্ৰতিভাৰ অধিকাৰী এই বিদূষী নাৰীৰ সৃষ্টিশীল প্ৰতিভা আৰু গঠনমূলক কৰ্মৰাজিয়ে পৰৱৰ্তী কালৰ নাৰীসমাজক উদ্বুদ্ধ কৰাই নহয়, মানুহগৰাকীক প্ৰকৃততে কিম্বদন্তীত পৰিণত কৰিছে। অদম্য সাহসী, উদ্যোগী, প্ৰেৰণাময়ী এই তেজস্বিনী নাৰীগৰাকীক আমি পাইছোঁ এক প্ৰতিবাদী সত্তা হিচাপে। সমাজখনক ভাগ ভাগ কৰা, ক্ৰমাৎ অধঃপাতে আগুৱাই নিয়া জাত-পাত, কু-সংস্কাৰ তথা অন্ধবিশ্বাসৰ বিৰুদ্ধে এক তীব্ৰ প্ৰতিবাদ আৰু সাহসৰ প্ৰতিমূৰ্তি চন্দ্ৰপ্ৰভা শইকীয়ানী এটি নাম নহয় এক বৃহৎ অনুষ্ঠান তথা এক সংগ্ৰামী সত্তা।

নামনি অসমৰ বজালী অঞ্চলৰ অত্যন্ত ভিতৰুৱা ঠাই দৈশিঙ্গৰী গাঁৱৰ ৰতিৰাম গাঁওবুঢ়া (ৰতিৰাম মজুমদাৰ) আৰু গংগাপ্ৰিয়াৰ কন্যা এই বিৰল ব্যক্তিত্বশালিনী, বহুমুখী প্ৰতিভাৰ গৰাকীনী চন্দ্ৰপ্ৰভা। ১৯০১ চনৰ ১৬মাৰ্চত জন্মগ্ৰহণ কৰা এই গৰাকী নাৰী অসমৰ প্ৰথম মহিলা চিকিৎসক ৰামেশ্বৰীৰ সহোদৰা। অতি কষ্টসহিষ্ণু দুই ভগ্নীয়ে বাৰিষাৰ এককাল পানীকো ভয় নকৰি কেবা কিলোমিটাৰ নিলগৰ এখন প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা সমাপ্ত কৰিছিল। ৰজা পঞ্চম জৰ্জৰ মেডেল পাবলৈ সক্ষম হোৱা অত্যন্ত মেধাবী চন্দ্ৰপ্ৰিয়া আৰু ৰামেশ্বৰীয়ে চন্দ্ৰপ্ৰভা আৰু ৰজনীপ্ৰভা নামলৈ ১৯১৫ চনৰ পৰা নগাঁও মিছন স্কুলত পিছৰ পৰ্যায়ৰ শিক্ষা গ্ৰহণ কৰিছিল। সেইস্কুলৰ পৰাই নৰ্মাল শিক্ষা গ্ৰহণ কৰি চন্দ্ৰপ্ৰভাই নগাঁৱৰ প্ৰাথমিক স্কুল এখনত শিক্ষকতা কৰিবলৈ লৈছিল। কৰ্তব্যৰ তাগিদাত তেওঁ অৱশ্যে কিছুদিন শিক্ষকতা কৰাৰ পিছত তেজপুৰলৈ যাব লগা হৈছিল। এই তেজপুৰ যাত্ৰাই তেওঁৰ জীৱনৰ গতিপথ সলনি কৰা বুলি ক'ব পাৰি।

**চন্দ্ৰপ্ৰভাৰ প্ৰেম আৰু মাতৃত্বঃ**

তেজপুৰ মজলীয়া বিদ্যালয়ত প্ৰধান শিক্ষয়িত্ৰী পদত নিযুক্তিয়েই আছিল চন্দ্ৰপ্ৰভাৰ তেজপুৰ যাত্ৰাৰ প্ৰধান কাৰণ। সেয়া আছিল ১৯১৮ চন। তেজপুৰত থকা সময়ছোৱাত তেওঁ নামী-দামী, গুণী-জ্ঞানী তথা বহু প্ৰাজ্ঞ ব্যক্তিৰ সান্নিধ্য লাভ কৰাৰ সুযোগ পাইছিল। অসমীয়া সংস্কৃতি জগতৰ পুৰোধা ব্যক্তি জ্যোতিপ্ৰসাদ আগৰৱালা, তেওঁৰ মাতৃ কিৰণময়ী আগৰৱালা, স্বনামধন্য কবি, ঔপন্যাসিক দণ্ডীনাথ কলিতা, তদানীন্তন অসম ছাত্ৰ সন্মিলনৰ নেতা অমিয় কুমাৰ দাস আছিল সেইপ্ৰাজ্ঞসকলৰ অন্যতম। এই সকলৰ সান্নিধ্যত তেওঁৰ প্ৰতিবাদী কণ্ঠ নতুন উদ্যমেৰে জাগ্ৰত হৈ উঠিছিল। আনহাতে কবি কলিতাৰ লগত তেওঁৰ আত্মিক সম্পৰ্ক গঢ় লৈ উঠিছিল আৰু তেওঁলোকৰ গোপন মিলনো সংঘটিত হৈছিল। ফলশ্ৰুতিত তেওঁ অবৈধ মাতৃত্বৰ বোজা বহন কৰিব লগাত পৰিছিল। সেই সময়ৰ ৰক্ষণশীল সমাজে তেওঁলোকৰ প্ৰেমক স্বীকৃতি দিবলৈ অপাৰগতা প্ৰকাশ কৰাত চন্দ্ৰপ্ৰভাই দাম্পত্য জীৱনৰ সুখ লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। কিন্তু চন্দ্ৰপ্ৰভাই অবিচলিত নহৈ প্ৰকৃত আৰু প্ৰথম প্ৰেমক স্বীকৃতি দিয়াৰ সিদ্ধান্ত

ল'লে। তেওঁলোকৰ প্ৰেমৰ স্বাক্ষৰ স্বৰূপে এটি পুত্ৰ সন্তানৰ জন্ম দি আজীৱন সেই পুত্ৰক মাতৃত্বৰ উমেৰে উজ্জীৱিত কৰি ৰাখিলে। অকল সেয়ে নহয় ৰক্ষণশীল সমাজলৈ আঙুলি টোৱাই এই কুমাৰী মাতৃ গৰাকীয়ে নিজৰ পৰিচয়েৰে সন্তানক সমাজত চিনাকি দিয়ালে। প্ৰেমাস্পদকৰ প্ৰতি গভীৰ প্ৰেম অটুট ৰাখি নিজৰ আদৰ্শৰে পুত্ৰক শিক্ষিত কৰি তেওঁ সমাজৰ আগত দাঙি ধৰিলে অনন্য সাহসৰ। নাৰীৰ অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰামৰ বাটকটীয়া চন্দ্ৰপ্ৰভাই পুত্ৰ অতুল শইকীয়াক শ্ৰমিক সংগঠনৰ নেতৃত্ব ল'ব পৰাকৈ উপযুক্ত কৰি তুলিলে। স্বাধীনতাৰ দুই দশক আগতেই ভাৰতবৰ্ষৰ দৰে পুৰুষতন্ত্ৰ বৰ্তি থকা সমাজ এখনত এগৰাকী নাৰীয়ে দেখুওৱা এই সাহস তুলনাবিহীন।

**শিক্ষাব্ৰতা, সুসংগঠক, স্বাধীনতা আন্দোলনৰ কৰ্মী চন্দ্ৰপ্ৰভাঃ**

অত্যন্ত সাহসেৰে কুমাৰী মাতৃত্ব গ্ৰহণ কৰা চন্দ্ৰপ্ৰভাই প্ৰধান শিক্ষয়িত্ৰী হৈ থকা সময়তে তেজপুৰৰ পৰা পুনৰ দৈশিঙৰীলৈ উভতিব লগা পৰিস্থিতিৰ উদ্ভৱ হৈছিল আৰু ইয়াক অতি সহজভাৱে তেওঁ চম্ভালি লৈছিল। কিন্তু এই কাৰণেই যেতিয়া তেওঁ শিক্ষাৰ জগতখনৰ পৰা বেছ কিছুদিন আঁতৰি থাকিব লগা হৈছিল তেতিয়াহে তেওঁ ভীষণ মানসিক অশান্তিত ভুগিছিল। পিছে এদিন এই অৱস্থাৰ অৱসান ঘটিল আৰু গুণীৰ গুণ বুজি পোৱা লোকে তেওঁক বিচাৰি আহিল। দৈশিঙৰী গাঁৱৰ পৰা চাৰি মাইল আঁতৰৰ কালজিৰা পাৰৰ গাঁৱৰ ৰাইজে তেওঁক অনুৰোধ কৰিলে সেই গাঁৱত স্কুল প্ৰতিষ্ঠা কৰি বালিকা বিদ্যালয়খনৰ শিক্ষয়িত্ৰীৰ পদ গ্ৰহণ কৰিব লাগে বুলি। শিক্ষাৰ প্ৰতি বিশেষকৈ নাৰী শিক্ষাৰ প্ৰতি আগ্ৰহী চন্দ্ৰপ্ৰভাই এই সুযোগ আনন্দৰে গ্ৰহণ কৰিলে আৰু কেঁচুৱা অতুলক কোঁচত লৈ, কেতিয়াবা চাইকেলত তুলি বিদ্যালয়লৈ অহাযোৱা কৰিবলৈ ধৰিলে। চন্দ্ৰপ্ৰভাৰ দৰে উদ্যমী, বলিষ্ঠ নাৰীৰ পক্ষেহে এনে কাম সম্ভৱ হৈছিল। যি ৰক্ষণশীল সমাজে তেওঁক এসময়ত এঘৰীয়া কৰিছিল সেই সমাজৰ পৰাই অহা আহ্বানক সঁহাৰি জনাই তেওঁ জয়ী হৈছিল।

স্বাধীনতা আন্দোলনৰ অক্লান্ত কৰ্মী চন্দ্ৰপ্ৰভাই দেশ তথা জাতিৰ কল্যাণৰ কাৰণে আহোপুৰুষাৰ্থ কৰিছিল। বিশিষ্ট ব্যক্তিসকলৰ সান্নিধ্যত লাভ কৰা অভিজ্ঞতা আৰু প্ৰেৰণাৰে নিজৰ ব্যক্তিত্বক সমৃদ্ধ কৰি তেওঁ দুঃখী আৰু পীড়িতা মহিলাৰ পুনৰ সংস্থাপন, লগতে শিশু আৰু মাতৃ সকলৰ কল্যাণৰ কাৰণে সমাজৰ পৰা অস্পৃশ্যতা দূৰীকৰণৰ অৰ্থে দলিত আৰু অৱহেলিত শ্ৰেণীৰ কল্যাণ কামনা কৰি ব্যৱস্থা গ্ৰহণ তথা কানি ৰৱবিহৰ নিবাৰণৰ অৰ্থে অজস্ৰ গঠনমূলক কাম কৰি অহোপুৰুষাৰ্থ কৰিছিল। অফুৰন্ত কৰ্মৰাজিয়ে তেওঁক প্ৰতি পদে পদে সহায় কৰিছিল। স্বাধীনতা আন্দোলনত জপিয়াই পৰি তেওঁ কেবাবাৰো কাৰাবৰণ কৰিবলগীয়া হৈছিল যদিও তেওঁ বিচলিত নহৈ স্বাধীনতা আন্দোলনৰ বীজ যাতে তৃণমূল পৰ্যায়লৈকে ৰোপন কৰিব পাৰি সেই চেষ্টাতহে প্ৰবৃত্ত হৈছিল। হাতত ভিক্ষাৰ পাত্ৰ লৈ দেশৰ বাবে পুঁজি সংগ্ৰহ কৰিছিল এই গৰাকী নেত্ৰীয়ে। সেই সময়ত সেই উদ্দেশ্যে দিয়া তেওঁৰ অগ্নিময় আৰু প্ৰেৰণাময়ী ভাষণে স্বাধীনতা প্ৰয়াসী ব্যক্তিসকলক উদ্বুদ্ধ কৰি তুলিছিল। দেশ আৰু জাতিৰ মংগলৰ বাবে মহিলাসকলৰ ভূমিকা যে পুৰুষৰ সৈতে সমান সেইটো প্ৰমান কৰিবলৈ তেওঁ যৎপৰোনাস্তি চেষ্টা কৰি নাৰীসকলক সংগঠিত কৰিছিল মহিলা সমিতি প্ৰতিষ্ঠা কৰি।

সমাজ সংস্কাৰৰ কামত বৈপ্লৱিক ভূমিকা গ্ৰহণ কৰা চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে বুজি পাইছিল মহিলাৰ অধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ সমাজৰ সকলো শ্ৰেণীৰ মানুহৰে সহায় অপৰিহাৰ্য। তেওঁৰ সংগ্ৰাম কেৱল চহৰ অঞ্চলতে সীমিত নাছিল। প্ৰতিকূল যোগাযোগ ব্যৱস্থালৈ কেৰেপ নকৰি তেওঁ নাৰীসকলক সংগঠিত কৰিবলৈ চাইকেলেৰে ঘুৰি ফুৰিছিল গাঁৱে গাঁৱে। কুৰি শতিকাৰ তৃতীয় চতুৰ্থ দশকৰ সমাজে সেয়া গ্ৰহণ কৰিব নোৱাৰা কথাই আছিল। তেওঁক কটাক্ষ কৰি ঠাট্টা বিদ্ৰূপ কৰি গীতৰ কলিয়েই আঁওৰাই ছিল-"চনৰপ্ৰভা যায় ৰাইচাইকেল বাই" বুলি। 'মৰদৰ সাহ' দেখুৱা বুলি নাৰীসকলেই তেওঁক উপলুঙা কৰিছিল। কিন্তু চন্দ্ৰপ্ৰভাই অন্তঃকৰণেৰে বুজি উঠিছিল শিক্ষাৰ অভাৱৰ বাবেই এনে হোৱাৰ কাৰণ বুলি। সেয়ে তেওঁ কেনেকৈ সমাজখনক কু-সংস্কাৰ, অন্ধবিশ্বাসৰ পৰা মুক্ত কৰিব পাৰি তাৰ কাৰণে তেওঁ

বক্তৃতাৰে, কলমেৰে সংগ্ৰাম অব্যাহত ৰাখিছিল আমৃত্যু। সকলো প্ৰতিবন্ধকতাৰ বিৰুদ্ধে সাহসেৰে থিয় দি প্ৰতিকূল পৰিস্থিতিৰ মুখামুখি হোৱাই আছিল তেওঁৰ গভীৰ জীৱন দৰ্শন।

**ঔপন্যাসিকা চন্দ্ৰপ্ৰভা ঃ**

শিক্ষাদান, সমাজ সেৱা, স্বাধীনতা আন্দোলন, মহিলা সংগঠন আদি সকলোতে নিজক নিয়োজিত আৰু সমৰ্পিত কৰাৰ লগে লগে চন্দ্ৰপ্ৰভাই নিজৰ সৃষ্টিশীল কৰ্মৰাজিকো সমানে আগুৱাই লৈ গৈছিল। সাহিত্যৰ প্ৰতিটো দিশতে তেওঁ নিজৰ দক্ষতা প্ৰতিপন্ন কৰিব পাৰিলেও ঔপন্যাসিকা হিচাপে তেওঁ প্ৰতিষ্ঠিত হৈছিল সেই যুগতে যি যুগত অসমীয়া উপন্যাস সাহিত্যই থৰক-বৰক খোজ পেলাবলৈ সক্ষম হৈছিলহে।

'পিতৃ ভিঠা' তেওঁৰ প্ৰথম প্ৰকাশিত উপন্যাস। অসমীয়া উপন্যাস সাহিত্যৰ ধাৰাত এই উপন্যাসৰ অৱদান তিলমানো কম নহয়। এই উপন্যাসখনি নিজৰ গাঁঠিৰ ধন ভাঙি প্ৰকাশ কৰাৰ অন্তৰালত থকা উদ্দেশ্য গ্ৰন্থখনিৰ লেখিকাৰ নিবেদনতে সুন্দৰকৈ প্ৰকাশিত হৈছে। কিতাপ লিখা, বিশেষকৈ উপন্যাস লিখা, লেখিকাৰ জীৱনৰ এটা বৃহত্তৰ আকাংক্ষা। যেতিয়াই মৰাৰ কথা মনত পৰে, তেতিয়াই মনত পৰে- 'কিতাপ লিখা আৰু নহ'ল। মনত বেদনা ওপজে।'

"আজি সেই আকাংক্ষাৰে প্ৰথম এক বিন্দুকনাৰূপে "পিতৃ-ভিঠা" বা "পিতৃ-ভেটি" অৰ্থৰ আশাত ৰাইজৰ আগলৈ আগবঢ়ালোঁ। যদি অৰ্থ মিলে-ইয়াৰ পিছতে "গৌৰী-শংকৰ", তাৰ পিছতে বৃহত্তম উপন্যাস, য'ত জটিল স্ত্ৰী-পুৰুষ-চৰিত্ৰৰ সমাধানৰ চেষ্টা চলিছে- সেই 'অ-পৰাজিতা' তাৰ পিছত "ঘৰ জোঁৱাই", "বিয়াৰ বিষ" প্ৰভৃতি হাতে লিখা অৱস্থাত পৰি থকা উপন্যাস- এই 'পিতৃ-ভিঠা'ৰ পৰাই প্ৰকাশিত হ'ব।" (লেখিকাৰ নিবেদন, পিতৃ-ভিঠা)

'পিতৃ-ভিঠা' প্ৰকাশৰ লগত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ মনৰ মাজতে কিমান সপোন নিহিত হৈ আছিল এই নিবেদনেই স্পষ্ট কৰি দিয়ে। আৰু স্পষ্ট কৰি দিয়ে তেওঁ সৃষ্টিশীল লেখিকা হিচাপেও আছিল এগৰাকী অত্যন্ত দক্ষ স্ৰষ্টা। এটি প্ৰেমৰ কাহিনীৰ অৱলম্বনত ৰচিত পিতৃ-ভিঠাত তেওঁৰ জীৱনৰ ঘটনা প্ৰবাহেই ঠাই পাইছে বুলি সমালোচকসকলে মত প্ৰকাশ কৰিছে। অসমৰ নাৰীবাদী চিন্তাৰ প্ৰবক্তা হিচাপে চন্দ্ৰপ্ৰভাৰ যি সুনাম আছে সেয়া কিন্তু উপন্যাসখনিত পৰিলক্ষিত হোৱা নাই। নাৰীবাদী চিন্তাই ঠাই পালেও ৰোমান্তিক কাহিনীৰ নায়ক নায়িকাৰ দৰেই এই উপন্যাসৰ নায়ক-নায়িকা মাধৱ-মাধৱীৰো জীৱনৰ পৰিসমাপ্তি ঘটিছে। বহুক্ষেত্ৰত উপন্যাসখনিৰ পৰিসমাপ্তি মেলোড্ৰেমেটিক যেনো অনুভৱ হয়। সকলোৰে উৰ্দ্ধত পিতৃ-ভিঠা স্বাধীনোত্তৰ তথা যুদ্ধোত্তৰ কালৰ এখনি উল্লেখনীয় উপন্যাস হিচাপে সমাদৃত হৈ থাকিব ইয়াৰ আধুনিক ৰচনা-ৰীতি আৰু চিন্তাশৈলীৰ বাবেই।

অতি দুখৰ কথা 'পিতৃ-ভিঠা'ৰ বাহিৰে চন্দ্ৰপ্ৰভাৰ অন্যান্য উপন্যাস সমূহ পাণ্ডুলিপি অৱস্থাতে থাকিল। প্ৰকাশকৰ অভাৱত সেই পাণ্ডুলিপি সমূহ গ্ৰন্থলৈ ৰূপান্তৰিত নহ'ল। ই অত্যন্ত পৰিতাপৰ কথা। অন্যথা চন্দ্ৰপ্ৰভা শইকীয়ানী বহুকেইখন উপন্যাসৰ ৰচয়িত্ৰী হিচাপে অসমীয়া সাহিত্যত স্থান দখল কৰিলেহেতেন।

**গল্পকাৰ চন্দ্ৰপ্ৰভা**

গল্পলেখিকা হিচাপেও চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে এখনি বিশিষ্ট আসন অধিকাৰ কৰিবলৈ সক্ষম হৈছে। তেওঁৰ বহু সমাদৃত দুটি গল্পৰ নাম এই খিনিতে উল্লেখ কৰিব পাৰি- 'দৈৱজ্ঞ দুহিতা' আৰু 'আকুল পথিক'। প্ৰথম গল্পটিক অসমীয়া সাহিত্যৰ সৰ্বকালৰ শ্ৰেষ্ঠ গল্পসমূহৰ অন্যতম বুলি অভিহিত কৰিব পাৰি। ১৮৬৯ শকৰ আৱাহনৰ ১৪শ বছৰ ৯ম সংখ্যাত প্ৰকাশিত গল্পটিৰ ভাষা অতি বলিষ্ঠ। মেনকা নামৰ এগৰাকী বিদ্ৰোহিনী যুৱতীৰ কাহিনী কোৱা হৈছে গল্পটিৰ মাধ্যমেৰে। প্ৰখৰ সমাজচেতনাৰে সমৃদ্ধ নাৰীবাদী চিন্তাৰ বলিষ্ঠ প্ৰকাশ ঘটা গল্পটিত পৰিস্ফুট হৈছে লেখিকাৰ চিন্তাৰ পৰিচ্ছনতা, নিৰ্ভীকতাৰ লগতে সত্য অন্বেষণ কৰিব পৰা শক্তি। চুটিগল্পৰ নিৰ্মাণ কৌশলতো লেখিকাৰ দক্ষতা 'দৈৱজ্ঞ দুহিতা'ই প্ৰমান কৰিছে। মেনকাৰ নিম্নোক্ত সংলাপ কেইটিয়ে গল্পটিৰ নায়িকাগৰাকীৰ সাহসী আৰু নাৰীবাদী চিন্তাক বলিষ্ঠ ভাৱে প্ৰকাশ কৰিছে। বিধবা গৌৰীৰ আগত সদ্যবিধৱা মেনকাই কৈছে "ভাত-কাপোৰখন দিয়ে বুলিয়ে তহঁতে

মুনিহক এনেকৈ যে মানি যাবি শুনিলেও মোৰ গা জ্বলি উঠে। পতিক ভাল পাবি, ভক্তি কৰিবি। তাকে নহৈ যদি এমুঠি ভাত, এখন কাপোৰৰ চিন্তাত এনেকৈ তহঁতে কালাকাল, পাত্ৰাপাত্ৰ নিবিচাৰি মতাত আত্মসমৰ্পন কৰ, সি মানুহৰে ধৰ্ম নে নাৰীৰে ধৰ্ম?”

“মিছা, মিছা, পাপ-পুণ্য আছে যদি মতা-তিৰোতা দুয়োলৈ আছে। মতা-তিৰোতা দুয়ো মানুহ। তাৰে এজনে কৰিব লাগিব জীৱন পাত। ই ধৰ্ম নে বিচাৰ?”

“তিৰোতাই এই উপদ্ৰৱ যিমান দিনলৈকে মূৰ পাতি সহি থাকিব, তিমান দিনলৈকে সেই দুৱাৰ জাপ নাযায়।”

এনে বহু উদাহৰণ তেওঁৰ উক্ত গল্পটিৰ পৰা উদ্ধৃত কৰিব পাৰি। লেখিকাৰ ‘আকুল পথিক’ নামৰ আন এটি গল্পও ব্যতিক্ৰমী তথা অতি উচ্চ মানৰ বুলি সমালোচকৰ দ্বাৰা সমাদৃত হৈছে। আৱাহনত প্ৰকাশিত ‘আকুল পথিক’তো চুটি গল্পৰ নিৰ্মাণ কৌশল ৰক্ষিত হৈছে। গল্পটিৰ আংগিকতো নতুনত্ব দাবী কৰিব পৰা যায়।

**কবি চন্দ্ৰপ্ৰভা**

গল্প আৰু উপন্যাসৰেই যে চন্দ্ৰপ্ৰভাই অসমীয়া সাহিত্য জগতত আসন দখল কৰি থৈ যাবলৈ সক্ষম হৈছে তেনে নহয়, কবি হিচাপেও নিজৰ দক্ষতা প্ৰতিপন্ন কৰি থৈ গৈছে। কবি হিচাপে এই স্বীকৃতি লভিছে সোণালী গোস্বামীৰ দ্বাৰা সম্পাদিত আৰু নাতি অতনু শইকীয়াৰ দ্বাৰা সংগৃহীত কাব্য সংকলন “চন্দ্ৰপ্ৰভা শইকীয়ানীৰ কবিতামালা”ই। ১৯২৩ চনৰ পৰা ১৯৫৫ চনৰ ভিতৰত ৰচিত কবিতাসমূহে পিচে তেজস্বিনী চন্দ্ৰপ্ৰভাক প্ৰতিনিধিত্ব নকৰে। তেওঁৰ কবিতাসমূহ আন্তৰিকতাৰে পঢ়িলে তেওঁক লগ পোৱা যায় এগৰাকী বিৰল প্ৰেমিকা হিচাপেহে। প্ৰেমাস্পদৰ প্ৰতি চিৰন্তন প্ৰেম আৰু প্ৰেমৰ পৰা হোৱা বিৰহ- তেওঁৰ কবিতাসমূহৰ মূল উপজীব্য। নিজৰ সমস্ত ত্যাগ কৰিও প্ৰেমাস্পদৰ বাবে চিৰ প্ৰতীক্ষাৰত এগৰাকী চিৰ অপৰাজিতা নাৰী তথা বিৰহিনীৰ অন্তৰভৰা আকুতি- তেওঁৰ চিৰবিদ্ৰোহী, প্ৰতিবাদী নাৰী সত্তাটোৰ অভাৱ কিন্তু ইয়াত বাৰুকৈয়ে পৰিলক্ষিত হয়। তেওঁৰ এই আদৰ্শবাদী প্ৰেম তেওঁৰ জীৱনজোৰা



কৰ্মশক্তিৰো উৎস বুলি কব পাৰি।

‘চন্দ্ৰপ্ৰভা শইকীয়ানীৰ কবিতামালা’ গ্ৰন্থখনি তিনি ভাগত বিভক্ত। এশ সাত পৃষ্ঠাৰ এই কাব্যগ্ৰন্থৰ প্ৰথম আৰু দ্বিতীয় ভাগৰ নামকৰণ কৰা হৈছে ‘মোৰ কবিতা’ শিৰোনামৰে। প্ৰেম বিহ্বল কবি গৰাকীৰ বিচিত্ৰ মানসিক অৱস্থাৰ চিত্ৰ ‘মোৰ কবিতা’ শিতানৰ কবিতাসমূহত প্ৰকাশিত হৈছে। তৃতীয় অধ্যায়ৰ কবিতাসমূহতো ধ্বনিত হৈছে প্ৰেমৰ বন্দনা তথা যন্ত্ৰণা। মূলতঃ কাব্যগ্ৰন্থখনিৰ প্ৰায়বিলাক কবিতাই কবিৰ অন্তৰত সৃষ্টি হোৱা বিৰহ, প্ৰেমিকৰ সান্নিধ্যৰ প্ৰতি স্পৃহা, বিকল প্ৰণয়ৰ ফলত অন্তৰত জাগি উঠা কাৰুণ্যকে প্ৰকাশ কৰিছে।

প্ৰেমিকা কবিয়ে নিষ্ঠুৰ প্ৰেমিকলৈ প্ৰতীক্ষা কৰিছে এনেদৰে ঃ

আচলৰ দহিৰ প্ৰদীপ জ্বলাই
ওৰে ৰাতি বহি আছিলো মই
বতাহৰ বাৰতে কঁপি উঠিছিলো
তুমি বুলি মই চকিত হই।

প্ৰেমিকৰ চিৰ প্ৰণয়িনী কবিৰ অভিমান ফুটি উঠিছে বহু কবিতাত। তলৰ স্তৱকটি তাৰেই এক উৎকৃষ্ট উদাহৰণ।

নাই যদি মোৰ কোনো অধিকাৰ
লোপ পাই গ’ল সমূলি
শয়নে-সপোনে সচিতে দিঠকে
তেনে কিয় থাকা মোৰ পৰাণজুৰি?

ইয়াৰ ঠিক বিপৰীতে কবিয়ে কৈছে-

কৰক বা নকৰক তেওঁ মোক
দিয়ক বা নিদিয়ক সমিধান
তেওঁৰ ওপৰতে মই বহি আছো
নাই মোৰ মনত অভিমান।

কিন্তু এই গৰাকী চিৰপ্ৰণয়িনী কবিৰ কলমৰ পৰা নিঃসৃত হৈছিল দেশপ্ৰেমৰ জ্বলন্ত স্ফুলিঙ্গ-

কোন আহে সৌ
বিশ্ববিজয়ী দল
শত লৌহিত্যৰ তীৰেদি বাগৰে
হিমাচলৰ ঢল
ভুলোক দ্যুলোক সৰ্বলোক কঁপে
নামিছে বিজয়ী দল
হাতত বিশ্ববিজয়ী পতাকা
ব’ল আগুৱাই ব’ল।

অন্যায়ৰ প্ৰতি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি লিখা তেওঁৰ ‘অহল্যা’, ‘সতীৰ উক্তি’, ‘চিত্ৰাঙ্গদা’ আদি কবিতাত যি গৰাকীকবিক লগ পোৱা যায় চন্দ্ৰপ্ৰভা শইকীয়ানীৰ কবিতামালাত তেওঁ সম্পূৰ্ণ অনুপস্থিত।

দুটিমান স্তৱকেই চন্দ্ৰপ্ৰভা যে কেৱল এগৰাকী প্ৰেমিকা কবিয়েই নহয় সেই কথা নিঃসন্দেহে প্ৰমাণ কৰিব।

"ই কি ঘোৰ ব্ৰহ্মশাপ
দিলা অহল্যাৰে
তুমি বৃহস্পতি গুৰু
দেৱতাৰ শ্ৰেষ্ঠ?
কি দোষ অহল্যাৰ
যদি ছদ্মবেশে ছলে
কোনো দুষ্ট স্বাৰ্থান্ধ কামুকে
তব ৰূপে, সম্ভাৰয় অহল্যাৰে"?
(অহল্যা)

"ক'ত আছে এনে বিধি, প্ৰজাসুখ হেতু
দিব লাগে পত্নীক বিসৰ্জন?
এয়ে ৰামৰাজ্য নেকি,
য'ত নাই নাৰীৰ মৰ্যাদা
য'ত নাৰী উপেক্ষিতা
বিনা দোষে ল'ব লাগে ঘোৰ দণ্ড?"
(সতীৰ উক্তি)

"যদি স্বামী হয় শক্তিহীন, দুৰ্বল হৃদয়
পত্নীৰ কাৰণে নাই কৰ্তব্য একোৰে
মান সাৰ ৰাজ্য সিংহাসন
সত্য এৰি মিথ্যা ভজি
যিবা কৰে প্ৰজাৰ তোষণ
হেন স্বামী ত্যাগ কৰা
সতীৰ কৰ্তব্য।"
(সতীৰ উক্তি)

চন্দ্ৰপ্ৰভাৰ কবিতাত জন্মান্তৰ বাদৰ প্ৰতিধ্বনিও শুনিবলৈ পোৱা যায়। বিশ্বকবিৰ দ্বাৰা প্ৰভাৱান্বিত হোৱাৰ কথাও কিছু কবিতাই যেন আমাক ৰিঙিয়াই কয়। স্পষ্ট কথাত তেওঁৰ কবিতাসমূহে যি কোনো কাব্য প্ৰেমীৰে হৃদয় আলোড়িত কৰিব পাৰে।

### সাংবাদিক চন্দ্ৰপ্ৰভা

চন্দ্ৰপ্ৰভাই সাংবাদিকতাও কৰিছিল। তেওঁ কি কৰা নাছিল সেয়াহে বিচাৰ্যৰ বিষয় হ'ব পাৰে। 'অভিযাত্ৰী' নামৰ আলোচনীখনৰ সম্পাদনা কৰি তেওঁ প্ৰমাণ থৈ গৈছে তেওঁৰ সাংবাদিক জীৱনৰ স্বাক্ষৰ।

অসম প্ৰাদেশিক মহিলা সমিতিৰ মুখপত্ৰ এই 'অভিযাত্ৰী'ৰ পাততে তেওঁ লিপিবদ্ধ কৰি গৈছে এই বৃহৎ অনুষ্ঠানটি গঠনৰ আঁৰৰ চমকলগা কাহিনী। ১৯২৫ চনত অসমীয়া সাহিত্যৰ স্বনামধন্য ঔপন্যাসিক স্বৰ্গীয় ৰজনীকান্ত বৰদলৈৰ সভাপতিত্বত নগাঁৱত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ মুকলি অধিবেশনত সমবেত হাজাৰ হাজাৰ পুৰুষৰ বিপৰীতে বাঁহৰ চিকৰ আঁৰৰ পৰা সভা চাই নয়ন সাৰ্থক কৰা মহিলা সকলৰ পুতৌজনক





অৱস্থাৰ বিষয়ে তেওঁ 'অভিযাত্ৰী'ৰ প্ৰথম সংখ্যাতে প্ৰকাশ কৰিছে। সভাপতিয়ে সমজুৱাৰ ফালৰ পৰা তেওঁক বক্তৃতা দিবলৈ অনুৰোধ কৰাত এই গৰাকী সাহসী নাৰীয়ে এই ব্যৱস্থাৰ প্ৰতিবাদেৰেই বক্তব্য আৰম্ভ কৰিলে আৰু তেওঁৰ নিজৰ ভাষাত "বিপ্লৱ ততালিকে আৰম্ভ হ'ল"। সেই চিক ভাঙি মহিলাসকল বাহিৰলৈ ওলাই আহিল আৰু সমবেত জনতাইও হাতচাপৰিৰে সেই বিপ্লৱক আদৰণি জনালে। সেই সভাৰ পিছতে 'অসম মহিলা সমিতি' সেই ঠাইতে গঠন হোৱাৰ প্ৰস্তাৱ উঠিছিল যদিও সি হৈ নুঠিল বিভিন্ন কাৰণত কিন্তু ১৯২৬ চনত এই অনুষ্ঠানৰ জন্ম হ'ল। চন্দ্ৰপ্ৰভা শইকীয়ানীয়েই হ'ল এই মহৎ অনুষ্ঠানটিৰ প্ৰতিস্থাপক সম্পাদিকা। 'অভিযাত্ৰী'য়ে এই সুন্দৰ আৰু আশাপ্ৰদ বাতৰিবোৰ প্ৰচাৰ কৰি সমগ্ৰ অসমৰ নাৰী সমাজৰ মাজত সচেতনতা আৰু জাগৰণৰ সৃষ্টি কৰিছিল বুলি একে আষাৰে ক'ব পাৰি। সাংবাদিক হিচাপে চন্দ্ৰপ্ৰভাই অসমৰ নাৰী সমাজক দি যোৱা এই প্ৰেৰণা আৰু সাহসৰ তুলনা নাই।

প্ৰবন্ধ লেখিকা হিচাপেও তেওঁ সুন্দৰ প্ৰমাণ এৰি থৈ গৈছে প্ৰথম অসমীয়া মহিলা আলোচনী 'ঘৰ জেউতি'কে প্ৰমুখ্য কৰি আলোচনী সমূহৰ পাতত লিখা তত্বগধুৰ আৰু অনুসন্ধানমূলক লেখনিৰে। নাৰী শিক্ষাৰ প্ৰতি অত্যন্ত আগ্ৰহী আৰু সচেতন চন্দ্ৰপ্ৰভাই ১৯২৮-২৯ চনতে অসমীয়া নাৰীৰ শিক্ষাৰ লেখ দিবলৈ সমগ্ৰ অসম ঘুৰি জৰীপ কৰাৰ কথা এইখিনিতে উল্লেখ কৰিব পাৰি। 'ঘৰ জেউতি'ৰ পাতত এনে অনুসন্ধানমূলক প্ৰবন্ধ লিখি প্ৰকৃত সাংবাদিকতা সম্পৰ্কে যেন তাহানিতে চন্দ্ৰপ্ৰভাই দেখুৱাই থৈ গৈছে। সেই সময়ত প্ৰকাশিত আৱাহন, বাঁহী, চেতনা, মিলন, অসমীয়াকে প্ৰমুখ্য কৰি সমসাময়িক প্ৰায় সকলো পত্ৰিকাতে বিভিন্ন জলন্ত সমস্যা সম্পৰ্কীয় প্ৰবন্ধ চন্দ্ৰপ্ৰভাৰ কলমেৰে লিপিবদ্ধ হোৱাটোৱে তেওঁৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক তথা সাংস্কৃতিক চেতনালব্ধ জ্ঞানৰ কথাই সকীয়াই দিয়ে। সাংবাদক হিচাপে নিজৰ সবল স্থিতি ঘোষণা কৰি যোৱা চন্দ্ৰপ্ৰভা গধুৰ প্ৰবন্ধ ৰচনা কৰা এগৰাকী বলিষ্ঠ প্ৰবন্ধকাৰ হিচাপেও অসমীয়া সাহিত্যত সমাদৃত হৈ আছে আৰু থাকিব।

গান্ধীৰ অহিংস আন্দোলনৰ

সহযোগী আজীৱন সংগ্ৰামী চন্দ্ৰপ্ৰভা শইকীয়াই ১৯৫৭ চনত বজালীৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিছিল যদিও সফলতা অৰ্জন কৰিব পৰা নাছিল। কিন্তু নাৰী বাদৰ প্ৰবক্তা হিচাপে সমগ্ৰ অসমে তেওঁক স্বীকৃতি দিবই লাগিব। প্ৰাক্ স্বাধীনতাৰ যুগতে অবিবাহিতা মাতৃ হিচাপে নিজক সন্মানেৰে প্ৰতিষ্ঠা কৰিব পৰা সাহসী সংগ্ৰামী এই নাৰীক ভাৰত চৰকাৰে পদ্মশ্ৰী সন্মান যাচি উপযুক্ত মৰ্যাদা দিছিল বুলিয়েই ক'ব পাৰি। ১৯৭২ চনৰ ২৪ মাৰ্চত এই সন্মান গ্ৰহণ কৰিবলৈ যোৱাৰ প্ৰবল ইচ্ছা থকা সত্ত্বেও কালে তেওঁক এই সুযোগ নিদিলে আৰু এসত্তৰ বছৰীয়া জন্ম দিনটোতে তেওঁ গুচি যাব লগা হ'ল ঠিকনাবিহীন দেশলৈ। ইয়ো এক বিৰল ঘটনা। কাৰণ জন্ম দিনটোতে মৃত্যুক স্বাগত জনাব পৰা ঘটনা অত্যন্ত বিৰল, সাধাৰণতে নঘটে বুলিয়েই ক'ব পাৰি।

চন্দ্ৰপ্ৰভা শইকীয়ানী আজি নাই। কিন্তু তেওঁৰ কৰ্মপ্ৰেৰণা, অদম্য ইচ্ছাশক্তি আৰু অফুৰন্ত কৰ্মশক্তিয়ে যুগে যুগে অসমৰ নাৰীসকলক উদ্বুদ্ধ কৰিব। তেওঁ প্ৰতিষ্ঠা কৰি যোৱা অনুষ্ঠানসমূহে নতুন চিন্তা তথা নাৰী মুক্তিৰ পথ উজলাই তুলিব বুলি দৃঢ়বিশ্বাস কৰিব পাৰি। আজন্ম সংগ্ৰামী, চিৰবিদ্ৰোহিনী ওজস্বিনী এই গৰাকী মহীয়সীৰ ৰচনাসম্ভাৰ তেওঁৰ মৃত্যুৰ এশ ছয় বছৰ অতিক্ৰম কৰি যোৱাৰ সময়তো তেওঁৰ ৰচনা সমগ্ৰ প্ৰকাশ হৈ নোলোৱাটো অতি পৰিতাপৰ কথা। অসমৰ নাৰী সমাজৰ গৌৰৱ স্বৰ্গীয় পুষ্পলতা দাস আৰু লেখিকা হিৰন্ময়ী দেৱীয়ে এই গৰাকী সাহসী নাৰীৰ জীৱন বৃত্ত লিখি ৰাইজৰ মাজলৈ উলিয়াই দিয়াটো মহৎকৰ্ম বুলি নিঃসন্দেহে আখ্যা দিব পাৰি। আনহাতে প্ৰথিতযশা ঔপন্যাসিক নিৰুপমা বৰগোহাঞিয়ে তেওঁৰ জীৱন সম্বলিত উপন্যাস 'অভিযাত্ৰী' ৰচনা কৰি অসমৰ পাঠক তথা ৰাইজক উপহাৰ দিয়াটোও উল্লেখযোগ্য। 'অভিযাত্ৰী'য়ে লেখিকাগৰাকীলৈ সাহিত্য একাডেমী সন্মান কঢ়িয়াই অনাটোও যেন চন্দ্ৰপ্ৰভাৰ জীৱন আৰু কৰ্মৰ প্ৰতি উচিত মূল্যায়ন তেনে যেনেই অনুমান হয়। ■



# প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদী উপন্যাস "সন্ধ্যা"

*-ৰতিপ্ৰভা গগৈ, উপাধ্যক্ষা*
*উপদেষ্টা, অসম লেখিকা সংস্থা*

"আধুনিক অসমীয়া সাহিত্যৰ আধুনিক মননৰ আধুনিকতম্ লেখক গোষ্ঠীৰ অন্যতম। লগতে "অত্যন্ত সংবেদনশীল অন্তৰৰ এগৰাকী সাহসী আৰু দূৰন্তভাৱে মুকলি লেখক" - লেখিকা সম্পৰ্কে প্ৰকাশকে অলপো অত্যুক্তি কৰা নাই। ২০০০ চনতে আত্মপ্ৰকাশ কৰা লেখিকা মনিকুন্তলা ভট্টাচাৰ্য্যই বৰ্ত্তমান অসমীয়া সাহিত্যত জনপ্ৰিয়তাৰ শীৰ্ষ স্থানত অৱতীৰ্ণ কৰা বুলি কলেও ভুল কোৱা নহ'ব। প্ৰথম গ্ৰন্থ গল্প সংকলন 'প্ৰস্তৰ-কন্যা'ৰ (২০০২) পাছত তেওঁ কেইবাখনো উপন্যাসেৰে অসমীয়া সাহিত্য জগতত এখনি সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। অৱশ্যে তেওঁ সাহসী আৰু মুকলি লেখাৰ বাবে বিতৰ্কৰ মাজতো সোমাই পৰিছে।

'সন্ধ্যা' তেওঁৰ দ্বিতীয় গ্ৰন্থ (২০০৪)। উপন্যাসখনিৰ বিষয়বস্তু সম্পৰ্কে লেখিকাৰ স্বীকাৰোক্তি ঃ " সমগ্ৰ পৃথিৱীজুৰি আলোড়িত ব্যাধি এইড্ছক কেন্দ্ৰ কৰি এই উপন্যাসখনি ৰচনা কৰা হৈছে। যৌৱনৰ দূৰন্ত বিলাসীতা আৰু আবেগহীনতাৰ বাবেই কেনেদৰে জহি খহি পৰে একো একোটি মানৱ জীৱন, তাকেই ইয়াত অংকণৰ প্ৰচেষ্টা চলোৱা হৈছে।"

কেন্সাৰতকৈও ভয়াবহ এইড্ছ ৰোগ। ভোগৰ লালসাত উটি ভাঁহি ফুৰা অৰ্থবান অথচ আবেগহীন যুৱক পাৰ্থই দেহত কঢ়িয়াই আনে এইড্ছ ৰোগৰ বীজাণু। পত্নী সন্ধ্যা, গৰ্ভত থিত লোৱা সন্তান 'এযাৰ' দেহলৈ এই ৰোগৰ বীজাণু বিয়পাই দি অতি শোকাবহ মৃত্যুক আঁকোৱালি লয়। দেৱশিশু, নিষ্পাপ, ফুলকুমলীয়া 'এযা'ৰ যন্ত্ৰণা, 'সন্ধ্যা'ৰ নিঃসঙ্গতা (সাধাৰণ শ্ৰেণীৰ মাজত 'কুষ্ঠ লাগা' তিৰী', 'জুই লাগা তিৰী' বুলি পৰিচিত)- এই কাহিনীকে অতি হৃদয়স্পৰ্শী কৰি মননশীলতাৰে উপস্থাপন কৰিছে। লগতে সমাজখনৰ প্ৰচলিত পৰম্পৰাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ পোন পটীয়াকৈ নহয় অথচ অতি চতুৰালিৰে অতি মৰ্ম্মস্পৰ্শী ভাষাৰে উপস্থাপন কৰিছে। লেখিকাৰ অন্যান্য

উপন্যাস সম্পৰ্কে বিভিন্ন বিতৰ্কৰ অৱতাৰণাৰ অৱকাশ থাকিলেও 'সন্ধ্যা' নিঃসন্দেহে এখনি উৎকৃষ্ট মানৰ পাঠ্য উপযোগী উপন্যাস।

নিষ্কলুষ চৰিত্ৰৰ, সৰলমনা, পিতৃ-মাতৃৰ একান্ত বাধ্য, সামাজিক পৰম্পৰাক এচুলিও ইফাল সিফাল হ'বলৈ নিদিয়া, পিতৃ স্নেহৰ বাবেই প্ৰেমাস্পদক ত্যাগ কৰা, সমাজত দহজনে 'ভাল' বোলা 'সন্ধ্যা' এজনী ভাল ছোৱালী। 'ভালপাওঁ তোমাক সন্ধ্যা'- প্ৰেমাস্পদৰ গভীৰ আবেগিক উক্তিয়েই 'সন্ধ্যা'ৰ জীৱনৰ সম্বল আৰু প্ৰেৰণা। 'যৌৱনৰ দূৰন্ত বিলাসিতা'ই পাৰ্থৰ জীৱনৰ ট্ৰেজিক সমাপ্তিৰ মূল। লেখিকাই কোৱাৰ দৰে 'আবেগহীনতা' -পাৰ্থ কাৰো প্ৰতি দায়বদ্ধ নহয়, পাৰ্থৰ কাৰো প্ৰতি আবেগিক আকৰ্ষণ নাই। তিনিবছৰ বয়সতে মাকৰ পৰা আঁতৰি থাকিব লগা হোৱা পাৰ্থৰ অন্তৰত আবেগৰ পৰিবৰ্ত্তে আছে এবুকু প্ৰস্তৰ খণ্ড। সেয়ে অলেখ নাৰী পাৰ্থৰ জীৱনলৈ আহিছে, গৈছে কিন্তু দৈহিক আকৰ্ষণৰ বাদে কাৰোৰে লগত আন্তৰিক সম্পৰ্ক নাই। সন্ধ্যাক বিয়া পাতি হয়তো পৰিবৰ্ত্তনৰ পথত খোজ দিব খুজিছিল কিন্তু ইতিমধ্যে "ঘণ্টাত প্ৰায় এক মিলিয়নৰ হিচাপত বাঢ়ি যোৱা ভাইৰাছে" দেহত বাহ ললেই। যাৰ বাবে বলিৰ পাঠা হ'ল 'সন্ধ্যা' আৰু 'এষা'। তাৰ বাবে দায়ী কোন? পিতৃৰ পৰা পোৱা অগাধ ধন সম্পদ, যাক দুহাতেৰে উৰুৱাব পৰা যায়; আনহাতে তিনিবছৰীয়া শিশুটিয়ে মাকৰ মৰমৰ পৰা বঞ্চিত হ'ব লগা হোৱা অতি গুৰুত্বপূৰ্ণ ঘটনাটো।

'পাৰ্থ' মাকৰ পৰা বিচ্ছিন্ন হ'ব লগা ঘটনাটো স্পষ্ট কৰি নিদিলেও অনুমান কৰিব পাৰি ভিন্ন প্ৰসঙ্গত উল্লেখ কৰা মাকৰ উক্তিৰ পৰা - "'মাইকী' মানুহৰ গাত হাত উঠোৱা, ফেঁট মোহৰা এইবোৰ বাপেক পুতেকৰ তেজতে বৈ আছে।"-এই ইঙ্গিত নিশ্চয় পুৰুষতন্ত্ৰৰ প্ৰতি। পুৰুষতন্ত্ৰই আনি দিয়া "পুৰুষ দাম্ভিকতা"ৰ বাবেই "মাইকী" মানুহক মানুহৰ শাৰীত নাৰাখে- তেনে মানসিকতাৰ বাবেই সৃষ্টি হ'ব পাৰে কল্পনা কৰিব নোৱাৰা পৰিস্থিতিৰ- "বৰ অসহায়তাৰ দৃশ্য সেয়া। এজনী আঠমহীয়া গৰ্ভৱতী নাৰীক হাতত ধৰি টনি নিয়াৰ দৃশ্য।" (১০৫ পৃঃ)

"তধা লাগি চাই ৰৈছিল মানুহবোৰে। পিতৃ শোকত আড়ষ্ট এজন মানুহে তেনেদৰে নিজ মাতৃৰ সন্মুখৰ পৰা স্ত্ৰীক টানি নিয়াৰ দৃশ্য-" (১০৬ পৃঃ)

এয়া পুৰুষ দাম্ভিকতাৰ বাদে কি হ'ব পাৰে? মানুহক অমানুহ কৰা পুৰুষ-প্ৰাধান্যৰ পৰোক্ষ প্ৰভাৱ। মদৰ নিচাত আকণ্ঠ ডুব যোৱা 'পাৰ্থ'ৰ ব্যৱহাৰত কোনো মাৰ্জ্জিত ৰুচিবোধৰ পৰিচয় নাই- আছে কেৱল অহঙ্কাৰ- অৰ্থ সম্পদৰ আৰু পুৰুষ হৈ পৃথিৱীত থিত লোৱাৰ। আকৌ 'পাৰ্থ'ক এনে কৰি সৃষ্টি কৰাৰ মূলতে আন এজন পুৰুষৰ দাম্ভিকতা-

"এটা তিনি বছৰীয়া বাচ্চা মোৰ কোলাৰ পৰা আজুৰি ৰখা মানুহজনে কি বিষময় গুটি ৰুই থৈ গ'ল মোৰ ল'ৰাৰ বুকুত মই নিজে জন্ম দিয়া ল'ৰাৰ বুকুত?" (১০৫ পৃঃ)'পাৰ্থ'ৰ মাকৰ আক্ষেপ উক্তিয়ে এই ইঙ্গিতকে দিব খোজে।

'সন্ধ্যা' প্ৰকৃততে প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে এটি প্ৰতিবাদ। অতি বিশ্বাসযোগ্যভাৱে পাঠকৰ পৰা এই প্ৰতিবাদৰ প্ৰতি সমৰ্থন আদায় কৰাত লেখিকা সক্ষম হৈছে। লেখিকাৰ উপলব্ধিত ধৰা দিছে চলিত সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তনৰ প্ৰয়োজন। যি ব্যৱস্থাক মূলতঃ ধৰি ৰাখিছে বিয়া নামৰ আনুষ্ঠানিকতাই। জাতি, ধৰ্ম্ম ভেদে নীতি-নিয়মৰ পাৰ্থক্য থাকিলেও আনুষ্ঠানিকতা একেই। ইৰফান্ আৰু সন্ধ্যাৰ প্ৰেমে স্বীকৃতি নাপালে ধৰ্ম্মৰ বাবে। আনহাতে সমাজত প্ৰতিষ্ঠিত ব্যক্তি পাৰ্থৰ লগত সন্ধ্যাৰ সম্পূৰ্ণ বৈদিক প্ৰথাৰে বিবাহ সম্পন্ন হ'ল-একে ধৰ্ম্মৰ বাবে। এই আনুষ্ঠানিকতাই কি সুখ দিলে সন্ধ্যাক? পাৰ্থই ভোগ-বিলাসৰ বাবে চপাই লোৱা 'এইড্ছ'ৰ বাবে নিজেও মৃত্যুক সাৱটি ল'লে, এষাক মৃত্যুৰ মুখলৈ ঠেলি দিলে। সন্ধ্যাক এই পৃথিৱীত নিঠৰুৱা কৰি এৰি গ'ল। এইচ. আই. ভি. পজিটিভ বুলি জনাৰ পাছত কোন আহিব সন্ধ্যাৰ কাষলৈ? দুৰ্বিসহ হৈ পৰিল সন্ধ্যাৰ জীৱন।

"যি সমাজব্যৱস্থাক চিচা দলিওৱাদি দলিয়াই ভাঙি চুচুৰ্মৈ কৰাৰ প্ৰৱণতা বগাই ফুৰিছিল সন্ধ্যাৰ তেজত সেইপ্ৰৱণতা দমাব পাৰিছিল নে তাই?" (৯৮ পৃঃ)

সন্ধ্যাৰ মনে বিদ্ৰোহ কৰি উঠিছে- " আজি ধৰ্ম্ম বা সমাজে উদ্ধাৰ কৰিবহিনে মোক এই জীৱনৰ পৰা-" (১১৪ পৃঃ)

সমাজৰ নিয়মবোৰ উলাই কৰিব খোজে সন্ধ্যাই। কেৱল নিয়মৰ বাবেই নিয়ম। বিদ্ৰোহী অন্তৰেৰে 'সন্ধ্যা'ই পাৰ্থৰ মৃত্যুৰ পাছত "পিন্ধি থকা ৰঙীন শাৰী আৰু দগমগীয়া ৰঙা সেওঁতাৰেই গিৰীয়েকৰ মুখাগ্নি কৰিবলৈ সাজু হৈছিল"-(১২০ পৃঃ)। কেৱল সিমানেই নহয়। পিছতো- "সুমথিৰা ৰঙী চেলোৱাৰ এযোৰ পিন্ধি সন্ধ্যা বৈ আছিল। কপালত সুমথিৰা ৰঙী টিপ্, কাণত বাখৰ খটোৱা ফুলি আৰু কান্ধত বাগৰি পৰা চুলিৰে নিজকে তাই সজাই তুলিছিল।" (১৩২ পৃঃ)

এইয়া পৰম্পৰাগত বিধৱাৰ সাজ

নহয়। সন্ধ্যাৰ অন্তৰত জ্বলি থকা বিদ্রোহৰ জুই অসহ্য যন্ত্রণাত উদ্‌গীৰিত হৈ উঠে- " দেখিলেতো মাৰ মৃত্যু, আপোনাৰে মোৰে আজিৰ এই লন্‌লিনেছ্‌, 'এযা'ৰ যন্ত্রণা। ভাবি চাওক দেউতা, এযা- এই অকমানি বাচ্চাটোৰ কি অপৰাধ ? কিয় ইমান কষ্ট তইৰ ? – —ইয়াৰ পাছতো ঈশ্বৰ নামৰ কাৰোবাৰ ওচৰত সকাহ বিচৰা যায় নে ?"

ইৰফানে সন্ধ্যাক বুজাইছে- "কোনো ধৰ্ম্ম নাই আমাৰ সন্মুখত। জানানে তুমি প্রেমে ঈশ্বৰ আল্লা একাকাৰ কৰে ?" (৭৬ পৃঃ)

"কেনে সমাজ ? কেইজনমান অর্থডক্স মানুহে মিলি বনোৱা সমাজ ? বাদ দিয়া সমাজ। আমি নতুন সংস্কৃতিৰে নতুন সমাজ গঢ়িম।" (৭৬ পৃঃ)

অসমীয়া উপন্যাস সাহিত্যৰ বলিষ্ঠ লেখিকা নিৰুপমা বৰগোহাঞিয়ে তেওঁৰ লেখনিত পৰম্পৰাগত বিবাহৰ সাৰশূণ্যতা উদঙাই দিয়াৰ চেষ্টা কৰিছে। তেওঁৰ "মাৰ প্ৰতিঃ মৰম আৰু অশ্রদ্ধাৰে" নামৰ উপন্যাসিকাখনিত প্রেমৰ ভিত্তিত নৰ-নাৰীৰ প্রকৃত মিলন সম্ভৱ বুলি প্রতিপন্ন কৰিব বিচাৰে। সমাজৰ পৰিবৰ্ত্তন বিচাৰিলে মোক্ষম আঘাট হানিব লাগিব পৰম্পৰাগত বিবাহ অনুষ্ঠানত। 'সন্ধ্যা'ৰ যোগেদি লেখিকাই এই "Massage" সমাজক দিব খুজিছে।

যৌন নৈতিকতাৰ ক্ষেত্ৰতো এক নতুন দৃষ্টিভঙ্গী প্রচাৰ কৰাৰ মানসিকতাও লেখিকাৰ আছে। সেয়ে যৌন বিলাসীতাত নিঃশেষ হোৱা পাৰ্থ নামৰ চৰিত্ৰটিৰ প্ৰতিও পাঠকৰ সহানুভূতি জাগ্ৰত কৰাৰ মানসিকতা লেখিকাৰ আছে। সেই উদ্দেশ্যেৰেই লিও টলষ্টয়, জৱহৰলাল নেহৰু, ৰবীন্দ্ৰ নাথ আদি বিশ্ব বিখ্যাত ব্যক্তিৰ যৌন জীৱনৰ বিষয়ে পাৰ্থৰ মুখেৰে কোৱাইছে। চাবেৰাৰ সাংসাৰিক জীৱনৰ বিষয়ে উনুকিয়াইছে- তেনেই সহজ স্বাভাৱিক জীৱন ধাৰাৰ দৰেই। চাবেৰাৰ বন্ধুত্ব দাবী কৰা দেওৰেক নাছেৰ আনহাতে অসুস্থ স্বামী ইলিয়াছ। অথচ দুটি সুন্দৰ সুঠাম বাচ্চাৰ মাক চাবেৰা।

লেখিকাৰ পূৰ্ব্বসূৰী মামনি ৰয়ছম গোস্বামীৰ লেখনিত এনে ইঙ্গিত পৰিলক্ষিত হয়।

অৱশেষত উপন্যাস খনিৰ মধুৰ সামৰণিত দিল্লীৰ চানক্যপুৰীত ইৰফানৰ নিজা ফ্লেটত সন্ধ্যাই নতুন জীৱন আৰম্ভ কৰিছে। ধৰ্ম্মৰ বাধা, সমাজৰ বাধা নেওচি উপন্যাসখনিত প্ৰেমৰ জয় ঘোষণা কৰিছে-

"চীনৰ প্ৰাচীৰৰ ওপৰেৰে যেন হাত ধৰাধৰিকৈ আগুৱাই গৈ থাকিল ইৰফান আৰু সন্ধ্যা-"। ■



# তুমি স্থিতপ্রজ্ঞা ৰমণী বিশেষ

## কথা কবিতা

*-মীৰা ঠাকুৰ*

*কাৰ্যকৰী সভানেত্ৰী,, অসম লেখিকা সংস্থা*

**গো**-ধুলি উৰা বাট, এডৰা বাঁহনি, বাঁহনিৰ নিঃসংগ মৌনতাত ভেজা দি অখ্যাত এখনি গাওঁ, নৈ, নৈপৰীয়া বালি, মাটি, আকাশ, আকাশত জিলমিল সোণালী নক্ষত্ৰৰ নিঃশব্দ কোলাহল। পথাৰে পথাৰে হাড়গিলাৰ চঞ্চলমতী খোজ। বগলীৰ নিঁঠাৰে সুশোভিত লঠঙা দেহৰ বৃক্ষ।

৪৪৪৪৪৪৪৪৪৪৪৪৪৪৪৪

এই সকলোবোৰ মনোমোহা দৃশ্য চাই চাই এজুম তৰাৰ মাজৰ এটি তৰা হঠাৎ মাটিৰ প্ৰেমত পৰিল। বিতত হ'ল তৰাৰ সোণাৰু ফুলীয়া গা। তৰাই সাউতকৈ নীল সাগৰৰ অথাই পানীত গা পখালি পাখি পিন্ধিলেহি বাহুত আৰু হাতীপটীৰে নামি আহিল খৰখেদাকৈ, কেঁচা মাটিৰ উম বিচাৰি।

৪৪৪৪৪৪৪৪৪৪৪৪৪৪৪৪

তাকে দেখি মাটিৰ ঘৰত এটি মাটিৰ মৃদংগ বাজিল, ধাৰাসাৰ। সেই শব্দত বেৰৰ মাটি খহিল, চপৰা-চপৰ। আয়তী-উৰুলিত তেজ-মঙহৰ সুৰংগ এটিৰে বগাই মাটি চুলেহি তৰাই। দৈশিঙৰী গাঁৱৰ গাঁওবুঢ়াৰ ঘৰত পোহৰৰ এচমকা চমক। ৰাতিৰাম মজুমদাৰৰ বুকুত উলাহৰ খল্‌খলনি, যেন উজানৰ মাছ।

৪৪৪৪৪৪৪৪৪৪৪৪৪৪৪৪

আইৰ ফুলকুমলীয়া বুকুত মুখ লুকুৱাই, তৰাই চকু মেলিলে প্ৰথমবাৰৰ বাবে। প্ৰথম দৃষ্টিতে পোহৰ হ'ল প্ৰসূতি গৃহৰ এঙেৰুৱা কোঠা। ফুচফুচনিত মুখৰিত মজিয়া। মুখত পোহৰৰ পয়োভৰ দেখি আয়ে নাম থ'লে 'চন্দ্ৰ'।

৪৪৪৪৪৪৪৪৪৪৪৪৪৪৪৪

হয় হয়, উখল-মাখল কথোপকথনত তৰাই নাম ল'লে 'চন্দ্ৰ'। ইয়াৰ পিছত হাতত হাত থৈ সময়ৰ স'তে বয়স, বয়সৰ স'তে সময় গৈ থাকিল আগবাঢ়ি বাঢ়ি।

৪৪৪৪৪৪৪৪৪৪৪৪৪৪৪৪

থুপুক-থাপাক লেহুকা খোজবোৰ লাহে লাহে দৃঢ় হ'ল, কৰ্মঠ হ'ল, বেগী হ'ল, আৰম্ভ হ'ল অঘোষিত যাত্ৰা। এই যাত্ৰাই তোমাৰ জীৱন সুৰভি, এই যাত্ৰাই তোমাৰ অবিৰত যাত্ৰা।

আৰম্ভ হ'ল শোষণ, নিষ্পেষণ, শোক, দুখ, যন্ত্ৰণা, সংঘাত, সংগ্ৰামৰ মাজেৰে জীৱন পৰিক্ৰমাৰ, ওখ-চাপৰ, ওখোৰা-মোখোৰা, পিছল বাটৰ যাত্ৰা। খোপনি পুতি পুতি গৈ থাকিলা তুমি লক্ষ্যক খিয়াই, আৰুতো পিছলৈ চোৱা নাই, পিছলৈ চোৱাটো যে ধৰ্ম নহয় তোমাৰ আৰু এদিন অনুভৱে তোমাক জোকাৰি গ'ল, অৰ্ধআকাশ জুৰি হাহাকাৰ কৰুণ ৰাগিণী, য'ত কেৱল উচুপনিৰ স্বৰলিপিয়ে দাগ কটা চকুলোৰ আকাশ, য'ত চকুলোৱে কৈ যায় প্ৰতিটো তৰাৰ সকৰুণ বিলাপ কাহিনী।

শুনি শুনি তুমি নিৰাময়ৰ অস্ত্ৰ হ'লা। এঙেৰুৱা বৰণ জোনাকী হৈ তুমি ৰুই গ'লা পোহৰৰ শিপা, অসহায় বাটৰুৱাৰ হেৰুৱা বাটৰ চিনাকি সাৰথি। আকাশত ৰেঙণি মনত ৰেঙণি, ৰেঙণি বিয়পি পৰিল সৰ্বত্ৰ।

মাতৃ আৰু শিশু মংগল ভাৱনাৰে ভৰাই তুলিলা তুমি মন মগজু আৰু হৃদয়ৰ উৰ্বৰা ভূমি। বাল্য বিবাহত সকলো দেৱাল ভাঙি উলিয়াই আনিলা কণমাণি কুমাৰী শিশুৰ জাক। মুকলি আকাশৰ তলত বহু যুগৰ পিছত বুকু ভৰাই স্বস্তিৰ উশাহ ল'লে সিহঁতে তোমাৰ বাবেই।

তোমাৰ উলাহৰ ৰেঙণিতে, জাত-পাত, উচ্চ-নীচ আওকাণ কৰি সাঙোৰ খালেহি দুটি প্ৰাণে দুটি মন আৰু পাতনি মেলিলে নৱ জীৱনৰ।

খাদী আৰু কুটীৰ শিল্পৰ, শিল্পী হাতক, তুমিয়েই দেখুৱাই দিলা উত্তৰণৰ বাখৰুৱা আলি। আৰু খাটিখোৱা মানুহৰ শোষিত জীৱন পোহৰাই তুমিয়েই শিকালা পাঠ, অধিকাৰ অমোঘ মন্ত্ৰৰ।

নিৰ্যাতিতা, লাঞ্ছিতা, অৱলা, দুৰ্বলাৰ, শেঁতা পৰা ওঁঠৰ পিৰালীত তুমিয়েই আঁকি দিলা, প্ৰতিবাদী সাহসী মন্ত্ৰৰ অনিৰুদ্ধ লিপি।

হে তেজস্বিনী নাৰী, তোমাৰ শক্তিশালী কলমৰ এধানি লেখাই প্ৰেৰণাৰ নৈ হৈ বয়; অসহায়, নিসহায়ৰ হৃদয়ে হৃদয়ে। সুপ্ত প্ৰতিভা জাগ্ৰত হয়; নতুন আশাৰে নতুন দিনৰ। অগ্নি স্বৰলিপি, যি লিপি অৰ্ধআকাশ জুৰি খোদিত হ'ল, কলিজাৰ সোঁতে সোঁতে অনন্ত গতিত।

তোমাৰ সাহসতে 'চিক্' ভাঙি ওলাই আহে, হাজাৰ ৰমণীৰ প্ৰতিবাদী কণ্ঠৰ গান- আই তুমি কল্যাণ কামিনী, স্পষ্টবাদী, সত্যবক্তা সংগ্ৰামী ৰমণী। তুমি নেত্ৰী তুমি, শক্তি, তুমি তেজস্বী লেখিকা, নাৰী নিৰুপমা। (১৯৩৭ চন)। তোমাৰ অনুপম সৃষ্টি 'পিতৃ ভিতা'ই এদিন বাট কাটিলে পোহৰলৈ। আৰু তুমি হ'লা লেখিকাৰ পথিকৃত নাৰী। মাদক দ্ৰব্য নিবাৰণ কৰি এদিন তুমি যে গঢ়িছিলা সুস্থিৰ সমাজ। যাক আজি অৱক্ষয়ে কৰিছে দহন। জানিছো নিশ্চয়কৈ আত্মায়ো কান্দিছে তোমাৰ আজিৰ এই ধ্বংসলীলা চাই মানৱৰ। তুমি বাৰম্বাৰ কৈছিলা জগতবাসীক- নাৰী জাগৰণ 'হাওৱা' নহয়। নাৰী আমি অৰ্ধ আকাশৰ। আমিও বিচাৰো স্থান। 'পিতৃতান্ত্ৰিক' সমাজত সমানে সমানে। আমি বিনে আকাশৰ পূৰ্ণতা নাই। মাতৃ আমি সৰ্বতিকালৰ, নাৰী আমি পূৰ্ণ আকাশৰ।

হে অগ্নিগৰ্ভা, অগ্নিকন্যা, সাহসী ৰমণী। অস্বীকৃত পিতৃত্বৰ বোজা কঢ়িয়াই মাতৃ হ'লা সুযোগ্য সন্তানৰ। শিক্ষিত স্বামীও যায় নতশিৰ হৈ, স্থিতপ্ৰজ্ঞ অস্বীকৃত পত্নীৰ কাষত।

অপমান, অনাতনে দহা তোমাৰেই স্থিতপ্ৰজ্ঞা ৰূপ, নোৱাৰে তলাব কেৱে, আপোচবিহীন তুমি অচল-অটল।

অপবাদ মহাবিষ পান কৰি তুমি, তুমি হ'লা নীলকণ্ঠী নাৰী অনন্যা। হে মোৰ প্ৰিয়তমা অজেয়া, অগ্ৰজা, তোমাকে সুঁৱৰি আজি অনুজে তোমাক প্ৰণামিছো মাথোঁ বাৰম্বাৰ। (চন্দ্ৰপ্ৰভা শইকীয়ানীৰ সোঁৱৰণত)। ■

## এদিন

*- নিবেদিতা ফুকন*

পোহৰলৈ ওলাবৰ দিনা
নেদেখাজনলৈ
আইতাৰ কৰুণ আকুতি
বোজা যেন নাবাঢ়ে
নিৰ্দিষ্ট হৈ থকা
পোহৰসন্ধানীৰ কথা
আইতাৰ অজানা।
মৌমাখি এটাই
গুণগুণাই থাকে
দেউতাৰ হিয়াৰ গোপনত
আশা যেন ফলৱতী হয়।
ভৱিষ্যতৰ অজ্ঞাত সুখলৈহে
দেউতাৰ ধাউতি।
ভবাৰ শকতি নহ'লেও
গৰ্ভধাৰিণীৰ প্ৰাৰ্থনা
মানুহজনৰ চেনেহৰ পৰা
যেন বঞ্চিত নহয়
চেনেহৰ মৰ্ম নুবুজা
মাৰ যে কি অলীক বাসনা
প্ৰাৰ্থনাৰ কৰুণতাই
জীৱন নগঢ়ে।
আকুতিত থানবান হয়
পোহৰৰ পথ।
বাসনাৰ কোনো
নিৰ্দিষ্ট ৰূপ নাই।
ৰূপৰ আকুতি নহয়
নিৰৱচ্ছিন্ন পোহৰৰ বাট নিকা কৰি
অনিৰ্দিষ্ট যাত্ৰাৰ অভিযাত্ৰী
গজালি মেলা বীজৰ লহপহ
বাঢ়ে দলদোপ হেন্দোলদোপ
ডালে-পাতে ভৰুণ হৈ
এদিন মহীৰুহই ছাঁ দিব।



## TEEN BLUES

***MRS. DEEPANJALI GOGOI***
***SENIOR LECTURER***
***DEPT. OF ENGLISH***

Think of the teens and the picture that flashes across our mind is one of carefree fun-filled days, full of laughter and frolic. But switch over to the new generation teenagers and we get to see a totally different picture. Today when we train our eyes on the younger generation we consider them very lucky. Lucky because they are virtually born with a silver spoon in their mouth. Children of this millennium are growing up in a fast-paced world, a totally changing lifstyle full of glitz and glamour, with a whole lot of career options. Life surely couldn't get any better. What perhaps escapes our notice is that this is a generation undergoing a lot of stress, neck-to neck competition, examination fever, tension and what have you! There is really no chance of a carefree, laid-back attitude.

> Teenagers today suffer from depression. One golden rule to help prevent depression in children is to recognize individual talent. When young, parents try to make their child the Jack of all trades-swimming, dancing, singing, art, drama etc.

It is perhaps time to sit up and take stock of the situation around us. With competition on the rise do we realize the anxiety faced by the students during examination time? It may surprise us to know that India actually tops the world in adolescent suicides- a danger signal we cannot avoid. Present day academic curriculum and infact the entire examination system puts on tremendous pressure on our children.

Undoubtedly all parents want the very best for their off-springs. But it would be helpful to remember th at all children might not excel the way we want them too.Are we at times pushing them too far? What becomes vitally important today is to help children face and overcome failure. Every year when the CBSE, ICSE and

other Board Exam. results are declared we hear news of nervous break-downs even after scoring in the 90's. To enter into the world of the elite schools and colleges one has to battle it out as every year the cut-off percentages are rising. For others who sit for entrance examinations tension, anxiety, jitters, worry becomes a part and parcel of their lives. For those who come out trumps life is bliss. For the rest we need no guessing.

On the one hand we see the new millennium bringing in unprecedented prosperity, luxurious life styles but the flip side of the coin reveals drugs, alcohol, depression, conduct disorders and so on and so forth. With the new generation adolescents already baulking under pressure parents need to be able to identify the warning signs and take the necessary steps to rectify the situation. As per the child and Adolescent Psychiatry Psychiatry clinic, AIIMS, adolescent depression is on the rise. The irony of the situation is that when we look around us we find that new kids of the block are provided the very best by their parents- computers, motorbikes, cars, mobile phones, i-pods, i-phones, laptops and what have you? Just as an overdose of medicine can be killing children too are suffering from the problem of plenty. They demand the very best and are bored too soon. The simple pleasures of life held no meaning for them. The summer breeze, the April showers, the snow-clad mountains are stuff literature is made of and having nothing to do with ground realty. In stark contrast they are pulled into the vortex of the world of internet surfing, discotheque, pubs etc. It's truly a "remote controlled" life.

We see the mad scramble to enter the world of the IIT's and IIM's. These premier institutities hold up a lucrative front. Quite true if one is lucky enough to make it one's problems are as good as resolved. During campus interviews pay-packages are up for bargaining.

Most children to day are unable to cope with failure. Parents in providing the very best to their children in a way snatch away their ability to cope with failure. As one doctor puts it "they have a distorted sense of "entitlement" and this leaves them unable to cope with failure or adversity."

There are umpteen problems faced by adolescents to day which in the past were unthinkable. As we encourage our children to use the computer and surf the internet chances are that he/she might face cyber abuse. Paedophiles befriend children in chat rooms(online chatting is common now a days) and use false identities to trap them. They end up meeting the child/teen and then sexually assault them. The internet thus on the one hand opens out vistas of knowledge and information but simultaneously also expose children to pornographic material and child-abuse. The modern line of thinking is that we need to give space to our children. But we must know when and where to draw the line.

Teenagers to day suffer from depression. One golden rule to help prevent depression in children is to recognize individual talent. When young, parents try to make their child the Jack of all trades- swimming, dancing, singing, art, drama etc. But as the years progress all these take a back-seat and one is not given credit for any other activity apart from studies. There is no respite from studies or study related activities and this is perhaps taking its toll. This all encompassing need to excel can lead to disastrous results.

The teens can be real difficult years and these are the years when one is ruled by emotion and confusion. Parents as well as teachers must try and build a rapport with their respective child/student. They must try and draw a child out of his/her shell and identify the problem areas. Communication is the key to problem solving. Apart from career issues teenagers must be encouraged to discuss their problems, to talk about their friend circles, their views on topics like love and marriage, their fears and phobias. An open and friendly attitude might go a long way in easing out their problems. ■

# অৰ্দ্ধ আকাশ

**শ্ৰীঅৰ্পণ কুমাৰ বৰুৱা**
**অৰ্থনীতি বিভাগ**
**সোণাৰি মহাবিদ্যালয়**

ভাৰতৰ সামাজিক, ৰাজনৈতিক তথা অৰ্থনৈতিক উন্নয়নত মহিলাৰ অংশ গ্ৰহণৰ এক দিঘলীয়া ইতিহাস আছে। অতি পুৰণি কালৰ পৰাই ভাৰতীয় সমাজ ব্যৱস্থাত মহিলাৰ স্থান উচ্চ। গাৰ্গী, মৈত্ৰেয়ীৰ দৰে মহিলাই পুৰুষৰ সমানেই সেই সময়ৰ সমাজত সন্মান আদায় কৰিবলৈ সক্ষম হৈছিল। ভাৰতীয় অংক শাস্ত্ৰৰ এখন পুথিৰ নাম 'লীলাৱতী' ৰখাটোৱে মহিলাক প্ৰদান কৰা সন্মানৰ কথা সূচায়। পাছৰ পৰ্য্যায়তো ঝান্সীৰ ৰাণী লক্ষ্মীবাইৰ পৰা সৰোজিনী নাইডু-ইন্দিৰা গান্ধীলৈকে, কল্পনা চাওলাৰ পৰা প্ৰতিভা দেৱী সিং পাতিললৈকে, আমাৰ অসমতো জয়মতী-মূলাগাভৰুৰ পৰা পুষ্পলতা দাসলৈকে, প্ৰবীন গান্ধীবাদী নেতৃ পদ্মশ্ৰী বঁটা বিজয়িনী হেম প্ৰভা কাকতীলৈকে তথা বৰ্ত্তমান সাহিত্য অকাডেমী বঁটা বিজয়িনী শ্ৰীমতী ৰীতা চৌধুৰীলৈকে অসংখ্য মহিলাৰ সুখ্যাতিৰে ভাৰতীয় মহিলাৰ ইতিহাস পুষ্ট হৈ আছে। কিন্তু সেয়ে হ'লেও সমাজৰ এখিনি মহিলাই নিজকে নিজা নিজা ক্ষেত্ৰত প্ৰতিষ্ঠা দিব পাৰিলেও সকলো ভাৰতীয় মহিলাই সন্মানজনকভাৱে সমাজত বাস কৰিছে বুলি ক'ব পৰা নাযায়।

ভাৰতৰ মুঠ জনসংখ্যাৰ শতকৰা ৪৮ ভাগ মহিলা। সেয়ে মহিলাক 'অৰ্দ্ধ আকাশ' বোলা হয়। কিন্তু বহুক্ষেত্ৰত এই একৈশ শতিকাতো মহিলাই পুৰুষৰ সমানে সকলো সা-সুবিধা বা অধিকাৰ ভোগ কৰাৰ পৰা বঞ্চিত হৈ আছে। গতিকে মহিলাক পুৰুষৰ সমানে নহলেও সমাজত তেওঁলোকৰ প্ৰাপ্য স্থান আৰু অধিকাৰ সম্পৰ্কে সচেতন কৰি তুলিবলৈ বিভিন্ন ব্যক্তি তথা সংগঠনে বিভিন্ন ধৰণে কাম কৰিছে, ১৯ শতিকাৰ ৰাজা ৰামমোহন ৰয়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, স্বামী দয়ানন্দ সৰস্বতী, আনন্দৰাম বৰুৱা, গুণাভিৰাম বৰুৱা আদিয়ে এই ক্ষেত্ৰত কিছু অৰিহণা



যোগাই গৈছে। এই সকলে প্ৰধানকৈ সতীদাহপ্ৰথা বন্ধ কৰা আৰু বিধৱা বিবাহৰ ওপৰত গুৰুত্ব দিছিল। ঠিক তেনেকৈ ১৮৮২ চনৰ বেঙ্গলত স্বৰ্ণকুমাৰী দেৱীৰ 'সখী সমাজ', পণ্ডিতা ৰামাবাইৰ 'আৰ্য মহিলা সমাজ' আৰু ১৯০১ চনৰ 'ভাৰতশ্ৰী মহামণ্ডল' আদি উল্লেখযোগ্য। কিন্তু সৰলাদেৱী চৌধুৰাণীয়ে গঠন কৰা 'সৰ্বভাৰতীয় মহিলা সংগঠন'ৰ পৰা মহিলাৰ সমস্যাসমূহ একাষৰীয়াকৈ অনুধাৱন কৰাত এক নতুন মূৰ লয়। ১৯৩৯ চনত জাতীয় পৰিকল্পনা কমিটিৰ উপ-সমিতি হিচাবে পৰিকল্পিত অৰ্থনীতিত মহিলাৰ ভূমিকা সম্পৰ্কে এক দুৰদৃষ্টিসম্পন্ন আঁচনি গ্ৰহণ কৰি এই কমিটিৰ অধ্যক্ষা ৰাণী লক্ষ্মীবাঈ ৰাজাবাৰে মহিলাৰ শিক্ষা, বিবাহ, পৰিয়ালৰ দায়িত্ব, বিধবা মহিলা, জাতিগত বৈষম্য, বেশ্যা বৃত্তি, মহিলাৰ অসন্মান, বাল্য বিবাহ আদি দিশত পৰিবৰ্ত্তন অনাত গুৰুত্ব প্ৰদান কৰিছিল। লগতে দুৰ্গাবাঈ দেশমুখৰ সামাজিক কল্যাণ বৰ্ড, কমলা দেৱী চট্টোপাধ্যায়ৰ সৰ্বভাৰতীয় হস্তশিল্প বৰ্ড আৰু সমবায় বজাৰ ব্যৱস্থা আদিকো মহিলা সবলীকৰণৰ ক্ষেত্ৰত এক উল্লেখযোগ্য পদক্ষেপ বুলি গণ্য কৰিব পাৰি। মুঠতে ভাৰতীয় মহিলাক দমন কৰি ৰাখিবৰ বাবে মহাঋষি মনুৰ 'মনু সংহিতা'ত উল্লেখ কৰা নীতি-নিয়ম সমূহৰ এক প্ৰত্যাহ্বান পাছৰ কালত দেখা গৈছে। সেয়ে প্ৰখ্যাত দাৰ্শনিক পণ্ডিত তথা ভাৰতৰ ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণনে এবাৰ ক'ব লগা হৈছিল যে 'ভাৰতত মনুৰ জন্ম নোহোৱা হ'লেই ভাল আছিল।' ১৯৭৫ চনটোক জাতিসঙ্ঘৰ মেক্সিকো সন্মিলনে 'আন্তৰ্জাতিক নাৰী বৰ্ষ' হিচাবে ঘোষণা কৰাৰ পৰাহে মহিলাৰ উন্নয়নমূলক কামত প্ৰকৃততে গুৰুত্ব দিয়া হৈছে। ভাৰতৰ ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাত (১৯৮০-৮৫) মহিলাৰ স্বাস্থ্য, শিক্ষা আৰু নিয়োগ সম্বলিত তিনি তৰপীয়া একপৃথক বাজেট গ্ৰহণ কৰা হয়। ভাৰতৰ প্ৰাক্তন মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰী ৰেণুকা চৌধুৰীৰ ভাষাত "To me ...... women empowerment means self-esteem, self reliance, self confidence...... if a women is aware of her rights of herself, if her self esteem is high, then she is empowered." কিন্তু এতিয়াও ভাৰতৰ সৰহ সংখ্যক মহিলাই নিজৰ উচ্চ মূল্য, আত্মনিৰ্ভৰশীলতা, আত্মবিশ্বাস গঢ়ি

তুলিব পাৰিছে বুলি কব পৰা নাযায়। গতিকে ভাৰতত মহিলা সৱলীকৰণ হৈছে যদিও যঠেষ্ট হৈছে বুলি কব নোৱাৰি।

যিবিলাক ক্ষেত্ৰত মহিলা আগবাঢ়ি যোৱাৰ সুবিধা পাইছে সেইবিলাক ক্ষেত্ৰত তেওঁলোক পুৰুষৰ সমানেই বা কোনোক্ষেত্ৰত পুৰুষতকৈ অধিক সফলতা পোৱাৰ উদাহৰণ আছে, মহিলাৰ মাজত পুৰুষতকৈ দক্ষ অভিযন্তা, চিকিৎসক, প্ৰশাসক, উদ্যোগপতি, ব্যৱসায়ী, বেংকাৰ, আৰক্ষী বা সৈন্য বাহিনীৰ বিষয়া, পাইলট, সমাজসেৱীকা আদিৰ অভাৱ নাই। কিন্তু সেই সুবিধা এমুঠিমান মহিলাৰ মাজতে সীমাবদ্ধ। আগবাঢ়ি যোৱা সকলেও সম্ভৱ নানা সংগ্ৰামৰ মাজেদিহে নিজক প্ৰতিষ্ঠা কৰিব পাৰিছে। পুৰুষশাসিত সমাজত সাংবিধানিক ব্যৱস্থা তথা আইনৰ শাসন থাকিলেও মহিলাৰ অধিকাৰ কাঢ়ি নিয়াৰ অসংখ্য উদাহৰণ পোৱা যাব। ভাৰতীয় আৰক্ষী সেৱাৰ উৎকৃষ্ট মহিলা বিষয়া শ্ৰীমতী কিৰণ বেদীয়েই হয়তো ইয়াৰ প্ৰকৃষ্ট উদাহৰণ। মহিলাৰ সুৰক্ষাৰ বাবে স্বাধীনোত্তৰ ভাৰতত সতীদাহ প্ৰথা বন্ধ আইন, বাল্য বিবাহ বন্ধ আইন, যৌতুক বন্ধ কৰা আইন, ন্যূনতম মজুৰি আইন, বিশেষ বিবাহ আইন, সম-মজুৰি আইন, পৰিয়াল আদালত আইন আদি মহিলা নিৰ্দিষ্ট বিভিন্ন আইন থাকিলেও উপৰুক্ত বিষয়সমূহত মহিলাই উপযুক্ত আইনী ৰক্ষণাবেক্ষণ পোৱা নাই। বিশেষকৈ দেশৰ সাধাৰণ মহিলাক এই আইনৰ গণ্ডীৰ পৰা বাহিৰত ৰখা যেনেই ধাৰণা হয়। দেশৰ শতকৰা ৪৮ভাগ মহিলা হ'লেও এনে আইনী সুবিধাবিলাক ৫% ৭% মহিলাইহে ভোগ কৰিবলৈ পাইছে। দেশৰ ৰাজনৈতিক ক্ষেত্ৰখনত মহিলাৰ যোগদান বৃদ্ধি কৰিবৰ বাবে সংসদ আৰু বিধানসভাৰ লগতে পঞ্চায়ত পৰ্য্যায়ত মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণৰ এখন আইন কেন্দ্ৰীয় চৰকাৰে ১৯৯৬ চনতে প্ৰণয়ন কৰিছিল যদিও সংসদত এই আইন কিছুমান ৰাজ্যৰ পুৰুষ সাংসদ সকলৰ প্ৰতিৰোধৰ বাবে গৃহীত কৰিব পৰা নাই। অৱশ্যে শেহতীয়াকৈ পঞ্চায়ত পৰ্য্যায়ত এই আইনৰ যোগেদি নিৰ্বাচিত বহুতো মহিলা সদস্যাই পঞ্চায়তৰ মূৰব্বী বা গ্ৰাম্য প্ৰধান হিচাবে বিশেষ সফলতা পোৱাটো পৰিলক্ষিত হৈছে। নিৰ্বাচিত গোটসমূহত মহিলাৰ প্ৰতিনিধিত্বৰ কথাটো ১৯২০/৩০ৰ দশকতে আলোচনা হৈছিল যদিও ১৯৭০চনত Committee on the status of women in Indiaই ইয়াক পুণৰ বিবেচনা কৰালৈকে মহিলাৰ



প্ৰতিনিধিত্বই গুৰুত্ব পোৱা নাছিল। ১৯৮৮ চনলৈকে চলা বিভিন্ন মহিলা আন্দোলনে মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণৰ দাবী কৰি আহিছে। ভাৰতীয় সংসদত মহিলা সাংসদৰ সংখ্যা ১৯৯০ চনত আছিল কেৱল ৫%। এই হাৰ ১৯৯৯ চনত ৮.৮%, ২০০৪ চনত ৮.২৬% আৰু শেহতীয়াকৈ গঠন কৰা সংসদত ১০% লৈ বৃদ্ধি পাইছে। গতিকে ৩০% বা ৩৩% সংৰক্ষণৰ কথাটো এতিয়াও সুদুৰ পৰাহত হৈ আছে।

তামিলনাডু, হাৰিয়ানা, হিমাচল প্ৰদেশ, ৰাজস্থান, পশ্চিমবঙ্গ আদি ৰাজ্যত গ্ৰাম্য উন্নয়ন মন্ত্ৰালয়ৰ লগত আলোচনা কৰি UNICEF এ মহিলা সৱলীকৰণৰ বাবে কিছুমান বিশেষ আঁচনি গ্ৰহণ কৰিছে। মণিপুৰ আৰু ত্ৰিপুৰাৰ মহিলাৰ মাজত নেতৃত্বৰ প্ৰশিক্ষণ (Leadership Training) প্ৰদানৰ বাবে UNICEF এ সৰ্বভাৰতীয় মহিলা পৰিষদৰ যোগেদি পুঁজিও যোগান ধৰিছে। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন গ্ৰাম্য উন্নয়ন আঁচনিত মহিলাক লক্ষ্য কৰি কিছুমান বিশেষ আঁচনি অন্তৰ্ভূক্ত কৰা হৈছে। এনে আঁচনিয়ে মহিলাৰ স্বাৱলম্বিতা, আত্মনিয়োগ, তথা অৰ্থনৈতিক স্বাধীনতাৰ বাবে আত্ম সহায়ক গোট খোলা, ক্ষুদ্ৰ ঋণ প্ৰদান কৰা, প্ৰশিক্ষণ প্ৰদান আদিৰ ব্যৱস্থা আছে। অন্যহাতে চৰকাৰে ২০০৮/০৯ চনৰ বাজেটত লিঙ্গ ভিত্তিক বাজেটৰ (Gender Budgeting) যোগেদি মহিলাৰ লগত জড়িত আঁচনিৰ বাবে ১১,৪৬০ কোটি টকা আচুতিয়াকৈ নিৰ্দ্ধাৰণ কৰিছিল। তদুপৰি ২,১৮০ খন কস্তুৰবা গান্ধী বালিকা বিদ্যালয় দেশত প্ৰতিষ্ঠা কৰি প্ৰাথমিক শিক্ষাৰ পৰা বঞ্চিত হোৱা ১,৮২,০০০ ছোৱালীৰ শিক্ষাৰ ব্যৱস্থা কৰিছে। Self Employed Women's Associationৰ প্ৰতিষ্ঠাপক শ্ৰীমতী ইলা ভাটৰ মতে জাতি সংঘৰ খাদ্য আৰু কৃষি সংগঠনৰ (UNO-FAO) তথ্য মতে পৃথিৱীৰ মুঠ জনসংখ্যাৰ ৬০% মহিলা আৰু ছোৱালী ভোকাতুৰ অৱস্থাত থাকে, কিন্তু পৃথিৱীৰ জনসাধাৰণে গ্ৰহণ কৰা মুঠ খাদ্যৰ ৬০%–৮০% মহিলা আৰু ছোৱালীয়ে উৎপাদন কৰে।

পৃথিৱীৰ অশিক্ষিত প্ৰাপ্তবয়স্কলোকৰ $^{2}/_{3}$ অংশ মহিলা। অৰ্থনীতিৰ নোবেল বঁটা বিজয়ী ডঃ অমৰ্ত্য সেনৰ 'Development as Fredom' গ্ৰন্থত মহিলা শিক্ষিতাৰ হাৰ বৃদ্ধিৰ ওপৰত গুৰুত্ব দিছে। গতিকে

বৰ্ত্তমান বিশ্বত Education for All (EFA), Millenium Development Goals (MDG) আদি আঁচনিত মহিলাৰ শিক্ষাত গুৰুত্ব দিছে। The United Nation's Literary Decade (UNLD-2003-12) আঁচনিয়েও মহিলাৰ ওপৰত বিশেষ গুৰুত্ব দি বিভিন্ন দেশত মহিলা শিক্ষাত অৰিহনা যোগাইছে। অনুন্নত দেশবোৰত মহিলা শিক্ষাৰ অভাৱ, দৰিদ্ৰতা, ক্ষুধা, হিংসা, তিৰষ্কাৰ, শোষা, মহিলাৰ ব্যৱসায়, HIV/AIDS আৰু অন্যান্য বেমাৰ-আজাৰ আৰু প্ৰসুতি মৃত্যুৰ হাৰ আদি বৃদ্ধি কৰে। এগৰাকী শিক্ষিত মাতৃয়ে উপৰোক্ত বেমেজালিবোৰ বহু পৰিমাণে দূৰতে বিদূৰ কৰিব পাৰে।

২০০১ চনৰ ভাৰতৰ লোকপিয়ল মতে ১৯৯১ চনত ভাৰতত মহিলা শিক্ষিতৰ হাৰ শতকৰা ৩৯.২৯ ৰ পৰা ২০০১ চনত ৫৪.১৬% লৈ বৃদ্ধি পাইছে। কিন্তু পুৰুষৰ ক্ষেত্ৰত এইহাৰ এই সময়ত ৬৪.১৩% ৰ পৰা ৭৫.৮৫% লৈ বৃদ্ধি পাইছে। এই পৰিসংখ্যাই উক্ত সময়ৰ লিঙ্গ বৈষম্য ২৪.৮৪% ৰ পৰা ২১.৬৯% লৈ হ্ৰাস পোৱা দেখুৱাই। অৱশ্যে বৰ্দ্ধিত মহিলা শিক্ষাৰ এই হাৰ সকলো ৰাজ্যতে সমান নহয়। সামগ্ৰীকভাৱে ভাৰতৰ ২৮ খন ৰাজ্য কেন্দ্ৰীয় শাসিত অঞ্চলৰ মহিলা শিক্ষিতৰ হাৰ ৫০%ৰ ওপৰত হ'লেও ৫ খন ৰাজ্যত এই হাৰ ৪০%ৰ পৰা ৫০%আৰু ২ খন ৰাজ্যত ৪০%ৰ তলত আছে। গতিকে দশম পৰিকল্পনাত বিহাৰ, উত্তৰ প্ৰদেশ, উৰিষ্যা, ঝাৰখণ্ড আদি ৰাজ্যৰ কিছুমান নিৰ্বাচিত জিলাত মহিলা শিক্ষাৰ বিশেষ কাৰ্যক্ৰম গ্ৰহণ কৰা হৈছে। একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত (২০০৭-১২) ৮০% শিক্ষিতৰ লক্ষ্য লোৱা হৈছে। লগতে শিক্ষাৰ ক্ষেত্ৰত লিঙ্গ বৈষম্য ১০% লৈ হ্ৰাস কৰাৰ সিদ্ধান্ত কৰা হৈছে।

ভাৰতৰ জনসাধাৰণৰ আয়ুসৰ গড় ১৯৮১ চনৰ আগলৈকে পুৰুষৰ তুলনাত মহিলাৰ কম আছিল। কিন্তু ১৯৯৮ চনৰ হিচাবমতে মহিলাৰ গড় আয়ুস ৬৩.৩ বছৰৰ বিপৰীতে পুৰুষৰ গড় আয়ুস ৫৭.৭ বছৰ হোৱাটোৱে মহিলাৰ সা-সুবিধা বৃদ্ধিৰ কথাটোকেই সুচায়। ঠিক তেনেকৈ ভাৰতত শিশু মৃত্যুৰ হাৰ উন্নত দেশতকৈ যথেষ্ট বেছি। কুৰি শতিকাৰ আৰম্ভণিতে প্ৰতি হাজাৰ শিশুৰ মাজত ২০৪ টা যি কোনো কাৰণত মৃত্যু হৈছিল। কিন্তু ২০০১ চনত এই হাৰ হাজাৰত ৬৪টালৈ হ্ৰাস পাইছে। ইয়াৰে ভিতৰত নগৰ অঞ্চলৰ হাৰ হ'ল ৪৪ আৰু গ্ৰাম্য অঞ্চলৰ ৭০। অৱশ্যে ফিলিপাইনচ (২৬), থাইলেণ্ড (১৮), আৰু শ্ৰীলংকাতকৈ (১৬) ভাৰতৰ অৱস্থা উন্নত নহয়। চিকিৎসাৰ সা-সুবিধা বৃদ্ধি আৰু মহিলা শিক্ষাৰ সম্প্ৰসাৰণেই এই মৃত্যু হাৰ হ্ৰাস পোৱাৰ কাৰণ হিচাবে উল্লেখ কৰিব পাৰি। অন্যহাতে বিভিন্ন পৰিসংখ্যাই দেখুৱাই যে ভাৰতত পুৰুষৰ তুলনাত মহিলাৰ সংখ্যা যথেষ্ট কম। উদাহৰণস্বৰূপে ১৯০১ চনত প্ৰতি হাজাৰ পুৰুষৰ বিপৰীতে মহিলা আছিল ৯৬২ গৰাকী আৰু এই হাৰ ২০০১ চনত ৯৩৩ গৰাকীলৈ হ্ৰাস পাইছে। আমেৰিকা (১,০৫৫), ইংলেণ্ড (১০৬৯), জাপান (১০৩৭), জাৰ্মেনি (১০৮০) আদি উন্নত দেশৰ তুলনাত ভাৰতত পুৰুষৰ তুলনাত মহিলাৰ সংখ্যা যথেষ্ট কম। উক্ত হাৰ ভাৰতত হ্ৰাস পোৱাৰ কেইটামান কাৰণ UNICEF এ চিহ্নিত কৰিছে, যেনে - বিভিন্ন পিয়লত মহিলাৰ সংখ্যা শুদ্ধভাৱে সংগ্ৰহ কৰা নহয়, অৰ্থাৎ গুৰুত্ব দিয়া নহয়, মহিলাৰ শিক্ষা, স্বাস্থ্য, কন্যা সন্তানৰ প্ৰতি কম গুৰুত্ব প্ৰদান, জন্মৰ আগতে ভ্ৰূণ পৰীক্ষা কৰি কন্যা শিশু হ'লে গৰ্ভ নষ্ট কৰা আদি।

মহিলা সৱলীকৰণত মুখ্য ভূমিকা পালন কৰা বৰ্ত্তমানৰ অনুষ্ঠানটো হৈছে আত্ম সহায়ক গোটসমূহ। এই গোটৰ ধাৰণাটো বাংলাদেশৰ অৰ্থনীতিৰ নোবেল বঁটা বিজয়ী অধ্যাপক মঃ ইউনুচৰ নিজৰ জেপৰ পৰা ২৭ডলাৰ ঋণেৰে আৰম্ভ কৰা মহিলা গোটৰ পৰা বৰ্ত্তমান গ্ৰামীণ বেংকে বছৰি ৮০০মিলিয়ন ডলাৰ ঋণ আগবঢ়ায়। ১৯৭৬ চনত স্থাপন কৰা এই বেংকে গড়ে প্ৰতিজন ব্যক্তিলৈ ১৩০ ডলাৰ ঋণ আগবঢ়াইছে। ইয়াৰ বৰ্ত্তমান প্ৰায় ৭ মিলিয়ন ধৰুৱা আছে, য'ত ৯৭% মহিলা আৰু ঋণ পৰিশোধৰ হাৰ ৯৮% । প্ৰথমতে, কেইজনমান ভিক্ষাৰীক প্ৰদান কৰা ঋণৰ যোগেদি আজি বাংলা গ্ৰামীণ বেংক বিশ্বৰ কোটি কোটি দৰিদ্ৰলোকৰ আদৰ্শ। প্ৰায় ১ লাখ ভিক্ষাৰীয়ে ১০-১৫ ডলাৰ ঋণ লৈ স্বাৱলম্বী হোৱাৰ সুবিধা পাইছে। এই ধাৰণাৰ ভিত্তিতে ভাৰততো গ্ৰাম্য বেংকবোৰৰ যোগেদি এনে গোটসমূহক ঋণ প্ৰদান কৰা হৈছে আৰু মহিলা গোটসমূহকেই ঋণৰ বাবে অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে।

ভাৰতৰ মহিলাসকলৰ মাজত নানা বিসংগতি দেখা পালেও কেৰেলাৰ দৰে সৰ্বাধিক শিক্ষিত ৰাজ্যত এনে সমস্যাসমূহ তুলনামূলকভাৱে কম হোৱাটোৱে প্ৰমান কৰে যে, মহিলা শিক্ষাৰ সম্প্ৰসাৰণ ভাৰতৰ কাৰণে অতি জৰুৰী।

মহিলাৰ আত্মনিৰ্ভৰশীলতা বৃদ্ধি কৰি আৰ্থিক উন্নতি সাধন কৰিব নোৱাৰিলে মহিলাৰ উন্নতি সম্ভৱ নহয়। তদুপৰি সমাজত প্ৰচলিত অন্ধবিশ্বাস, কু-সংস্কাৰ, মহিলাৰ প্ৰতি অবিচাৰ, অশালীন ব্যৱহাৰ, যৌন উৎপীড়ন আদি বন্ধ কৰিবলৈও শিক্ষাৰ সম্প্ৰসাৰণৰ লগতে দেশত মহিলাৰ সুৰক্ষাৰ বাবে কঠোৰ আইন আৰু আইনৰ উপযুক্ত বলবৎকৰণ অতি আৱশ্যকীয়। পৰিয়ালৰ যি কোনো সিদ্ধান্ত গ্ৰহণত মহিলাৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিলেহে এটা সুস্থ-সৱল পৰিয়ালৰ লগতে এখন সুস্থ-সৱল সমাজ তথা দেশ গঠন কৰিব পৰা যাব। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰেণুকা চৌধুৰীৰ মতে, 'Women are quite casteless- our miseries are same, our pain is the same.' গতিকে কেইগৰাকীমান মহিলা ৰাজনীতিবিদ, সমাজবিজ্ঞানী, চিকিৎসক, অভিযন্তা, সেনা বা আৰক্ষী বিষয়া থকা মানেই সমূহ মহিলাৰ উন্নয়ন নুবুজায়। সামূহিক উন্নয়নৰ বাবে বৃহৎ পৰিসৰত এতিয়াও যথেষ্ট কাম কৰিব লগা আছে। ■

## জানি থওঁ আহক

*শ্ৰীগুণলতা শইকীয়া*

সংস্কৃতি প্ৰেমীৰ বাবে কেইটামান গুণ আহৰণ কৰিবলৈ অশেষ সাধনাৰ প্ৰয়োজন হ'ব আৰু সংস্কৃতি সাধকসকলে তলত উল্লেখ কৰা গুণকেইটা আয়ত্ব কৰি লোৱাতো একান্ত প্ৰয়োজন।

১। নৈতিক - সত্য, প্ৰেম, কৰুণা আৰু দয়া।
২। সাংস্কৃতিক - সংযম, সৎভাৱ, সহৃদয়তা আৰু সমন্বয়।
৩। সামাজিক - ন্যায়, সমতা, মানৱতা।
৪। আধ্যাত্মিক - আত্মজ্ঞান, আত্মবিশ্লেষণ, ব্ৰহ্মজ্ঞান, আত্মশক্তি আৰু আত্মবুদ্ধি।
৫। ৰাজনৈতিক - স্বতন্ত্ৰতা, গণসত্বা, লোকনীতি, বিশ্বজনীন (সাৰ্বজনীনতা)।
৬। আৰ্থিক - শ্ৰমনিষ্ঠা, স্বদেশী, স্বাৱলম্বন।
৭। হিতাকাঙ্খী - সকলোৰে হিত আৰু সুখৰ কাৰণে চিন্তা কৰা, সকলো প্ৰাণীক সমদৃষ্টিৰে চাই হিত সাধন কৰা।

এই গুণকেইটাৰ সাধনাই মানুহক সাহসী, শক্তিশালী, সত্যবাদী, মানৱপ্ৰেমী আৰু আত্মসংযমী কৰি তোলে; সেইজন আদৰ্শ পুৰুষে দূৰ্বলীক অত্যাচাৰ কৰিবলৈ, বন্ধুক বিশ্বাসঘাটকতা কৰিবলৈ কেতিয়াও উদ্যত নহয়। বিশেষকৈ মানুহ হিচাপে মানুহক মিছা মাতি প্ৰতাৰণা কৰিবলৈ নিবিচাৰে।



# নাৰীৰ প্ৰাপ্য মৰ্য্যদাত নাৰীৰ ভূমিকা

*- শ্ৰীকুঞ্জ চলিহা*

একবিংশ শতিকাৰ দুৱাৰ ডলিত নাৰী সবলীকৰণ বিষয়টোৱে নাৰীসকলক বিশেষ ভাৱে সচেতন কৰি তুলিছে। যিমানে নাৰীসকলে নাৰী নিৰ্য্যাতনৰ বিৰুদ্ধে প্ৰতিবাদ কৰি ঢাক ঢোল বজাইছে, নাৰী দিবস, নাৰী সবলীকৰণ আইন, নাৰী আদালত আদি অনেক আইন প্ৰণয়ন হৈছে তথাপি কাৰ্য্যক্ষেত্ৰত ই পলৱতী হৈ উঠা নাই। নাৰী সম্পৰ্কীয় বিভিন্ন ঘটনা সমূহ দৈনিক ঘটিয়েইলাগিছে। এই ক্ষেত্ৰত আমি কেৱল পুৰুষ প্ৰবীন সমাজ ব্যৱস্থাকে দায়ী কৰি সদায় পুৰুষ সকলক দোষাৰোপ কৰি থাকিলেই নাৰী নিৰ্য্যাতিন বন্ধ নহয়। আমি নাৰী পুৰুষ সমানে আগবাঢ়িব লাগিব। কথাতেই কয়- "পুৰুষ প্ৰকৃতি হৈবা একমতি, তেহে সিজিব হৰিত ভকতি" নাৰী আৰু পুৰুষ এটা মুদ্ৰাৰ ইপিঠি সিপিঠি। এটা আনটোৰ পৰিপূৰক। নাৰী পুৰুষ অবিহনে সমাজ বৰ্ত্তি থাকিব নোৱাৰে। তাক বহলাই নকলেও হ'ব। নাৰী নিৰ্য্যাতন বা নাৰীৰ সম অধিকাৰৰ ক্ষেত্ৰত পুৰুষৰ দৰে নাৰীও কম বেছি পৰিমাণে জগৰীয়া বুলি ভাৱ হয়। তলত দুই এটি উদাহৰণ দাঙি ধৰা হ'ল।

স্বামী বা পুত্ৰৰ সফলতাৰ আঁৰত একোগৰাকী নাৰী থাকে। সফলতাৰ বাটলৈ আগবঢ়াই দিয়াত মাতৃ বা পত্নী গৰাকীৰ যেনেকৈ অৱদান থাকে দুৰ্নীতিৰ বাটলৈ ঠেলি দিয়াৰ ক্ষেত্ৰতো এওঁলোকৰ অৱদান নথকা নহয়।

ঘৰ এখনত নাৰী গৰাকীয়েই ঘৰ খনৰ মূল নায়িকা। একো গৰাকী মাতৃয়ে নিজ পুত্ৰ আৰু কন্যাক সম দৃষ্টিৰে চাব নোৱাৰে। কন্যাতকৈ পুত্ৰক বেছি গুৰুত্ব দিয়ে। খোৱা বোৱা, পঢ়া শুনা, মৰম চেনেহ আদি সকলো ক্ষেত্ৰতে পুত্ৰকহে অগ্ৰাধিকাৰ দিয়া দেখা যায়। কিয়নো আগলৈ পুত্ৰই পিতৃ মাতৃক ভৰণ পোষণ দিব লাগিব, সম্পত্তিৰ অধিকাৰী হ'ব। পিণ্ডাদি দিব। অন্যহাতে ছোৱালী জনী বিয়া দি অন্য এখন ঘৰলৈ উলিয়াই দিব, সম্পত্তিৰ ভাগ নাপায়। পিতৃ মাতৃৰ মৃত্যুৰ পাছত সৰুৰে পৰাই কন্যাক অৱদমিত হবলৈহে শিকায়। বুজি নাপায় অধিকাৰৰ গুৰুত্ব, অস্তিত্বৰ মহত্ব। বিভিন্ন দুখ যান্ত্ৰণা ভুগি থাকিলেও এয়া তেওঁলোকৰ প্ৰাপ্য বুলিয়েই ধৰি লয়। নিজৰ ঘৰখনতো পুৰুষৰ অধীন হৈ চলিবলৈহে বেছি সংখ্যক মাতৃয়ে শিক্ষা দিয়ে।

নিজৰ ঘৰখনলৈ পুত্ৰৰ বাবে বিয়া কৰি অনা বোৱাৰী জনীকো শহুৰ বৰজনা দেওৰ আদিতকৈ শাহু, ননদ, জা-জুৱলী আদিয়েহে নানা খুঁটি নাতি উলিয়াই বোৱাৰীৰ ওপৰত আধিপত্য চলায়। অৱশ্যে কোনো কেনো বোৱাৰীয়েও পৰিয়াল বা শাহুৰ ওপৰত কৰ্তৃত্ব চলোৱাৰ উদাহৰণ নোহোৱা নহয়।

বোৱাৰীৰ লগতে যৌতুকত কি দিলে নিদিলে সেইবোৰ বিচাৰ প্ৰায়ে নাৰীসকলৰ ফালৰ পৰাহে পুৰুষক দৃষ্টিগোচৰ কৰি দিয়া হয়। যাৰ ফলত ফিৰিঙতিয়েই খাণ্ডৱ দাহত পৰিণত হৈ বহুতো বোৱাৰীয়ে বিবাহ বিচ্ছেদ বা আত্মহত্যা কৰিব লগা হয়।

যৌথ পৰিয়ালত মিলা প্ৰীতিৰে বাস কৰা ভাই ককাইৰ মাজত প্ৰায় ভাগ মহিলাই কন্দলৰ সৃষ্টি কৰি থান বান হ'ব লগাত পৰে।

সুখ শান্তিৰে বসবাস কৰা এহাল দম্পতীৰ মাজত সোমাই অশান্তিৰ সৃষ্টি কৰা তৃতীয় ব্যক্তি গৰাকীও জানো নাৰীয়েই নহয়? লোকৰ সংসাৰ খনত জুই জ্বলাবলৈ গৈ লোকচক্ষুৰ আগত নিজেও ঘৃণাৰ পাত্ৰী হয়।

স্বামী বা পুত্ৰৰ সফলতাৰ আঁৰত একোগৰাকী নাৰী থাকে। সফলতাৰ বাটলৈ আগবঢ়াই দিয়াত মাতৃ বা পত্নী গৰাকীৰ যেনেকৈ অৱদান থাকে দুৰ্নীতিৰ বাটলৈ ঠেলি দিয়াৰ ক্ষেত্ৰতো এওঁলোকৰ অৱদান নথকা নহয়। উদাহৰণ স্বৰূপে এগৰাকী বিলাসপ্ৰেমী পত্নীৰ মন যোগাবলৈ আৰ্থিক ভাৱে অসমৰ্থ এজন স্বামীয়ে দুৰ্নীতিৰে ঘটা ধনেৰে পত্নীৰ মন সন্তুষ্ট কৰিবলৈ গৈ শেষত বিপদগ্ৰস্ত হৈ নানা লঘু লাঞ্ছনাৰ সন্মুখীন হোৱা দেখা যায়।

অন্যহাতে দৈহিক সুখৰ বাবে লিপ্ত হৈ অবাঞ্চিত সন্তান জন্ম দিয়া গৰাকীও নাৰী। লোকচক্ষু নাইবা সমাজৰ ৰোষৰ হাত সাৰিবলৈ সদ্যোজাত এটি শিশুক দলিয়াই দিয়াৰ মানসিকতা থকা গৰাকীও নাৰী। সতীত্বৰ কাৰণেই হওক বা ৰাজমৰ্য্যদাৰ কাৰণেই হওক কুন্তীয়ে নিজৰ সন্তান কৰ্ণক নদীত উটুৱাই দিছিল। স্বীকৃত সন্তান পঞ্চ পাণ্ডৱৰ কথা চিন্তা কৰিয়েই কৰ্ণৰ জীৱনকেই দান হিচাবে দিবলৈ কুণ্ঠাবোধ কৰা নাছিল কুন্তীয়ে।

আমি কওঁ -নাৰী ভোগৰ সামগ্ৰী, পণ্য সামগ্ৰী নহয়। যৌন মূলক অপৰাধৰ বাবে আমি কেৱল পুৰুষ সকলক জগৰীয়া কৰোঁ। পুৰুষো ইতৰ নহয়, নাৰীও ধোৱা তুলসী নহয়। আধুনিকা হ'বলৈ গৈ বহুতো যুৱতী বা মহিলাই অল্পবস্ত্ৰৰে নগ্নপ্ৰায় সাজ-পোচাক পৰিধান কৰি দেহৰ আবুৰৰ অংশবোৰ প্ৰদৰ্শন কৰি পুৰুষ সকলৰ মন



প্ৰলোভিত কৰে। যাৰ ফলত পুৰুষৰ দ্বাৰা ধৰ্ষণ, বলাৎকাৰ আদি ঘটনাবোৰ বৃদ্ধি পাব লাগিছে। গতিকে নাৰীয়ে জানো নিজকে পণ্য সামগ্ৰীত পৰিণত কৰা নাই?

বিধবা নাৰী এগৰাকীকো নাৰী সকলেই হীন দৃষ্টিৰে চোৱা দেখা যায়। বিধবা সকলৰ হৃদয়ৰ যন্ত্ৰণাবোৰ সধবাসকলে উপলব্ধি কৰিব পাৰেনে? বিধবা হ'ল বুলিয়েই ভালকৈ খাব নোৱাৰে, পিন্ধিব নোৱাৰে, মুকলি মনেৰে ফুৰিব নোৱাৰে, কোনো মাংগলিক কামত ভাগ ল'ব নোৱাৰে। এই বিলাক নাৰীসকলেই সৃষ্টি কৰি লোৱা নিয়ম নহয় জানো? বৰ্ত্তমান সমাজৰ নাৰীসকলে ইয়াক সংশোধন কৰিব নোৱাৰেনে?

নাৰীৰ অন্য এটা দোষ হ'ল ঈৰ্ষা পৰায়নতা; কাৰোবাৰ কিবা এটা উন্নতি দেখিলে ঈৰ্ষাত জ্বলি পুৰি গৈ মানসিক অশান্তিত ভুগি শেষত নিজৰেই অনিষ্ট হয়। কিছু সংখ্যক নাৰীয়ে পৰচৰ্চা, পৰনিন্দা, কুৎসা ৰটনা, মনে সজা, ৰহন লগোৱা কথাৰ মলহা মাৰি জীৱনৰ মূল্যবান সময়বোৰ নষ্ট কৰাৰ লগতে ইজনে সিজনৰ প্ৰতি সদ্ভাৱ নোহোৱা হৈ কন্দলৰ সৃষ্টি কৰে।

গতিকে নাৰী নিৰ্যাতন বন্ধ কৰিবলৈ হ'লে আমি প্ৰথমে আত্ম বিশ্লেষণৰ দ্বাৰা নিজকে সংশোধন কৰিব লাগিব। মনৰ পৰা ঈৰ্ষা পৰায়নতা, সংকীৰ্ণতা দূৰ কৰি নাৰীয়ে নাৰীৰ হৃদয়ৰ বেদনাবোৰ হৃদয়ঙ্গম কৰিব পাৰিব লাগিব। নাৰীৰ প্ৰতি প্ৰেমৰ নিদৰ্শন নাৰীয়েই হ'ব লাগিব। কোনো নাৰী যদি পুৰুষ বা মহিলাৰ দ্বাৰা অত্যাচাৰৰ বলি হৈছে তাৰ বাবে প্ৰতিবাদ কৰিব পাৰিব লাগিব। পুৰুষেই হওক মহিলাই হওক প্ৰকৃত দোষীক শাস্তি বিধান কৰাব পাৰিব লাগিব। ইয়াৰ অন্যথাই নাৰীৰ যোগেদিয়েই নাৰী হৈ থাকিব নিৰ্য্যাতিতা।

# SAVIOUR OF SOCIETY : WOMAN AS MOTHER

MRS. RASHMI MOHAN RAJKHOWA.

'Mother' probably is the sweetest word in the whole world and the very word carries the feeling of affection, care, shelter, comfort and security. Motherhood is the heavenly gift which is bestow'd upon only the female race that glorifies a woman and makes her complete.

Nobody dares to deny the fact that women are the backbones of families as well as of the whole society. They are the edifices upon which the total welfare of the society rests. A woman is a daughter, a sister, a paramour, a spouse and above all a mother. She is the only creature on this earth who can perform all these roles excellently at the same time. Among all these roles, the greatest is the role of a mother which is the making of a whole person. She is the media through which a new lif comes into existence. Afte a baby borns she is th mother who rears it up wit the utmost love, affectio and care which is beyon any comparison. Sh sacrifices selflessl whatever is needed t grow the baby up with smiling face.

When the little bab grows up into a child, th mother needs to be mo careful and conscious i building up good habi and keeping him or h



away from negative impulses. From this time onwards, the greatest responsibility of a mother begins. But unfortunately it is observed that most mothers don't take it seriously and opine that it is enough only to motivate the children towards study, so that they can achieve a successful career in their future. No doubt, study is the most important factor which prepares a child to face the challenges in life. But, along with the institutional education, children should also receive some other knowledge which will enable them to become human in real sense. In addition to the A.B.C. of formal education mothers should also take care of inculcating in their children the other humanistic qualities and should teach them the primary knowledge of social behavior. Mothers must teach their children to show respect to elders, to be kind towards animals and plants, to share things with others, to be understanding, to be honest and other such positive attitudes. Another important aspect should be mentioned in this context. A mother should be impartial between her son and daughter while rearing them up giving both the institutional and social education. She should not enload all the restrictions upon her daughter, ignoring the bad habits and evil inclinations of her son. Usually it is seen that a daughter always has to live with a lot of restrictions whereas a son enjoys liberty in every aspect which may lead to

various problems in the family and in the society in future. A very common example can be mentioned in this respect. A mother always remained concerned about the out going and returning time of a daughter. Generally she never allows a daughter to remain outside or to go out after it gets dark. But, the same mother seems to be indifferent about her son in the similiar situation. This is the ehance which is generally taken by som sons to indulge in immora activities. If from the ver childhood onwards th boys are also taught to b obedient and punctual i their day to day life an also to utilise time properl then many social problem will probably not arise-i the society. This type o awareness among al mothers can give a stan against most of the mora and social evils and thu can became the saviour o society. ■



# সুষম ব্যক্তিত্ব আৰু শৈশৱকালীন প্ৰতিপালন

*- ৰানু মহন*
*শিক্ষা বিভাগ*
*সোণাৰি মহাবিদ্যালয়*

জীৱনৰ বাটত বাট বুলোতে হঠাতে আহি পৰা প্ৰতিকূল পৰিস্থিতিৰ উখোৱা-মোখোৰাখিনি দক্ষতাৰে অতিক্ৰম কৰিব পৰাজনেই নিপুন পথিক। এনে এজন নিপুন, দক্ষ আৰু সফল পথিকৰ নিশ্চয়কৈ থাকিব লাগিব সুস্থ সবল মনোবল, পাৰভঙা বাহুবল, লগতে নিয়ন্ত্ৰিত আৱেগিক বিচক্ষণতা। এনে ব্যক্তিৰ ব্যক্তিত্বতে থাকে সুস্থ মনোভাৱ, সমাজৰ প্ৰতি যোগাত্মক চিন্তাধাৰা, গভীৰ জীৱন-দৰ্শন, নিষ্ঠাভৰা আত্মবিশ্বাস, আত্মপ্ৰত্যয়, আত্মসংযম আৰু সৎসাহস। এইখিনি গুণেৰে পূৰ্ণ ব্যক্তিজনেই সমাজত ব্যক্তিত্বসম্পন্ন লোক বুলি পৰিচিত হয়।

ব্যক্তিত্বক সংজ্ঞাৰে প্ৰকাশ কৰিবলৈ গ'লে - ই হৈছে কিছুমান সংলক্ষণৰ সমাহাৰ আৰু সংলক্ষণ হৈছে একে প্ৰকৃতিৰে বহুদিনলৈ কৰা একে আচৰণৰ ফলশ্ৰুতি। গতিকে সংলক্ষণ অনুযায়ী ব্যক্তিত্বৰ ভিন্নতা দেখা যায়।

আমাৰ আলোচনাৰ সুষম বা সন্তুলিত (Balanced) ব্যক্তিত্বৰ এটা বিশেষত্ব হৈছে কোনো এটা সংলক্ষণৰ প্ৰাৱল্যই ইয়াৰ আন এটা সংলক্ষণক ম্লান বা স্তিমিত কৰি তুলিব নোৱাৰে। শাৰীৰিক, মানসিক, সামাজিক আৰু আৱেগিক এই আটাইকেইটা দিশৰ ভাৰসাম্য ৰক্ষা কৰিব পৰাজনেই সুষম-ব্যক্তিত্বৰ অধিকাৰী।

কোৱা হয়- "আজিৰ শিশু সকলেই কাইলৈৰ নাগৰিক।" ব্যক্তিত্ব সম্পন্ন এই নাগৰিক সকলেই এটা জাতি তথা দেশৰ গৌৰৱ, উন্নতিৰ মাপকাঠি আৰু প্ৰগতিৰ ধ্বজাবাহক। এই সকলৰ প্ৰতিনিধিত্বই সমাজ একোখনক উত্তৰণৰ দিশত অনায়সে আগবঢ়াই নিব পাৰে। সমাজৰ বিভিন্ন দিশত সমল ব্যক্তিৰূপে বিভিন্ন কৰ্মত ব্ৰতী হৈ মূল্যবোধ সম্পন্ন তথা সজাগ আৰু সচেতন জাতি গঠন প্ৰক্ৰিয়াতো তেওঁলোকেই অৱদান আগবঢ়াবলৈ সক্ষম হ'ব। লাগে মাথোন আমাৰ ভৱিষ্যতৰ উত্তৰাধিকাৰী সকলৰ সযত্ন-পালিত সুষম বা সন্তোলিত ব্যক্তিত্ব। এনে ব্যক্তিত্বৰ অবিহনে চিৰাচৰিত উক্তিৰ জীৱশ্ৰেষ্ঠ প্ৰাণী মানুহ হিচাবে আমি প্ৰকৃতাৰ্থত চিনাকি দিব পাৰিমনে? নিশ্চয় নোৱাৰিম। কাৰণ

প্ৰকৃত মানুহ নাইবা উপযুক্ত নাগৰিক বুজাবলৈ হলে সুষম ব্যক্তিত্ব প্ৰথম চৰ্ত। তেন্তে কোনে ল'ব - এই ব্যক্তিত্বৰ অধিকাৰী কৰি গঢ়ি তোলাৰ দায়িত্ব? এনে প্ৰশ্নৰ তৎকালীন উত্তৰ হিচাবে আমাৰ শিক্ষা-ব্যৱস্থাৰ লগতে পৰিবেষ্টিত হৈ থকা পৰিবেশৰ কথাই মনলৈ আহে। কাৰণ পৰিবেশ, সমাজ, শিক্ষাব্যৱস্থা ইত্যাদিয়েই ইয়াৰ লগত পোনপটীয়াকৈ জড়িত থাকে। লগতে প্ৰতিপালন ব্যৱস্থাইও এইক্ষেত্ৰত বিশেষ তাৎপৰ্য্য বহন কৰে।

প্ৰতিপালন বুলিলে কেনেদৰে এটা শিশুৱে ভৱিষ্যতৰ জীৱন নিৰ্বাহৰ প্ৰশিক্ষণ লৈছে এইটোৱেই মূখ্য। আমি পৰিয়াল এটা যেনে সংস্কৃতিৰে জীৱন-নিৰ্বাহ কৰো তেনেদৰেই শিশুৰ ব্যক্তিত্বই গঢ় লয়। তেওঁলোকক কেৱল বৈষয়িক সা-সুবিধা প্ৰদান কৰাটোৱেই প্ৰতিপালন নহয়। মানসিক তথা আৱেগিক সুস্থতা গঢ়ি তোলাটোহে আচল কথা। মানসিক আৰু আৱেগিক সুস্থতাই সুষম ব্যক্তিত্বৰ প্ৰধান ছাবি-কাঠি।

এতিয়া আহোঁ শৈশৱকালীন প্ৰতিপালনত গুৰুত্ব লাভ কৰা বিষয়সমূহলৈ। কেনেদৰে শিশুৱে নিজক আৱৰি ৰখা পৰিবেশ আৰু পৰিয়ালৰ সদস্য সকলৰ পৰা বিভিন্ন শিক্ষা আহৰণ কৰে আৰু নিজৰ ব্যক্তিত্ব গঢ়ি তোলে, এইটো এটা অতি বৈচিত্ৰপূৰ্ণ বিষয়।

পৰিয়ালত সন্তান প্ৰতিপালনৰ দায়িত্ব প্ৰতি গৰাকী সদস্যৰে যদিও মাতৃৰ ভূমিকাহে বিশেষভাৱে উল্লেখযোগ্য। সমাজলৈ একোজন সু-সন্তান আগবঢ়োৱাটোৰ সমান মহান কাৰ্য আন একো হব নোৱাৰে।

সন্তান প্ৰতিপালনত পৰিয়ালৰ সদস্যসকল দৈনন্দিন ব্যৱহাৰ হোৱা কথা-বাৰ্তা, আদৱ-কায়দা বা বিষয়-বস্তুৰ প্ৰতি সদা-সতৰ্ক হোৱা উচিত। কিয়নো কেতিয়াবা ব্যৱহৃত বিষয়-বস্তুৱে সন্তানৰ ব্যক্তিত্বত বিৰূপ প্ৰভাৱ পেলায় আৰু কেতিয়াবা সু-ব্যক্তিত্ব গঢ়াত প্ৰভূত অৰিহণা যোগাব পাৰে। সন্তানৰ ব্যক্তিত্ব একেদিনাই গঢ় লোৱা বস্তু নহয়। শৈশৱৰে পৰা ইয়াৰ সমলস্বৰূপ সংলক্ষণ সমূহ শিশুৱে আহৰণ কৰে। কিছুমান সু-ব্যক্তিত্বৰ বাবে পৰিপন্থী সংলক্ষণ পৰিয়ালৰ আচাৰ আচৰণেই নিৰ্দ্ধাৰণ কৰে। উদাহৰণ স্বৰূপে আমি যদি পৰিয়ালৰ পৰিবেশত অনৱৰতে সন্তানসকলক সমালোচনা কৰি থাকো তেন্তে দেখিবলৈ পাম যে তেওঁলোক ক্ৰমশঃ অকামিলা হবলৈ আগবাঢ়িছে। কোনো কাম বা সু অভ্যাসৰ প্ৰতি অনাসক্ত হৈ পৰিছে। গতিকে এনে আচৰণ পৰিহাৰ কৰা উচিত।

পৰিয়ালৰ সদস্যসকলৰ মাজত অস্বাস্থ্যকৰ বিৰোধভাৱ বা শত্ৰুতাই সন্তানসকলক যুঁজাৰু প্ৰকৃতিৰ কৰি গঢ়ি তুলিব। কাজিয়া-পেছাল, সন্ত্ৰাস ইত্যাদি তেওঁলোকৰ বাবে সাধাৰণ বিষয়স্বৰূপ হৈ পৰিব।

লাজকুৰীয়া স্বভাৱ শিশুৰ উন্নতিত হেঙাৰস্বৰূপ হব পাৰে। এই স্বভাৱো শিশুৱে আয়ত্ব কৰে। পৰিয়ালত যদি অনৱৰতে ঠাট্টা, বিদ্ৰূপ আদি কৰি থকা হয় তেন্তে সন্তান লাজকুৰীয়া হৈ ডাঙৰ হব।

ইজন-সিজনৰ মাজত হিংসা, বিদ্বেষ ইত্যাদিয়ে সন্তানক দোষী মনোভাৱাপন্ন কৰি তুলিব। অৰ্থাৎ এই ধৰণৰ আচৰণবোৰে সন্তানৰ ব্যক্তিত্বত বিৰূপ প্ৰভাৱ পেলাবৰ বাবে যথেষ্ঠ। গতিকে প্ৰতিপালনত এনে আচৰণ পৰিহাৰ কৰাটো দৰকাৰী।

অন্যহাতেদি কিছুমান গুণ সু-ব্যক্তিত্বৰ বাবে অপৰিহাৰ্য্য। এই গুণাগুণবোৰো প্ৰতিপালিত হোৱা পৰিয়ালৰ আচাৰ-আচৰণ, আদৱ-কায়দা সমূহেই গঢ় দিয়ে। উদাহৰণ স্বৰূপে সহনশীলতা বিৰাজমান পৰিয়ালত সন্তান সকল ধৈৰ্যশীল ব্যক্তিত্বৰ গৰাকী হৈ ডাঙৰ হব। উৎসাহ, অনুপ্ৰেৰণা ইত্যাদি অনৱৰতে পাই থকা সন্তানসকল আত্মবিশ্বাসী হৈ ডাঙৰ হব। তেওঁলোকৰ মানসিক দৃঢ়তা বৃদ্ধি পাব। প্ৰশংসা উদগনি ইত্যাদি পাই থকা সন্তানসকল উপযুক্ত উপলব্ধিৰ গৰাকী হব। নিৰাপত্তাৰ আৱেষ্টনীত থকা সন্তানসকল বিশ্বাস প্ৰৱণ হব। এই নিৰাপত্তা অৰ্থনৈতিক হব পাৰে, সামাজিক হব পাৰে আৰু মানসিক হব পাৰে। সন্তানসকলে যোগ্যতা অনুসৰি অনুমোদন লাভ কৰিলে নিজক ভাল পাবলৈ শিকিব। নিজক ভাল পালেহে আনক ভাল পাব পাৰিব। পুনৰ পৰিয়ালত আদৰ, বন্ধুত্ব ইত্যাদিৰ মাজত ডাঙৰ-দীঘল হোৱা সন্তানেই শেষলৈ বিশ্বক ভাল পাবলৈ শিকিব বুলি আমি আশা কৰিব পাৰোঁ।

পৰিশেষত কওঁ- সন্তান প্ৰতিপালনত পিতৃ-মাতৃ আৰু অভিভাৱকসকল সাৱধান হোৱা জৰুৰী। তথাপি কোনো ব্যক্তি সকলো দিশৰ পৰা সম্পূৰ্ণ হোৱা সম্ভৱ নহয়। সময়ৰ অগ্ৰগতিৰ লগে লগে সামাজিক পৰিকাঠামোৰ সলনি হৈছে। মূল্যবোধৰ পৰিবৰ্ত্তন হৈছে। তথাপি সময় তথা সমাজে দাবী কৰা বাঞ্চিত গুণাগুণৰ অধিকাৰী ব্যক্তিত্ব শান্তিকামী ৰাষ্ট্ৰৰ বাবে অতীৱ প্ৰয়োজনীয়। ■

## পাতৰ তল

-ফুল কোঁৱৰ

ভালপাওঁ বুলিলেই জানো
ভালপাব পাৰি কাৰোবাক?
কবিতা এটা লিখোঁ বুলিলেই জানো
লিখিব পাৰি কেতিয়াবা?
যিমানেই নেবাঢ়ক লাগে
পাতৰ তল নহলে জানো
লাউ ডাঙৰ হ'ব পাৰে?
লাউটোক সুৰক্ষা দিয়াতে
পাতৰো অহংকাৰ
দুখত মলঙিযোৱা এখন হৃদয়
কঢ়িয়াই লৈ ফুৰিছো
দিনে নিশাই।
কোনে ভু লৈ ফুৰে
কাৰ দুখ কিমান?
কিমান মিহলি হয়
শ্ৰমিকৰ কেচা ঘাম
পকী দালানত?
লাউটোৰ আৱশ্যকতাও
ধৰা পৰে কেৱল
ভোজভাতৰ বেলিকাহে।





# হেনৰিক ইব্‌চেনৰ 'এ ডলচ্ হাউচ'ৰ প্ৰতিবাদী ন'ৰা

-অনিতা কোঁৱৰ
প্ৰৱক্তা, ইংৰাজী বিভাগ
সোণাৰি মহাবিদ্যালয়

সাহিত্য সমাজৰ দাপোন স্বৰূপ। সমাজৰ নিষ্পেষিত, আৰ্তজনৰ সুখ-দুখৰ ভাব প্ৰকাশৰ মাধ্যম হৈছে সাহিত্য। প্ৰাচীন কালৰে পৰা পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাই বান্ধি দিয়া নিয়মে নাৰীৰ স্বাধীনতাক সীমিত কৰি ৰখাৰ পৰিপ্ৰেক্ষিতত নাৰীৰ অন্তঃক্ষোভৰ বহিঃপ্ৰকাশ ঘটি সৃষ্টি হৈছিল নাৰীবাদৰ। ইউৰোপৰ পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীৰ প্ৰতি থকা বিদ্বেষ ভাব লক্ষ্য কৰি ফৰাছী লেখিকা চিমন্ দি বুভোৱাই কৈছিল- "কোনোবাই নাৰী হৈ জন্মগ্ৰহণ নকৰে, নাৰী হ'বলৈহে বাধ্য হয়।" (One is not born but rather becomes a woman) সেতিয়াই কোনো নাৰীয়ে পৰম্পৰাগত ভূমিকা সমূহ নিষ্ঠাৰে পালন কৰে তেতিয়াই তেওঁক আদৰ্শ ৰূপে গণ্য কৰা হয় আৰু সোঁতৰ বিপৰীতে গৈ এই পৰম্পৰাগত প্ৰথাসমূহ মানি চলিবলৈ অনীহা প্ৰকাশ কৰিলে সমাজৰ গৰিহণাৰ পাত্ৰী হ'ব লগা হয়। ইউৰোপীয় সাহিত্যত এখন সুকীয়া স্থান দখল কৰাৰ আগলৈকে নাৰীক লেখকসকলে পৰম্পৰাগত চৰিত্ৰৰ মাজতেই সীমাবদ্ধ কৰি ৰাখিছিল। মধ্যযুগৰ পৰা আৰম্ভ কৰি ভিক্টোৰিয়ান যুগলৈকে নাৰীক দুটা পৰম্পৰাগত বৈশিষ্ট্যৰে উপস্থাপন কৰা হৈছিল- এফালে নাৰীৰ সৰগীয় সৌন্দৰ্য্য আৰু কমনীয়তা (এন্‌জেলিক) আৰু আনফালে 'ডাইনীৰ' দৰে আচৰণ (মন্‌ষ্টাৰ)। ইউৰোপৰ নাৰীবাদী লেখিকাদ্বয় চান্দ্ৰা গিলবাৰ্ট আৰু চুচান গিউবাৰে

**ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ হৈ থাকি পৰম্পৰাগত মাতৃ, পত্নীৰ ভূমিকা পালন কৰি অহা ন'ৰা পৰিণত হৈছে সম্পূৰ্ণ এজনী নতুন মানুহলৈ যি নাৰী মুক্তিৰ সপোন দেখিছে। টৰবাল্ডে ন'ৰাক তাইৰ কৰ্তব্যৰ কথা সোঁৱৰাই দি কৈছে যে, পত্নী আৰু মাতৃ হিচাপে তাইৰ কৰ্তব্য সকলোতকৈ ওপৰত। কিন্তু তাই দৃঢ়ভাৱে ক'লে যে তাইৰ নিজৰ প্ৰতিও কৰ্তব্য আছে।**

তেওঁলোকৰ 'দ্য মেড্ অ'মেন ইন দ্য এটিক' নামৰ গ্ৰন্থত এই বিষয়ে বিশদভাৱে আলোচনা কৰিছে। নাৰীসুলভ কমনীয়তাৰে পৰম্পৰাগত প্ৰথাক নিৰ্বিবাদে গ্ৰহণ কৰা নাৰী চৰিত্ৰসমূহক সৰগীয় বুলি দেখুওৱা হৈছিল আৰু এই পৰম্পৰাগত প্ৰথাক দলিয়াই প্ৰতিবাদী ভূমিকা পালন কৰা নাৰী চৰিত্ৰ সমূহক প্ৰতীকি ৰূপত "মেডুচা', 'ডাইনী' আদিৰ লগত তুলনা কৰা হৈছিল। আজি আমাৰ লেখাৰ আলোচ্য বিষয় নাৰীবাদৰ ইতিহাস নহয়। নৰৱেৰ বিখ্যাত নাট্যকাৰ হেনৰিক ইবচেনৰ যুগান্তকাৰী নাটক 'এ ডলচ্ হাউচ'ত এগৰাকী সাধাৰণ নাৰীয়ে পৰম্পৰাগত জীৱনধাৰাৰ মাজেৰে গৈ অৱশেষত নিজৰ অস্তিত্বৰ সন্ধানত নামি পৰিছে আৰু পুতলাৰ দৰে এক আৱদ্ধ জীৱনৰ পৰা এগৰাকী নিজস্ব চিন্তাসম্পন্ন, আত্মবিশ্বাসী মহিলালৈ মেটামৰ-ফছিছ ঘটিছে সেয়া আলোচনা কৰাহে। 'এ ডলচ্ হাউচ' নাটকখনৰ নামটোৱেই এটা প্ৰতীক যি ইয়াৰ বিষয়-বস্তুক প্ৰতিফলিত কৰে। ইউৰোপৰ পিতৃ-তান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীয়ে নিজ আৱেগ-অনুভূতি বিসৰ্জন দি পুতলাৰ দৰেই পত্নী, মাতৃৰ ভূমিকা পালন কৰি আহিছিল আৰু কোনো কাৰণতে তাৰ প্ৰতিবাদ কৰা নাছিল। কিন্তু এই 'পুতলাৰ ঘৰ' খনত নাৰীয়ে সদায় পুতলাৰ দৰেই ক্ৰিয়া কৰিব নে কেতিয়াবা নিজৰ বিবেকক প্ৰাধন্য দি তেজ-মঙহৰ মানুহলৈও ৰূপান্তৰিত হ'ব- এনে এক বাস্তৱবাদী ভাৱধাৰাক লৈয়েই ইবচেনে 'এ ডলচ্ হাউচ' ৰচনা কৰিছে। নৰৱে তথা ইউৰোপৰ মধ্যবিত্ত শ্ৰেণীৰ ফোঁপোলা মূল্যবোধক উদঙাই এক বৈপ্লৱিক চিন্তাধাৰাৰ পৰিচয় দিছিল।

নাটকখনৰ নায়িকা 'ন'ৰা'ই এনে এটা পৰিৱেশত ডাঙৰ দীঘল হৈছে য'ত প্ৰত্যেকটো বস্তু তাই দেউতাকৰ দৃষ্টিৰে চাবলৈ শিকিছে। উচিত-অনুচিতৰ খতিয়ান দেউতাকৰ পৰা শিকিছে। কেতিয়াও নিজৰ ইচ্ছা-অনিচ্ছাৰ কথা চিন্তা কৰা নাই। পৰম্পৰাগত সমাজ ব্যৱস্থাই বান্ধি দিয়া নিয়মেৰে তাই হৈ পৰিছে এজনী বাধ্য ছোৱালী। শৈশৱতে তাইৰ জীৱনটোৱে এক পৰম্পৰাগত বৃত্তৰ মাজত প্ৰৱেশ কৰিছে য'ত তাই পূৰ্ব-নিৰ্দ্ধাৰিত প্ৰক্ৰিয়াৰ মাজেদি আগবাঢ়িব লাগিব। কোনো প্ৰতিবাদ নকৰাকৈ তায়ো মানসিকভাৱে প্ৰস্তুত হৈ পৰিছে পৰম্পৰাগত ভূমিকা গ্ৰহণ কৰিবলৈ জীৱনৰ প্ৰথমছোৱাত দেউতাকৰ বাধ্য কন্যা হিচাপে আৰু বিবাহোত্তৰ জীৱনত স্বামীৰ বাধ্য পত্নী হিচাপে। তাইৰ কাৰণে তাইৰ স্বামী টৰৱাল্ডেই তাইৰ আদৰ্শ, তাইৰ ভগৱান। পেছাত উকীল টৰৱাল্ড হেল্মাৰে পাছলৈ এক মোটা দৰমহাৰ বিনিময়ত বেঙ্কৰ মেনেজাৰ হিচাপে দায়িত্ব গ্ৰহণ কৰে। পত্নী ন'ৰাক তেওঁ 'পুতলাৰ দৰেই গণ্য কৰে আৰু তাইক 'স্কুইৰেল', 'লিটল স্কাইলাৰ্ক' আদি বিভিন্ন ঘৰুৱা নামেৰে সম্বোধন কৰে আৰু মাজে-সময়ে তাইক এনেদৰে গালি পাৰে যেন তাই এটি অবোধ শিশুহে। কৰ্ম আৰু সামাজিক খ্যাতিয়েই টৰৱাল্ডৰ সৰ্বৃস্ব। যেতিয়া তেওঁ গম পালে যে তেওঁৰ পত্নী এটা আইন-সম্পৰ্কীয় সমস্যাৰ লগত জড়িত আৰু এই কথাটো ৰাজহুৱা হৈ পৰিলে তেওঁৰ স্থিতিত আঘাট সানিব, তেওঁ ইমানদিনে পিন্ধি থকা মৰমীয়াল, বিশ্বস্ত স্বামীৰ মুখাখন খুলি পেলালে আৰু তেওঁৰ ভিতৰত সোমাই থকা ভণ্ড মানুহটো ওলাই পৰিল যি কেৱল নিজৰ স্বাৰ্থকহে প্ৰাধান্য দিয়ে। ন'ৰাই কিয় এই ঘটনাটোৰ লগত জড়িত হ'বলগীয়া হ'ল সেয়া টৰৱাল্ডে এবাৰো জানিবলৈ চেষ্টা নকৰিলে। টৰৱাল্ডৰ কাৰণে তাই মৃত দেউতাকৰ নামত জাল চহী কৰি এটা ঋণ লয়। সেই সময়ত টৰৱাল্ড অসুস্থ আছিল আৰু ন'ৰাই চিন্তা কৰিলে যে যদি তেওঁ ইটালীলৈ গৈ ছুটি কটায় অতি সোনকালে আৰোগ্য হৈ উঠিব। ইটালীলৈ যোৱাৰ প্ৰয়োজনীয় খৰচখিনি সংগ্ৰহ কৰিবৰ বাবে ন'ৰাই ঋণ লয় আৰু গোটেই কথাখিনি গোপনে ৰাখে আৰু বিভিন্ন ধৰণে কষ্ট কৰি অলপ অলপকৈ ঋণ পৰিশোধ কৰে। তাই নিজৰ কাৰণে কেতিয়াও চিন্তা কৰা নাছিল, মাত্ৰ এগৰাকী পতিব্ৰতা নাৰীৰ দৰে নিজৰ কৰ্তব্য পালন কৰি গৈছিল কাৰণ টৰৱাল্ডৰ প্ৰতি আছিল তাইৰ অগাধ বিশ্বাস আৰু ভালপোৱা। টৰৱাল্ডৰ প্ৰতি থকা তাইৰ বিশ্বাসৰ কাঁচঘৰটো থান-বান হৈ ভাঙি পৰিল যেতিয়াই টৰৱাল্ডে তৃতীয়জন ব্যক্তি নীলচ্ ক্ৰগষ্টাড্ৰ চিঠিৰ জৰিয়তে জাল দলিল খনৰ বিষয়ে জানিব পাৰিলে। মূহূৰ্ততে গিৰীয়েকৰ দৃষ্টিত তাই হৈ পৰিল প্ৰৱঞ্চক, ঠগ, আইন ভঙ্গকাৰী। টৰৱাল্ডে স্বাৰ্থপৰৰ দৰে কেৱল ন'ৰাকে দোষী সাব্যস্ত কৰিলে আৰু ক'লে যে এতিয়াৰ পৰা দুয়ো একেখন ঘৰত থাকিলে তেওঁলোকৰ সম্পৰ্কত দূৰত্ব থাকিব আৰু ল'ৰা-ছোৱালীৰ প্ৰতিপালনৰ ক্ষেত্ৰত তাই কোনো মাত মাতিব নোৱাৰিব কিয়নো ল'ৰা-ছোৱালীৰ ওপৰত তাইৰ বেয়া প্ৰভাৱ পৰিব পাৰে। তেওঁলোকৰ সুখৰ সংসাৰখন এতিয়া এটা ভাঙি যোৱা সপোনৰ দৰে। ঘটনাই বেলেগ দিশ ললে যেতিয়াই ক্ৰগষ্টাডে ন'ৰাক ক্ষমা খুজি এটা বাতৰি পঠালে আৰু জাল চহী থকা দলিল খনো ঘুৰাই দিলে। টৰৱাল্ড ৰক্ষা পৰিল আৰু ন'ৰাক ক্ষমা কৰি দিলে আৰু

ক'লে যে, দুয়ো এই সমগ্ৰ ঘটনাটো পাহৰি যোৱা উচিত আৰু স্বীকাৰ কৰিলে যে ন'ৰাই তেওঁৰ প্ৰতি থকা প্ৰেমৰ বাবেহে এই কাম কৰিবলগা হৈছিল। তাইৰ সমুখত টৰৱাল্ডৰ দুমুখীয়া স্বৰূপ ওলাই পৰিল। আগৰ চঞ্চল, বাধ্য ভয়াতুৰ ন'ৰাৰ ঠাইত দেখা গ'ল নিৰ্ভীক, আত্মবিশ্বাসী আৰু প্ৰতিবাদী ন'ৰাক। শৈশৱৰ পৰা প্ৰাপ্তবয়স্ক পৰ্যায়লৈকে পুৰুষ শাসিত সমাজৰ প্ৰত্যেকটো চৰ্ত নিৰ্বিবাদে মানি অহা ন'ৰাই নিজক আত্মবিশ্লেষণ কৰিবলৈ শিকিছে। টৰৱাল্ডৰ প্ৰত্যেকটো সিদ্ধান্ত বিনা প্ৰতিবাদে মানি আহিছিল কিন্তু আজি তাই উচিত অনুচিতৰ বিচাৰ কৰিবলৈ শিকিছে। প্ৰথমতে তাই আঙুলিয়াই দিলে যে টৰৱাল্ডে ইমানদিনে তাইক খেলাৰ সামগ্ৰীৰূপে ব্যৱহাৰ কৰি আহিছে। তাইৰ ভিতৰৰ মানুহজনীক আজিলৈকে চিনি নাপালে আৰু পুতলাৰ দৰে জীৱন কটাই তাই ভাগৰি পৰিছে। তাই দৃঢ়ভাৱে এই পুতলাৰ ঘৰখন এৰি যোৱাৰ সিদ্ধান্ত ব্যক্ত কৰিলে। বৈবাহিক জীৱনৰ গুৰুত্বপূৰ্ণ সময়খিনি তাই গিৰীয়েকৰ প্ৰতিটো তীৰ্যক মন্তব্য নীৰৱে সহ্য কৰি আহিছিল আৰু তেওঁৰ সিদ্ধান্তকে শুদ্ধ বুলি মানি আহিছিল। ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ হৈ থাকি পৰম্পৰাগত মাতৃ, পত্নীৰ ভূমিকা পালন কৰি অহা ন'ৰা পৰিণত হৈছে সম্পূৰ্ণ এজনী নতুন মানুহলৈ যি নাৰী মুক্তিৰ সপোন দেখিছে। টৰৱাল্ডে ন'ৰাক তাইৰ কৰ্তব্যৰ কথা সোঁৱৰাই দি কৈছে যে, পত্নী আৰু মাতৃ হিচাপে তাইৰ কৰ্তব্য সকলোতকৈ ওপৰত। কিন্তু তাই দৃঢ়ভাৱে ক'লে যে তাইৰ নিজৰ প্ৰতিও কৰ্তব্য আছে। ন'ৰাৰ সিদ্ধান্তই সামাজিক গণ্ডীৰ মাজত অৱদমিত হৈ থকা নাৰীৰ অৱচেতন মনৰ স্বতঃস্ফূৰ্ত ক্ষোভকেই প্ৰকাশ কৰিছে। সামাজিক, অৰ্থনৈতিক নিৰাপত্তাৰ বাবে পুৰুষৰ ওপৰত নিৰ্ভৰশীল নাৰীয়ে পৰিবৰ্ত্তনশীল সময়ৰ লগে লগে অস্তিত্বৰ প্ৰশ্নক লৈ সজাগ হৈ উঠিছে। নিৰ্বিবাদে গ্ৰহণ কৰি অহা পৰম্পৰাগত নিয়মসমূহক যুক্তিৰে বিশ্লেষণ কৰিবলৈ শিকিছে।

'এ ডলচ্ হাউচ'ৰ সামৰণিত ন'ৰাৰ ঘৰ ত্যাগৰ সিদ্ধান্তই নৰৱে তথা জাৰ্মানীত যথেষ্ট বিতৰ্কৰ সৃষ্টি কৰিছিল। জাৰ্মানীত নাটখন প্ৰদৰ্শনৰ বাবে ইব্‌চেনে সামৰণিতো সলাবলগীয়া হৈছিল য'ত ন'ৰাই তাইৰ লৰা-ছোৱালী কেইটাক প্ৰত্যক্ষ কৰি ঘৰ এৰাৰ সিদ্ধান্ত ত্যাগ কৰিছিল। এই বিতৰ্কসমূহত নাৰী অধিকাৰ সম্পৰ্কীয় কোনো বিষয়ে ঠাই পোৱা নাছিল। বহুতে ন'ৰাই আত্ম-পৰিচয় বিচাৰি নিজৰ লৰা-ছোৱালীৰ ভৱিষ্যত আওকান কৰাটো এগৰাকী নাৰীৰ সামাজিক স্থিতিৰ পৰিপন্থী বুলি ক'ব খোজে। সকলোৱে কেৱল ন'ৰাৰ সিদ্ধান্তক লৈ ব্যস্ত হৈ পৰিছিল। কিন্তু কোনেও নাটকখনৰ অন্তৰ্নিহিত জটিল বিষয়সমূহ ফঁহিয়াই চোৱা নাছিল। ইংলেণ্ডত মাৰ্ক্সবাদীসকলে নাটকখন যোগাত্মক দৃষ্টিৰে চাইছিল। তেওঁলোকে দাসত্ব তথা যিকোনো প্ৰকাৰৰ শোষণৰ অন্ত বিচাৰিছিল তথা নাৰী-পুৰুষৰ সমঅধিকাৰৰ বিষয়ে গুৰুত্ব আৰোপ কৰিছিল। আমেৰিকাত 'এ ডলচ্ হাউচ'ৰ প্ৰতি সমালোচক সকলৰ প্ৰাৰম্ভিক প্ৰতিক্ৰিয়া উৎসাহজনক নাছিল। কিন্তু ১৯০৫চনত এথেল বেৰিমূৰে অভিনয় কৰা নাটকখনক নাৰীবাদৰ হোতাসকলে গ্ৰহণ কৰিলে। বেৰিমূৰৰ অভিনয়ৰ মাজত আমেৰিকাৰ মহিলা সকলে নিজৰ সৱলীকৰণৰ প্ৰচেষ্টাক দেখা পাইছিল। মধ্যবিত্ত শ্ৰেণীৰ জীৱন-ধাৰা অঙ্কনত ইব্‌চেনৰ প্ৰয়াস সাৰ্বজনীন ৰূপত পৰিগণিত হয়। ১৯৮৬ চনত নাটকখনৰ এটা সমালোচনাত নিউয়ৰ্ক টাইমছৰ নিয়মীয়া লেখক ৱাল্টাৰ গুড্‌মেনে কৈছে যে 'এ ডলচ্ হাউচ' হৈছে 'নাৰীবাদৰ এখন মহান দলিল আৰু ন'ৰা হৈছে নাৰী মুক্তিৰ হোতা স্বৰূপ'। বিভিন্ন সমালোচনাৰ সন্মুখীন হ'লেও 'এ ডলচ্ হাউচ'ৰ মাজতে নাৰীৰ অধিকাৰ সম্পৰ্কীয় সজাগতাৰ অঙ্কুৰণ ঘটে। ন'ৰাৰ প্ৰতিবাদী কণ্ঠই নাৰীৰ বাবে অৰ্থনৈতিক, সামাজিক স্বাধীনতাৰ দুৱাৰখন মুকলি কৰি দিছে। ■

# দিদি

- ৰুণু সন্দিকৈ

কথাটো শুনাৰ লগে লগে আমি আটায়ে আচৰিত হৈছিলো। বহুত সময় মুখৰ পৰা কোনো শব্দ ওলোৱা নাছিল। সন্দেহ হৈছিল কথাটো সঁচানে-মিছা বুলি ভাবি। কথাটো যেতিয়া সঁচা বুলি নিশ্চিত হৈছিলো তেতিয়া হাঁহি উঠিছিল অলপ কমকৈ। ভাহি আহিছিল 'দিদি' নামৰ সেই বাগানীয়া বুঢ়ী গৰাকীৰ ছবি। কথা-বাৰ্তাত বেচ গহীন আছিল। আমাৰ চুবুৰীৰ দত্ত মাষ্টৰৰ ঘৰত কেঁচুৱা ৰাখিবৰ বাবে কেইবাবছৰ ধৰি বুঢ়ী দিদিক ৰাখিছিল। 'মাধৱ দত্ত'ই নাগালেণ্ডৰ কোনোবা ভিতৰুৱা ঠাইত শিক্ষকতা কৰে। দত্তৰ পত্নী 'অনুপমা' ঘৰৰ পৰা তিনিমাইল দুৰৰ প্ৰাইমেৰী স্কুল এখনৰ শিক্ষয়িত্ৰী। যাতায়তৰ অসুবিধাৰ বাবে দত্ত সঘনে ঘৰলৈ আহিব নোৱাৰে। কেইবাজনীও বনকৰা ছোৱালী ৰাখিছিল। কোনোজনী দুদিনমান থকাৰ পিছত মাক-দেউতাকে খবৰ কৰিবলৈ অহা দিনাখন লগতে গুচি যায়। কোনোজনী এবাৰ ঘৰলৈ যাওঁ বুলি যোৱাৰ পিছত আৰু ঘুৰি নাহে। কেতিয়াবা মাষ্টৰণীৰ (অনুপমা) চাকৰিকে এৰিবৰ মন যায় এনেবোৰ অসুবিধাত পৰি। কোনোবা এজন আত্মীয় মানুহে তেওঁলোকৰ অসুবিধালৈ চাই বুঢ়ী দিদিক যোগাৰ কৰি দিছিল। দিনটোৰ বাবে দিদিক ছোৱালী দুজনী চমজাই মাষ্টৰণীয়ে নিশ্চিন্ত মনে স্কুললৈ যায়। এৰা 'দিদি' সেই চুবুৰীৰ পৰিচিত নাম। ল'ৰাৰ পৰা বুঢ়ালৈকে আনকি মাত থুনুক-থানাককৈ ফুটা ল'ৰা-ছোৱালীয়েও ডাঙৰ বাবে অন্য নামে মাতিবলৈ বেয়া পায়। বাৰ্দ্ধক্য আৰু অভাব দুয়োটা যোগ হৈ কোঙা কৰি পেলোৱা দিদিৰ মনত হাজাৰ অভিযোগ ঠাহ খাই আছে। মন যায় জীৱনৰ সকলো কাহিনী খুলি ক'বলৈ। কিন্তু শুনে বা কোনে তাইৰ দৰে বন কৰা মানুহ এজনীৰ কাহিনী।

দিনটো ছোৱালী দুজনীৰ লগত থাকি ওচৰৰ মানুহবোৰৰ আদৰ-কায়দাবোৰ লক্ষ্য কৰি থাকে। আনৰ আনন্দ স্ফুৰ্তিবোৰ দেখিলে তাইৰ বৰ হিংসা হয়। সিহঁতৰ দৰে তাইও বিচাৰে এখন সোণৰ সংসাৰ। এনোবোৰ চিন্তাত বিভোৰ হৈ থাকোতে কেতিয়াবা ছোৱালী দুজনীয়ে আমনি কৰিলে দিদিৰ খং উঠে। আকৌ ভাবি চায়- ঘৰখনতো তাইৰ নিজৰ দৰেই। ছোৱালী দুজনীয়ে তাইক মাকতকৈ বেছি ভাল পায়। দত্ত মাষ্টৰ প্ৰতিবাৰ ঘৰলৈ আহোঁতে যাবৰ সময়ত কৈ যায় - 'দিদি ইহঁত দুজনীক তোমাকে চমজালো। ঘৰখন নিজৰ দৰে চাবা। মইতো যেতিয়াই তেতিয়াই আহোঁ বুলিলেই আহিব নোৱাৰো।' কেতিয়াবা তাৰ পৰা গুচি যোৱাৰ কথা চিন্তা কৰিলেও এই কথাকেই যাৰ মনত পৰিলে এৰি যাব নোৱাৰে। মাষ্টৰণীয়েও নিজৰ মাকৰ দৰে ব্যৱহাৰ কৰে। ক'ৰবালৈ ফুৰিবলৈ গ'লে নিজৰ চাদৰ-মেখেলাকে পিন্ধিবলৈ দিয়ে।

সময়মতে ছোৱালী দুজনীক গা ধোওৱা, খাবলৈ দিয়া, কাপোৰ পিন্ধোৱাকে আদি কৰি সকলো কাম এলাহ নকৰাকৈ দিদিয়ে কৰি যায়। মাজে মাজে দিদিৰ চিন্তা হয় ইহঁত দুজনী ডাঙৰ হোৱাৰ পিছত এইখন ঘৰত তাইৰ প্ৰয়োজন কমি আহিব। ছোৱালী দুজনীৰ গণ্ডৰ বাহিৰে ঘৰখনত বিশেষ কাম তাই নকৰে। প্ৰায়বোৰ কাম মাষ্টৰণীয়ে নিজেই কৰে। যদি তেনেকুৱা হয়, তেতিয়া দিদিয়ে বাৰু ক'ত থাকিব? নাইবা তেনেকুৱা এঘৰ মানুহ পাব ক'ত? কেতিয়াবা এনেকুৱা ধৰণৰ কিছুমান চিন্তাই দিদিৰ মনৰ এফোণত থুপ খাইহি। দিদিয়ে কৰা চিন্তা বাস্তৱ ৰূপ পাবলৈ বেচিদিন নালাগিল। 'অৰ্চনা' নামৰ মাষ্টৰণীৰ ভাগিনীয়েক তাতে থাকি পঢ়িবলৈ বুলি আহিল। কলেজত পঢ়া ছোৱালী যেতিয়া নিজে নিজৰখিনি কৰাৰ উপৰিও মাষ্টৰণীৰো কিছু ক্ষেত্ৰত সহায় হ'ব। সিদিনাই দিদিয়ে ভালকৈ জানিছিল যে - এইখন ঘৰত তাইৰ প্ৰয়োজনীয়তা লাহে লাহে কমি আহিছে। ডাঙৰ ছোৱালীজনী স্কুললৈ যাব পৰা হ'ল। এবছৰৰ পিছতে সৰুজনীও যাব। সেয়ে দিদিয়ে ওচৰৰ শইকীয়ানী প্ৰফেচাৰণীৰ ঘৰত থাকিবলৈ মনে মনে যোগাযোগ কৰিলে। দৰমহা কম হোৱাৰ অজুহাত দেখুৱাই তাৰ পৰা গুচি গৈছিল। এইখন ঘৰৰ আদৰ-কায়দাবোৰ অলপ বেলেগ ধৰণৰ, সিখন ঘৰতকৈ। কথাবোৰ জুখ-মাখি ক'ব লাগে। প্ৰফেচাৰণীৰ ছোৱালীজনী এম-এ আৰু ল'ৰাটো ডিগ্ৰীত পঢ়ি আছে। সিহঁত দুটাই তাইক সকলোৰে পৰিচিত 'দিদি'ৰ পৰিৱৰ্তে 'বুঢ়ী' বুলিহে মাতে। কেতিয়াবা সিহঁত দুটা বন্ধত আহিলে দিদিয়ে বৰ আমনি পায়। সময়মতে চাহৰ পৰ্ব কোনো কাপত চেনি দিয়া, কোনো কাপত চেনি নিদিয়া, গাখীৰ দিয়া গাখীৰ নিদিয়া এইবোৰ যোগান ধৰোতে দিদিৰ খঙে মূৰৰ চুলিৰ আগ পায়গৈ। আকৌ প্ৰফেচাৰণীৰ লগৰবোৰ আহিলে দিদিৰ তৎ হেৰাই যায়। দিনটো ব্যস্ত থাকি গধূলি হ'লে তাইৰ বৰ ভাগৰ লাগে।

ৰাতিপুৱা সাৰ পাওঁতে দেৰি হ'লেই প্ৰফেচাৰণীৰ গালি আৰম্ভ হয়- 'তোৰ এই অহংকাৰৰ বাবেহে এতিয়াও এই বয়সত লোকৰ ঘৰত কাম কৰি খাব লগা হৈছে।' বাচনবোৰ ধোওঁতে সদায় ক'বলৈ নেপাহৰে যে - 'চাহৰ কাপবোৰ ভালকৈ ধুবি যাতে ঠাৰিবোৰ চিঙি নেযায়।' এই কথাযাৰ শুনাৰ লগে লগেই তাই আটাইবোৰ বাচন ভাঙি গুৰি কৰি পেলাবৰ মন যায়। কিন্তু উপায় নাই যেতিয়া কৰিবই লাগিব। বয়সৰ বাবে পাব লগা মৰ্যাদাৰ পৰাও তাই বঞ্চিত। অতীতৰ দীঘল ছাঁটোত কেতিয়াবা নিজকে চাই দুচকুত পানীৰে ভৰি পৰে। দুখবোৰ কিজানি তাইৰ জীৱনত অলপ বেছিকৈ দিলে ভগৱানে। জীয়াই যেতিয়া থাকিবই লাগিব তেতিয়া নিশ্চয় কিবা এটা কৰিবই লাগিব। যিহেতু ক্ষুধাই অভাৱৰ যাতনা কেতিয়াও নামানে। যেতিয়া মানুহে মানুহৰ পৰা কেৱল সুবিধা আদায় কৰিব বিচাৰে তেতিয়া তাইও নিশ্চয় নিজৰ ৰবীয়াকৈ কিবা এটা সুবিধা কৰি ল'ব। তাইৰ পুতেক-জীয়েকৰ তুল্য ল'ৰা-ছোৱালীয়ে যেতিয়া সন্মান কৰিব নিবিচাৰে, তেতিয়া তাইও সেইখন সমাজত মান-সন্মান আছে বুলি সিদিনাৰ পৰা ভাবিবলৈ এৰি দিছিল।

এনেবোৰ চিন্তাৰ ধুঁৱলি-কুঁৱলীৰ

মাজতে তাইৰ জীৱনলৈ অহ
আটাইতকৈ ঘৃণনীয় ব্যক্তি হৰিদাস
অত্যাচাৰবোৰ মনলৈ ভাহি আহে। তা
তাৰ নাম ল'ব নোখোজে, মুখ চা
নিবিচাৰে। এখন সমাজক সাক্ষী কৰিয়ে
তাই হৰিদাসক আপোন কৰি লৈছিল
বাগিচালৈ গৈ সমানে উপাৰ্জনে
কৰিছিল। বিয়াৰ এবছৰ পিছতে লচমী
আহিছিল সিহঁতৰ মাজলৈ লচমী
হাঁহিয়ে সিহঁতৰ দুখ-ভাগৰ কাঢ়ি নিছিল
লচমীৰ জন্মৰ পাঁচবছৰৰ পিছতে
যেতিয়া সিহঁতৰ কোনো সতি-সন্তত
নাহিল তেতিয়া হৰিদাসে মনত বৰ দু
পাইছিল আৰু মনৰ বেজৰতে ম
খাইছিল। বাগিছাৰ লাইনৰ মানু
ধেমালীতে কেতিয়াবা জোকাইছিল
তোৰ মাইকীৰ আৰু ল'ৰা-ছোৱালী নহ
নেকি।' তেতিয়া সি বৰ লাজ পায়। মন
বেজাৰতে মদৰ পৰিমাণ বাঢ়িছিল আৰ
দিদিৰ শৰীৰৰ ওপৰত এচাৰিৰ কো
কেইটামানো বাঢ়িছিল সিদিনা। '-তই
গুচি যাবি মা-বাবাৰ ঘৰলৈ। মই বেলেগ
এটা মাইকী আনিম। তোৰ বেটিকো লৈ
যাবি।' অত্যাচাৰ সহ্য কৰিব নোৱাৰি
কেতিয়াবা বাৰাণ্ডাত, কেতিয়াবা মুৰ্গী
গৰালত ৰাতি কটাবলগীয়া হয়।

অত্যাচাৰৰ সীমা বাঢ়ি যোৱা বাবে
এদিন লচমীক লৈ ওলাই আহিছিল
সেইখন ঘৰৰ পৰা। মনৰ ভিতৰত আছিল



অযুত প্ৰশ্ন। কাৰ আগত ক'ব। লচমীৰ আশাভৰা মুখখনলৈ চাই তাই আত্মহত্যাও কৰিব নোৱাৰে। কোনোবা আত্মীয় মানুহৰ মাটিতে জুপুৰি এটা সাজি দিন হাজিৰা কৰি দিনবোৰ কটাইছিল। ৰাতিবোৰ তাইৰ বাবে বৰ দীঘল যেন লাগে। লচমী ডাঙৰ হৈ আহিল, মাকৰ কামৰ কিছু সহায় হ'ল। অভাৱ-অনাটনৰ মাজতো তাইৰ দেহে পূৰ্ণতা লাভ কৰিলে। হয়তো এনে পূৰ্ণতাই ডেকা 'সুখলাল'ৰ অন্তৰত জুই জ্বলাইছিল। দুটা মন এটা হোৱাৰ প্ৰতিশ্ৰুতিৰে এদিন মাকৰ বুকুৰ মাজৰ পৰা আঁতৰি গৈছিল লচমী। সিদিনাৰ পৰা দিদিয়ে বেচিকৈ অকলশৰীয়া অনুভৱ কৰিছিল যদিও গাভৰু ছোৱালী এজনী ৰখাৰ দায়িত্ব কমিল বাবে দুখৰ মাজত ভালো পালে। পিচত লচমীৰ অনুৰোধক্ৰমে সেই ঠাই এৰি লচমীৰ ঘৰলৈ বুলি গুচি আহিল। সুখলাল আৰু লচমীয়ে ল'ৰা-ছোৱালী ৰখীয়া দি একো চিন্তা নোহোৱাকৈ বাগিচালৈ যায়। কিন্তু সেই সুখ দিদিৰ বাবে বেচিদিন নিটিকিল। লচমীৰ জীৱনলৈ অন্ধকাৰ নামি আহিল। মহামাৰী ৰূপে দেখা দিয়া গ্ৰহনীৰোগে বহুজনী তিৰোতাৰ লগতে তাইৰ কপালো উকা কৰিলে। বিজুলী চমকনিৰ দৰে অহা সুখৰ মিচিলত বিভোৰ হোৱা লচমীয়ে মানি ল'ব পৰা নাছিল নিয়তিৰ আহ্বানক। প্ৰত্যাহ্বান জনোৱাও সাহস নাছিল তাইৰ। কান্দোনত প্ৰকাশ কৰিচিল বুকুৰ আপোনজনক চিৰদিনৰ বাবে হেৰুৱা বেদনাবোৰ। কেৱল তাইৰ উপাৰ্জনে পৰিয়ালটি চলিবলৈ অসুবিধা হ'ল। সেয়ে দিদিয়ে এদিন চুড়ান্ত সিদ্ধান্ত লৈছিল যে-তাই কাৰোবাৰ ঘৰত কেঁচুৱা ৰাখি হ'লেও কিছু টকা উপাৰ্জন কৰিব আৰু লচমীৰ সংসাৰ চলোৱাত সহায় হ'ব। এই সিদ্ধান্ত লোৱা কিছুদিনৰ পিছতে খবৰ পাইছিল দত্ত মাষ্টৰৰ ঘৰৰ পৰা।

কম বয়সীয়া লচমীৰ চেহেৰাৰ উজ্বলতা তেতিয়াও কমি যোৱা নাছিল। ইমানবোৰ দুঃখ-বেদনাৰ মাজতো তাইৰ সৌন্দৰ্য দুপৰীয়া সূৰ্যটোৰ দৰেই উজ্বল আছিল। জীৱনৰ বাকী থকা দিনবোৰৰ সৈতে যুঁজ দিবলৈ লাইনৰে 'মলখু' তাইৰ কাষলৈ আহিল। তাই আৰু ল'ৰা-ছোৱালী কেইটাৰ অভিভাৱক এজনৰ অভাৱ অনুভৱ বাৰুকৈয়ে কৰিছিল। দিদিয়ে একো মন্তব্য দিয়া নাছিল যদিও মানুহক যে এখন স্থায়ী ঘৰ, বুকুৰ আপোন ব্যক্তি এজনৰ প্ৰয়োজন এই কথা তাই জীৱনৰ ভাটি বয়সত বৰকৈ উপলব্ধি কৰিছিল যদিও হৰিদাসৰ কাষৰ পৰা আঁতৰি অহা বহুবছৰ হ'ল। তথাপি তাই শিৰৰ সেন্দুৰ মচা নাছিল। কোনোবা

এজন কল্পনাৰ হৰিদাসৰ কথা মনত সদায়ে পুহি ৰাখিছিল এই বয়সলৈকে। এদিন পুহি ৰখা চিন্তাই গজালি মেলিল আৰু দুবছৰ আগতে 'জয়ৰাম' ঠিকাদাৰে দিয়া প্ৰস্তাৱটোত সন্মতি জনালে। বিচিত্ৰতাৰে ভৰা পৃথিৱীৰ বিচিত্ৰ মানুহৰ বিষয়ে দিদিৰ বাৰুকৈয়ে অভিজ্ঞতা হৈছিল। সেয়ে দত্ত মাষ্টৰৰ ঘৰৰ দৰে এদিন শইকীয়ানী প্ৰফেচাৰণীৰ ঘৰৰ পৰাও বজাৰ কৰাৰ কাৰণ দেখুৱাই ওলাই আহিছিল পত্নী আৰু সন্তানবিহীন বয়সে গৰকা জয়ৰাম ঠিকাদাৰৰ কাষলৈ। লাজ, ভয়, সংশয়, সকলো একাকাৰ হৈছিল সিদিনা। হয়তো বহুবছৰৰ পিছত হাঁহিছিল খোলাকৈ। নিঠৰুৱা জয়ৰামৰ বুকুত মূৰ গুজি কৈ গৈছিল অতীতৰ জীয়া কাহিনীবোৰ টুকুৰা-টুকুৰকৈ। কেনেকৈ বহু আশাৰে গঢ়া সোণৰ সংসাৰখন কালৰ ধুমুহাই উৰুৱাই নিলে যাৰ বাবে তাইৰ এই অৱস্থা। বেদনাত ভাঙি পৰি মাতটো ক'ৰবাত থোকা-থুকি হৈছিল।

তথাপি এটা অধ্যায়ৰ সমাধি দিবলৈ চেষ্টা কৰি জয়ৰামৰ সৈতে দিদিৰ দিন বাগৰিছিল এদিন-দু দিনকৈ। কেতিয়াবা কোনোবাই ইতিকিঙৰ সুৰত জোকালে দীঘল হুমুনিয়াহ এটা কাঢ়ি কয়-"সেই বোৰ বহুত কথা তহঁতি নুবুজিবি।" ■



# "অভিমানী মোৰ গাওঁখন"

- জোনালী বৰপূজাৰী

ানে ধুই নিকা কৰা
মোৰ গাওঁখনলৈ,
তোমালোকে যধে মধে নোসোমাবা।
মোৰ গাঁৱৰ কলা-সংস্কৃতিক লৈ
তোমালোকে হেতালি নেখেলিবা,
াহিবা
িশ্বদৰবাৰত জাহিৰ কৰিবলৈ নাযাবা,
মোৰ গাঁৱৰ কলা-সংস্কৃতিখিনি যে
তোমালোকৰ জাতীয় সংস্কৃতি।
ানে ধুই নিকা কৰা মোৰ গাঁৱত
াতিয়া
াহি কোনো উচ্চ-নীচ, ভেদা-ভেদ ভাৱ,
ুইতৰ বুকুৰ জীয়াঢলে বান্ধ ভাঙি
কলোকে একাকাৰ কৰি গ'ল।
ুইতৰ বালিত
াশাৰ বালি ঘৰ সাজি সাজি
িটো দিনেই পাৰ কৰি দিছো
জাগৰে,
াৰ গাৱঁৰ আহিনৰ পথাৰখন
িয়া,
িলিৰে ঢাকি ৰখা মৰুভূমিৰ পৰিবেশহুু
দী পূজাৰ বতৰতে এইবাৰ,
তি বিহুটো উলহ-মালহেৰে উদ্‌যাপন
িম।
খন পথাৰতে,
াহিবা কিন্তু তোমালোক
 মহোৎসৱো তাতেই পাতিম।

উদুলি-মুদুলি পৰিবেশৰ সৃষ্টি কৰি,
বিশ্ব পৰ্যটনৰ থলী কৰি পেলাম
মোৰ গাওঁখন।
বাতৰি কাকত, দূৰদৰ্শনৰ শিৰোণাম দখল
কৰি,
মোৰ গাঁৱৰ নাম আৰু প্ৰতিচ্ছবি
জিলিকাই তুলিম
মাজুলী নাইবা ধেমাজী নতুবা অনামী
বুলি,
তোমালোকে বাঃ বাঃ লবা।
কিন্তু সাৱধান
বানে গৰকা মোৰ গাঁৱৰ নগ্ন ভোকাতুৰৰ
পুতৌ লগা ছবিখন,
কোনোদিনেই ডাঙি নধৰিবা বিশ্বদৰবাৰত
কিজানিবা লাঘৱ হ'ব পাৰে
তোমালোকৰ সন্মানিত আসনখনত।
দুৰ্দশাগ্ৰস্ত হ'লেও
অনাবিল আনন্দেৰে ভৰি থকা মোৰ
গাওঁখনক লৈ
তোমালোকে ৰাজনীতি নকৰিবা,
এনেকৈয়ে জীয়াই থাকিবলৈ দিয়া
মোৰ গাঁৱৰ মাজেৰে বৈ যোৱা
লুইতৰ বুকুৰে উপচি পৰা
পাৰা পাৰহীন
বানে ধুই নিকা কৰা
পৱিত্ৰ মোৰ গাওঁবাসীক। ■

# নাৰী সবলীকৰণৰ প্ৰয়োজনীয়তা আৰু উপলব্ধি

*সুশীল কুমাৰ চুঁড়ী*
*প্ৰৱক্তা, সোণাৰি মহাবিদ্যালয়।*

এখন সমাজৰ উন্নতিৰ প্ৰকৃতি নিৰ্ভৰ কৰে সেই সমাজৰ অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক অৱস্থাৰ ওপৰত। কিন্তু উন্নতি প্ৰায় জঠৰ হৈ পৰে যদিহে- সেই সমাজত বসবাস কৰা জনসংখ্যাৰ পঞ্চাশ শতাংশ ঘৰ মহিলাৰ উন্নতি নহয়। তাৰোপৰি ই এক জটিল ৰূপ ধৰে যদিহে এই জনসংখ্যা গ্ৰাম্যাঞ্চলৰ দুখীয়া অশিক্ষিত আৰু ৰক্ষণশীল হয়। কাৰণ আমাৰ গাওঁবোৰ সাধাৰণতে নানানটা সমস্যাত জৰ্জৰিত। তাতে আকৌ মহিলাসকলৰ অৱস্থা ভূতৰ ওপৰত দানহ পৰা বিধৰ। শ্ৰেণীদণ্ড, জাতিবাদ, ৰীতি-নীতি সংস্কৃতি পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ সকলো বোজা মহিলা সকলেই প্ৰধানত কঢ়িয়াব লগাত পৰে। সমীক্ষা সমূহৰ পৰা দেখা যায় যে মহিলাসকলৰ সামাজিক মৰ্য্যাদা অধীনতা মূলক ধন সম্পত্তিৰ ওপৰত স্বত্ব সীমিত। তদুপৰি গাৱঁৰ দুখীয়া সম্বলহীনা মহিলা সকল মজুৰি অৰ্জন কৰা শ্ৰমিক বা অন্য উৎপাদনশীল কামত আত্মনিয়োগ কৰা নাৰী সকলতকৈ মৰ্য্যাদাহীনা। মহিলাৰ পুৰুষৰ তুলনাত সম্পত্তিৰ ওপৰত নিয়ন্ত্ৰণ কম। সেয়ে আমাৰ দেশৰ মহিলা সকলে নিজৰ জন্ম দোষত এবাৰ আৰু আৰ্থিক দুৰৱস্থাৰ বাবে আনবোৰ নিজস্ব কৰ্তৃত্ব হেৰুৱাব লগা হয়। নাৰীৰ এই দুৰৱস্থা দেখিয়েই দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱহৰলাল নেহেৰুৱে কৈছিল যে- এগৰাকী মাতৃৰ পুত্ৰ স্নেহ অসীম হব পাৰে। কিন্তু মাতৃ গৰাকীৰ বাবে উচ্চমান বিশিষ্ট সন্তান লালন-পালন দিয়াটো সম্ভৱ নহব পাৰে যদিহে সেই গৰাকী নাৰী দুখীয়া আৰু পীড়িত; অশিক্ষিত আৰু তথ্যহীন; ৰক্তহীন আৰু ৰুগ্ন হয়; ৫-৬ টা সন্তানৰ মাতৃ হয়। পিছপৰা অঞ্চলৰ অধিবাসী হয়, য'ত বিশুদ্ধ খোৱা পানী নিৰাপদ পয়-প্ৰণালীৰ ব্যৱস্থা নাই আৰু স্বাস্থ্যৰ নিম্নতম সুবিধাকনো নাপায় বা সমাজ তথা নিজৰ সন্তানৰ পিতৃৰ পৰাও সহায় নাপায়।

লিংগ বৈষম্য উন্নত সমাজৰ বাবে যিহেতুকে অপযশ সেই কাৰণেই বিভিন্ন সময়ত প্ৰগতিশীল মহলে নিজৰ অধিকাৰক লৈ কৰা সংগ্ৰামৰ দৰে ইয়াৰো এটা দীঘলীয়া ইতিহাস আছে। এই ক্ষেত্ৰত বাটকটীয়া স্বৰূপ হৈছে ১৬১১ চন যি বছৰত আমেৰিকাৰ মাছাছুচেট প্ৰদেশত মহিলা অধিকাৰৰ প্ৰথম খন বিধি গ্ৰহণ কৰিছিল। ১৭৮০ চন যি বছৰত মহিলাক পুৰুষৰ দৰে সমান, ভোটাধিকাৰৰ ক্ষমতা দিয়া হয়। পুণৰ একে দেশতে ঘটা আন এটা গুৰুত্বপূৰ্ণ ঘটনা হ'ল ১৮৫৭ চনৰ, ৮ মাৰ্চ যিদিনাখন এটা চিলাই ফেক্টৰীত কৰ্মৰত মহিলা সকলে নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ গৈ সীমিত কামৰ সময় আৰু সমান দৰমহাৰ বাবে ধৰ্মঘট কৰিছিল। এই মহিলা সকলে কৰা লিংগ বৈষম্যতাৰ বিৰোধীতা আৰু পুৰুষৰ সমান কামৰ পাৰিতোষিক বিচাৰি দাবী কৰি যি নজিৰ বিহীন সংগ্ৰাম কৰিলে যাৰ বাবে পৃথিৱীবাসীয়ে এই দিনটো বিশ্ব মহিলা দিৱস হিচাবে পালন কৰি আহিছে। উল্লেখযোগ্য যে ১৯৭৫ চনতো আন্তৰ্জাতিক মহিলা বছৰ আৰু ১৯৭৫-৮৫ দশকটো আন্তৰ্জাতিক মহিলা দশক (UNO) হিচাবে ঘোষণায়ো এই দিশত দ্ৰুত পৰিৱৰ্তন আনিছিল।

ভাৰতবৰ্ষত মহিলা সমৃদ্ধিৰ প্ৰথম গুৰুত্বপূৰ্ণ পদক্ষেপ আছিল ১৯৭৪ চনৰ লিংগ বৈষম্যৰ কাৰণ উদ্‌ঘাটনৰ আৰু ভাৰতীয় মহিলাৰ অৱস্থা সম্পৰ্কে অধ্যয়ণৰ বাবে গঠন কৰি দিয়া 'মহিলা কমিটি' খন যিখন কমিটিয়ে সংসদত দাখিল কৰা প্ৰতিবেদনত (১৯৭৫) কিছুমান আপত্তিজনক সমস্যাৰ বিষয়ে কৈছিল। এইবোৰৰ ভিতৰত আছিল প্ৰধানতঃ

ক) ক্ৰমান্বয়ে পুৰুষৰ তুলনাত মহিলাৰ জন্মহাৰ হ্ৰাস (প্ৰতিহাজাৰ মহিলাৰ সংখ্যা পুৰুষতকৈ অস্বাভাৱিক ভাবে কমি যোৱা পৰিসংখ্যা)

খ) স্বাস্থ্য, শিক্ষা আৰু নিয়োগ আদি গুৰুত্বপূৰ্ণ ক্ষেত্ৰত থকা লিংগ বৈসাদৃশ্য।

গ) নীতি নিৰ্দ্ধাৰণত থকা মহিলাৰ নগন্য অংশ গ্ৰহণ।

ঘ) মহিলাৰ বিৰুদ্ধে দৈনন্দিন বাঢ়ি যোৱা হিংসা অপৰাধ আদি।

এই কমিটিৰ পৰামৰ্শৱলীয়ে কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ দৃষ্টি আকৰ্ষণ কৰিছিল। ফলস্বৰূপে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ে মহিলা আৰু শিশু উন্নয়নৰ বাবে পৃথক বিভাগ খোলা দেখা যায়। কালক্ৰমত এই বিভাগটোৱেই(২০০৬ চনৰ ৩০ জানুৱাৰীত) এটা সুকীয়া মন্ত্ৰানালয়ৰ ৰূপ লয়। পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবৰ বাবে ২০০১ চনত ৰাষ্ট্ৰীয় মহিলা সবলীকৰণ নীতি ঘোষণা কৰা হয়। তদুপৰি ২০০১ চনতো মহিলা সমৃদ্ধিৰ বছৰ বুলিও ঘোষণা কৰি ৰাষ্ট্ৰই বিশেষ মনোযোগিতা প্ৰকাশ কিছু নিৰ্দেশনা জাৰি কৰে।

ক) মহিলাৰ যোগাত্মক উন্নতিৰ স্বাৰ্থত অৰ্থনৈতিক আৰু সামাজিক নীতি সমূহৰ দ্বাৰা নিজৰ সক্ষমতাক বুজি পাবলৈ সহায় কৰিবলৈ এটা পৰিবেশ তৈয়াৰ কৰাত গুৰুত্ব।

খ) আইনসন্মত আৰু বাস্তৱ ক্ষেত্ৰত

থকা সকলো মানৱ অধিকাৰ আৰু মৌলিক অধিকাৰ পুৰুষৰ সমানে যাতে মহিলাইপায় তাৰ ব্যৱস্থা কৰা।

গ) ৰাষ্ট্ৰৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক নীতি নিৰ্দ্ধাৰণ কৰাত মহিলাৰ সমান অংশ গ্ৰহণ স্থিৰ কৰা।

ঘ) স্বাস্থ্য, শিক্ষা, নিয়োগ, প্ৰশিক্ষণ, দৰ্মহা, সামাজিক-নিৰাপত্তা, ৰাজহুৱা খণ্ড আদিত মহিলাৰ অধিকাৰ সুৰক্ষিত কৰা।

ঙ) মহিলাৰ বিৰুদ্ধে হোৱা সকলো ধৰণৰ বৈষম্য বন্ধ কৰিবৰ উদ্দেশ্যে আইনী ব্যৱস্থা দৃঢ়কৰণ কৰা।

চ) পুৰুষৰ দৰে মহিলাৰ সমান অংশীদাৰৰ দ্বাৰা সামজিক আৰু সৰ্বসাধাৰণৰ মানসিকতাৰ পৰিৱৰ্তন কৰা।

ছ) কন্যা সন্তানৰ প্ৰতি থকা সকলো ধৰণৰ বৈষম্য আৰু হিংসা দূৰ কৰা।

একেদৰেই দশম পঞ্চবাৰ্ষিক পৰিকল্পনাত লিংগ বৈষম্য হ্ৰাসকৰণৰ বাবে চৰকাৰী প্ৰতিটো আঁচনি আৰু কৰ্মসূচীত কমপক্ষেও ৩০ শতাংশ মহিলাৰ অংশীদাৰ স্থিৰ কৰিবলৈ নিৰ্দেশনা জাৰি কৰে(২০০১)। ফলত দেশত লিংগভিত্তিক বাজেটৰ পৰম্পৰাৰ শুভাৰম্ভণি ঘটে। স্বয়মসিদ্ধ (আত্মসহায়ক গোটৰ যোগেদি মহিলাৰ সমৃদ্ধিকৰণ আৰু স্বধৰ (বিপদগ্ৰস্তা/বৃদ্ধা অসহায় নাৰীক স্বেচ্ছাসেৱী অনুষ্ঠানৰ দ্বাৰা পুণঃপ্ৰতিষ্ঠা কৰা আঁচনি দুটা এই সিদ্ধান্তৰে প্ৰতিফলন। বৰ্তমান প্ৰতিটো মন্ত্ৰনালয়ত অনুপাতিকভাবে ৭০:৩০ অংশ বাজেটৰ উন্নয়ণৰ টকা মহিলাৰ বাবে খৰছৰ ব্যৱস্থা হৈছে। যিটো অনাগত দিনত আমূল পৰিৱৰ্ত্তন আনিব।

পুনৰ একাদশ পৰিকল্পনাতো মহিলা সমৃদ্ধিৰ বাবে কিছুমান গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হয়। যেনে- গোলকীকৰণ আৰু মুক্ত অৰ্থনীতিৰ ফলত কৃষিত হোৱা চাপ প্ৰশমিত কৰাৰ উদ্দেশ্যে মহিলাক অৰ্থনৈতিক দিশত সবল কৰা; সামাজিক পৰিৱৰ্ত্তনৰদ্বাৰা মহিলাৰ পদমৰ্য্যাদা বৃদ্ধি কৰা; ৰাজনৈতিক ভাৱে সংসদ, বিধানসভা, পঞ্চায়ত আৰু স্থানীয় নিকায়, চৰকাৰী চাকৰিত মহিলাৰ অংশ গ্ৰহণ বৃদ্ধি কৰা। নাৰীৰ সুৰক্ষাৰ বিধিসমূহ কাৰ্যকৰী কৰণৰ বাবে ফলপ্ৰসু ব্যৱস্থা হাতত লোৱা আদি।

তদুপৰি ২০০৫ চনত গৃহীত হোৱা Protection of Women from Domestic Violence Act. আইনৰ যোগেদি মহিলাৰ ওপৰত দৈনন্দিন জীৱনত ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা দিবলৈ চেষ্টা কৰা হৈছে। ভাৰতীয় সমাজত যৌতুকৰ বাবে মহিলাৰ ওপৰত চলা উপদ্ৰব যৌতুক জনিত মৃত্যু ৰোধ কৰিবৰ বাবে সুৰক্ষা প্ৰদান কৰা হৈছে। হিন্দু উত্তৰাধিকাৰী আইনৰ সংশোধনী ঘটাইপুত্ৰ সন্তানৰ দৰেই কন্যা সন্তানৰ পৈতৃক সম্পত্তিৰ ওপৰত আনকি কৃষিভূমিৰ ওপৰত কৰ্তৃত্ব দিয়া হয়। ৰাষ্ট্ৰীয় গ্ৰামীন নিশ্চিত নিয়োগৰ (NREGA) দ্বাৰা তিনিভাগৰ এক অংশ কামৰ ওপৰত মহিলাৰ অধিকাৰ সুৰক্ষিত কৰা ইত্যাদি। এইআইনৰ যোগেদি গ্ৰামীন মহিলাৰ নগদ ক্ষমতা বঢ়াই জীৱন নিৰ্বাহৰ মানদণ্ড বৃদ্ধি কৰিবলৈ প্ৰয়াস কৰা হৈছে। গৰ্ভাৱস্থাৰ লিংগ নিৰ্দ্ধাৰণ ৰোধ কৰিবলৈ Immoral Traffic Prevention Act. ৰ ধাৰা সমূহ দৃঢ়কৰণৰ দ্বাৰা কন্যা সন্তানৰ অকাল মৃত্যুক বাধা দিবলৈ চেষ্টা কৰা হৈছে।

বৰ্তমান পটভূমিত মহিলাৰ উন্নতিকল্পে লোৱা চৰকাৰী আঁচনি আৰু নীতিসমূহে মহিলাৰ আৰ্থ-সামাজিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। যোৱা বছৰবোৰত কন্যা সন্তানৰ হাৰ উল্লেখনীয় ভাৱে বৃদ্ধি পাইছে। ১৯৯১ চনৰ প্ৰতিহাজাৰ পুৰুষৰ অনুপাতে মহিলাৰ সংখ্যা ৯২৭ গৰাকীৰ পৰা ২০০১ চনত ৯৩৩ জন হৈগে। প্ৰসূতি আৰু শিশু মৃত্যুৰ হাৰো যথেষ্ট কমিছে। ১৯৯০ চনৰ ৮০জনৰ পৰা ২০০২চনত ৬৪ জনলৈ আৰু ২০০৫ চনত এইসংখ্যা ৫৮ লৈ অৱনমিত হয়। একেদৰে প্ৰসূতিক্ষেত্ৰত ক্ৰমে ৮১ ৰ পৰা ৬৫ লৈ আৰু শেষত ৬১ জনলৈ হ্ৰাস পায়। প্ৰসৱ বেদনাতো প্ৰতি ১,০০,০০০ জনৰ ভিতৰত ১৯৯৮ চনত ৪০৭ গৰাকীৰ পৰা ২০০১-০৩ চনত ৩০১ লৈ হ্ৰাস পায়। আনহাতে কৰ্মক্ষেত্ৰত মহিলাৰ অংশীদাৰ ১৯৯১ চনৰ ১৪.২ ৰ পৰা ২৫.৭ লৈ বৃদ্ধি পায়। সংবিধানৰ ৭৩ তম আৰু ৭৪ তম্ সংশোধনৰ যোগেদি পঞ্চায়ত আৰু স্থানীয় নিকায় সমূহত সংৰক্ষণ ব্যৱস্থাই মহিলাৰ সবলীকৰণৰ ক্ষেত্ৰত দ্ৰুতপ্ৰভাৱ পেলাইছে। বিধানসভা আৰু লোকসভাত মহিলাৰ সংৰক্ষণৰ বিলখনেও যোগাত্মক উন্নতি কঢ়িয়াই আনিব বুলি আশা কৰিব পাৰি।

কিন্তু কেৱল আইনী ব্যৱস্থা আৰু চৰকাৰী আঁচনিৰ দ্বাৰাই এই কৌটি কলীয়া পুৰণি সমস্যা এটাক সমাধান কৰাতো সম্ভৱ বুলি কব নোৱাৰি। যেতিয়ালৈকে নাৰীক ব্যক্তিগত ভাৱে সবল কৰিব পৰা নাযায়। আইনী ব্যৱস্থা সমূহে সাময়িক সকাহ দিব পাৰিব কিন্তু সামাজিক সংস্কাৰ, মানসিকতাৰ পৰিৱৰ্ত্তন, আধুনিক শিক্ষা আৰু প্ৰগতিশীল চিন্তাইহে প্ৰকৃততে লিংগ বৈষম্যহীন সমাজ এখনৰ আধাৰ হব পাৰে বুলি বিনাদ্বিধাই কব পাৰি। ■

গল্প

# থোৰাছিঙা ঢেঁকী

ডঃ জ্যোতিমা ফুকন

দে ঢেঁকী দে, ঢেঁকী দে .......... ঢেঁকী দে।

এস্। থোৰাটো ছিঙি থাকিলে।

কতৰাত মুখ থেকেচা খাই পৰি গ'ল ঢেঁকীটো। চাৎকৈ গাঁৱৰ ঘৰখনৰ চালিখনৰ তলৰ বাপতিসাহোন ঢেঁকীটোলৈ মনত পৰি গ'ল। এমখা ল'ৰা-ছোৱালীয়ে গিজগিজাই থকা ঘৰখনত আমি সকমখাই উৎপাত কৰি ঢেঁকী দিবলৈ বৰ ভাল পাইছিলো- দে ঢেঁকী দে..... ঢেঁকী দে ...। মায়ে খুবলিত ওখোৱা ধান এপাচি আনি ঢালি দিছিল। বৰকেৰাহীত বহাই ৰ'দত শুকুৱাই অনা শালিধানৰ ওখোৱা ধানখিনি ঢেঁকীৰ চেপা খাই বাকলি খুলি চফা চাউলখিনিয়ে যেতিয়া আত্মপ্ৰকাশ কৰিছিল। সেই তৃপ্তিকণ মই বৰ উপভোগ কৰিছিলো। মায়ে সযতনে ককাৰ বাবে ওখোৱা চাউল মুঠি ঢেঁকীত খুন্দিছিল। ওচৰত ধানখুন্দা মিল আছিল যদিও ঢেঁকীত খুন্দা ওখোৱা চাউল হেনো মধুমেহ ৰোগীৰ বাবে ভাল। আধুনিক সমাজৰ ছাঁত নপৰা ভিতৰুৱা গাঁও অঞ্চলত থাকিও যেন তেওঁলোকে উৎকৃষ্ট জীৱনশৈলীৰে নিজৰ ঘৰ-সংসাৰ স্বাস্থ্য সন্মত সদৰ্থক জীৱনবোধৰ সহাৱস্থানত থাকি আমিবোৰক মানুহ কৰি কৰি বাহিৰৰ সমাজখনলৈ উলিয়াই দিছিল। ককাই যেন মূৰত হাত থৈ ঘৰৰ চাৰিবেৰৰ পৰা উলিয়াই পঠিয়াওঁতে কৈছিল - 'যা বোপাই। যা আই। চকু-কাণ-আত্মা সজাগ কৰি বাহিৰখন চাবি। মই জানো তই বিপথে নাযাৱ। প্ৰকৃত মানুহৰ ভেটীটো বন্ধাইহে তোক বাহিৰলৈ উলিয়াই দিছো। তই থোৰাছিঙা নহয়।' আজিকালি বয়স বাঢ়ি অহাৰ লগে লগে মই প্ৰায়ে আধুনিক জীৱনশৈলীৰ দোমোজাত নষ্টালজিক হৈ পৰো। পূৰণিয়ে খেদি খেদি খায়। জীৱন ফৰিয়াত পৰি মোৰ মানসিক জগতখন চুনামীৰ দৰে বিধস্ত হয়। জীৱন ফৰিয়া আকৌ কি? মোৰ নিচিনা মানসিকতাৰ মানুহবোৰৰ নতুন আৰু পূৰণাৰ আলি দোমোজাত আত্মহনন প্ৰৱলগতিত হয়। এই ফৰিয়াৰ পৰা পৰিত্ৰাণ পাবলৈ কোনো চিকিৎসক বা বিশেষজ্ঞ আছেনে বাৰু যি মোৰ দৰে মানুহবোৰক এটা উপদেশ বা এখন প্ৰেছক্ৰিপচন লিখি দিব পাৰে। খুবলি ঢেঁকীথোৰাৰ চেপা-চেপিত ধ্বনিত মিৰ্‌িক মিৰ্‌িকশব্দ শুনাৰ পৰা মনস্পৰ্শিত কিন্তু শৰীৰ অনাস্পৰ্শিত হৈ মই মানুহজনী বৰ্ত্তমানে দূৰৰ এখন অৰ্দ্ধটাউনীয়া অঞ্চলৰ কলেজ এখনৰ অধ্যাপিকা। তথাপিও ভাবিছিলো বহুততকৈ মোৰ মানসিক সন্তুষ্টি থকা উচিত। আৰু হয়তো সেই মানসিক সন্তুষ্টি জোৰকৈ টানি আনি ওপৰত কোৱা মোৰ জীৱন ফৰিয়াৰ পৰা কিছু পৰিমাণে সকাহ পাই থকাৰ পৰতে এগৰাকী সাধাৰণ মানদন্দৰ যেন লগা মহিলাই মোৰ মানসিক জগতখনত গভীৰ তীৰ এডাল মাৰি পঠিয়ালে। বাহ্যিকৰূপত মানুহগৰাকী সাধাৰণ বেশভূষাৰ যদিও আন্তঃৰূপত মানুহগৰাকী 'মডাৰ্ণ চাকচিক্য'ত প্ৰবিষ্ট। মানুহ গৰাকীৰ কথাবাৰ্ত্তাত তেখেতক উদঙাই দিয়া মাটিৰ কলহ এটাৰ দৰেই লাগিল। মাটিৰ কলহটো মূহূৰ্ততে যেন কলহটো ভাঙি ৰুদ্ধ পানীখিনি খলখলাই বৈ আহিব। মোৰ সন্মুখত বহি থকা মাগুৰ বৰণীয়া ঢেৰেহা ককালৰ চুটি-চাপৰ মানুহজনীয়ে যেনিবা শাহু-শহুৰ থকা গাঁৱৰ ঘৰখনৰ লৌকিকতা বৰ্জন নকৰাকৈ হাতে বোৱা মেখেলা চাদৰ যোৰেৰে ডাঙৰকৈ ৰঙা সেন্দুৰৰ ফোঁটটো পিন্ধিয়ে আহিছে। কিন্তু মানুহগৰাকী যেন এই দৈন্য সাজ-পোচাকৰ জীৱনযাত্ৰাত মুঠেই সুখী নহয়। এই যেন সুবিধা পালেই ৰঙীণ পাখি দুখন মেলি উৰি যাব দেল-হী-বোম্বাই-কলিকতাৰ ফাইভ্‌ষ্টাৰ হোটেললৈ। উৰণীয়া পৰী সাজি খন্তেকৰ বাবে হ'লেও যেন পুৰুষ নতুন সঙ্গীৰ গাত গা ঘঁহাই ৰঙীণ পানীয়ত জীৱনৰ স্বাদ লব। এইয়ে মোৰ সন্মুখত বহি আছে মানুহগৰাকী, তেওঁক যদি এটা জিন্‌চৰ পেণ্ট আৰু এটা শ্লিপলেচ্ টপ্ পিন্ধাই কলা গগ্‌লচযোৰ মাচৰুমকাট্ চুলিখিনিৰ ওপৰ কৰি ষ্টাইলত ৰাখি দুটামান ইংৰাজী কাম চলাব পৰাকৈ শিকাই দিলে তায়ে কৈ থকা অৰিফ্লেমৰ মডেলিং কৰা নবৈৃৰ উৰ্ধত চিৰযৌৱনা ফৰেনাৰজনীৰ ওচৰত নিশ্চয় নিজৰ হীনমন্যভাৱটো কিছু আঁতৰিব। মানুহজনীৰ সম্পৰ্কত ইমানবোৰ বেয়া কথা ভাৱিবলৈ মোৰ দৰকাৰেই নাছিল। কিন্তু মানুহগৰাকীৰ লগত সামঞ্জস্য নথকা কথাবোৰত মই বিৰক্তি অনুভৱ কৰিছিলো। -আমি অৰিফ্লেম, এম ৱেৰ মিটিং বিলাকত গৈয়ে থাকো। তাত বহুত ডাঙৰ ডাঙৰ মানুহ গোট খায়। ইমান ধুনীয়া ধুনীয়া মানুহবোৰ। ওচৰত বহিবলৈ লাজেই লাগে। কি ধুনীয়া ছাল। দূৰৰ পৰাই চিক্‌চিকাই থাকে (তেওঁ হয়তো দূৰ অৱস্থানত বহেল্লু)। আমাৰ লগত কামকৰা মানুহকিজনী এতিয়া অলপতে দেলহীৰ পৰা আহিলগৈ। ফাইভষ্টাৰ হোটেলত থাকিল পাঁচদিন। যোৱা থকা চব ফ্ৰি ...........।

অনৰ্গল কথা কব পৰে

মানুহজনীয়ে। কথা কওঁতে বগা দাঁতকেইটা চিক্‌চিকাই উঠিছিল। দাঁতকেইটাত চাগৈ এম্‌. ৱেপ্ৰডাক্টৰ গ্লিষ্টাৰ টুথপেষ্ট ব্যৱহাৰ কৰে। কথাটো হয়ো। এম.ৱেৰ বিভিন্ন প্ৰডাক্টৰ উপকাৰীতাও মানুহগৰাকীয়ে মাজতে কৈ গ'ল। বিজিনেচত অৱশ্যে কথা কব পৰাতোতহে কাষ্টমাৰ সংগ্ৰহ কৰিব পাৰে। ব্ৰেইন ৱাচ কৰি দিব পৰাকৈ পাকৈত কথা নহ'লে বিজিনেচনো চলিব কেনেকৈ। কথা কোৱাৰ লগতে মানুহজনী এক্‌চনতো পাকৈত। কথাৰ মাজতে চাত-কৈ উঠি গৈ বাৰাণ্ডাত বহি থকা গিৰীয়েকৰ পৰা ভালুক এটা সোমাব পৰা বেগ এটাও উঠাই আনিলগৈ তাৰ পিচত মোৰ সন্মুখভাগ অৰিফ্লেম, এম ৱেৰ ফেচিয়েল ৱাচৰ পৰা নেইল পলিচলৈকে ভৰ্তি হৈ গ'ল। এইখিনিলৈকে নিশ্চয় মোৰ বিশেষ আপত্তিজনক একো কবলৈ নাই। কাৰণ ময়ো এইপ্ৰডাক্টবিলাকৰ দুইএপদ ব্যৱহাৰ কৰা গ্ৰাহকো।

- বাইদেউ, আপোনালোকে চাকৰীহে কৰিছে। বাহিৰত পৃথিৱীখন দেখাইনাই। বাহিৰত কিমান মানুহৰ লগত দেখাদেখি হয়, ফ্ৰি কৈ ফুৰিবলৈ পায় ..........।

এইবাৰ সঁচাকৈ বহুতদিন সযতনে সন্তুষ্টিৰ জীৱন এটা ভগৱানে দিছে বুলি ভৰা মনাকাশত তীব্ৰবেগী পইজনযুক্ত কাড় এডাল খচক্‌কৈ সোমাই গ'ল। এল. আই. চি অফিচত কাম কৰা এজেন্টগৰাকীয়ে নেতিবাচক ভাৱ এটাৰ খলকনি তুলি নতুনকৈ খচমচাই উঠা চেলফ্‌এনালাইচিচৰ বিষত ভাৰাক্ৰান্ত হ'লো। বাহিৰত পিছে মোৰ প্ৰতিক্ৰিয়া দেখা নগ'ল। একেধৰণে মই সাধাৰণভাৱেই কথা পাতিলো যদিও দুপাতমান তীৰ যুদ্ধ কৌশলী অৰ্জুনৰ দৰেই প্ৰস্তুত কৰিবলৈ ভাৱিলো। প্ৰতিপক্ষক ইমান সোনকালে জিকাব নোৱাৰি। ডিফেন্সচিভ মুডত খেল খেলা মোৰ সৰুকালৰে পৰা হবি। চেলফ্‌ৰ ওপৰত অধ্যয়নৰতা মোৰ বান্ধৱী ৰত্নামালাই মোৰফালে চোৱা গম পালো। ময়ো পট্‌কৈ ৰত্নামালাৰ ৰিয়েকচন অধ্যয়ন কৰিলো। তাই উচ্‌পিচালে হয়তো তাই প্ৰটেষ্ট কৰিব পিছে ছিনিয়ৰক সন্মান দি তাই মোক কথা কবলৈ ৰাস্তা এৰি দিলে। মানুহগৰাকী যোৱাৰ পিছত ৰত্নামালাই মোক জেৰা কৰিছিল- 'আপুনি কিয় উচিত উত্তৰ নিদিলে। আমি কি কেৱল কলেজলৈ অহা-যোৱাহে কৰিছো নেকি। ভেকুলী গাঁতত সোমাই কেৱল দৰ্মহা খাইছো, আৰু একো নাই। কিয় নকলে আপুনি আমিওযে নেচনেল-ইন্টাৰনেচনেল ছেমিনাৰ-ৱৰ্কচপ, ভিজিটিং ট'ৰ বিলাকত সমাজৰ ইনটেলেকচুৱেল মানুহবিলাক লগ পাওঁ বুলি। মুখত ৰঙসনা ধুনীয়া মানুহবিলাকক নহয়। কিমানে জানে তাই আমাৰ একাডেমিক্‌ জগতখনৰ কথা। মৰতীজনী খালি পইচাৰ পিছে পিছে। হাচবেণ্ডটো দেখা নাছিল দমখোৱা ভিজা মেকুৰীটোৰ দৰে.......... খঙত ৰত্নামালাই বকিছিল। হয়তো পিছে। কলেজৰ বহুতৰ দৰেই তাই গতিহীনভাৱে জীৱন কটাব নিবিচাৰে। অনবৰতে তাই ইখনৰ পিছত সিখনকৈ ছেমিনাৰ ৱৰ্কচপ আদিত ঘুৰিয়ে ফুৰিব লগা হয়। দুয়োজনীয়ে উমৈহতীয়া প্ৰজেক্ট এটা ইউ জি চিত চাবমিট কৰাৰ বাবেও প্ৰস্তুতি চলাই আছে। তেনেস্থলত এজেণ্টগৰাকীয়ে চিচাৰ গ্লাচ এখন ভঙাৰ দৰেই থন্‌থনকৈ ভাঙি পেলোৱাৰ প্ৰচেষ্টাক কোনোবাই সহ্য কৰিব পাৰে। সময়তে তীৰ মৰা ভাল। প্ৰথম তীৰ ডাল মাৰি পঠিয়ালো।

- এইবোৰ টকাৰ মায়াজাল। পইচাৰ পিছত দৌৰিফুৰা মানুহৰ বৌদ্ধিক বিকাশ কিনো হব। ৰাতিয়ে দিনে কেৱল টকা আৰু টকাৰ চিন্তা। মানুহজনীয়ে কিন্তু মোৰ কথাত সমৰ্থন নে বিমৰ্থন জনালে বুজি নাপালো।

-টকা কৰিব জানিলে বহুত টকা। মোৰ লগৰ চিন্তাধাৰাই চাকৰীকে এৰি দিলে। প্ৰমোচন হৈ হৈ ডাইৰেক্টৰ হ'লগৈ। ফ্ৰিকৈ সিদিনা গুৰগাৱৰ পৰা আহিলগৈ। নাই। এনেকৈ নহব। এইখন মুখত দ্বিতীয়তো তীৰ মৰা যাওক।

-আজিকালি দেখোন আমিবোৰে ভালৰ ভাল দামী দামী চেম্পো, ফেচৱাচ, বডি ক্ৰিম কত কি ঘঁহো পিছে মা-আইতাহঁতৰ কেঁচা দীঘল চুলি কেইডাল ক'তনো পাইছো। অকালতে চুলি পকিলেই।

-আমাৰ খেৰ-খাৰণিটোপাই ভাল আৰু মণিছালৰ গুটি............। আমাৰ কথা শুনি থকা নিৰ্জ্জু গিৰীয়েকটোৱে সমৰ্থনসূচক কথাখিনি কবলৈ আৰম্ভ কৰিছিলহে বেচিবলৈ অনা প্ৰডাক্টৰ গুণ গান কৰা গৰাকীয়ে উচাত মাৰি গিৰীয়েকক আৰু আগবাঢ়িবলৈ নিদিলে। মই পৰিৱেশটো বেছ উপভোগ কৰি আছিলো।

-এৰা, আমাৰ খাৰণিটোপা কিছু প্ৰচেচিং কৰি পেটেণ্ট কৰা হ'লে ভাল আছিল।

মোৰ কথাবোৰ মানুহজনীয়ে ভাল নাপালেও হাঁহি আছিল। বিজিনেচত ধৈৰ্য্যগুণ লাগে। মন নগলেও হাঁহিব পাৰিব লাগিব। বগা দাঁতকেইটা আকৌ চিকচিকালে।

- বাইদেউ। এল আই চিৰ ভাল স্ক্ৰীম এটা আহিছে। মাহে পেমেণ্টৰ পৰা দুশ টকাকৈহে কাটিব...... অনৰ্গল এইবাৰ স্ক্ৰীমটোৰ বিষয়ে তাই বলকি গ'ল। অতিষ্ঠ হৈ হাঁহি হাঁহি ক'লো- 'এইবিলাক মই একো নুবুজো। কিমান টকা ইনভেষ্ট্‌ কৰিব লাগিব

কিমান দিনত মেচিয়ৰ হ'ব আৰু কিমান টকা পাম পোনে পোনে কলেহে বুজো।

- আপোনালোকৰ ওচৰলৈ আহিছো আৰু। দুখীয়াক আপোনালোকৰ শকত পেমেন্টৰ চুক অকণো নহয় দি সহায় কৰিলে একোৱেই লোকচান নহব। অৰ্দ্ধস্তিমিত হাঁহিটোৰে মানুহজনীক এইবাৰ কাতৰ যেন লাগিল। মাটিত এই পৰিব যেন লগা হাইঠাজনীৰ দৰেই ..........।

- আচলতে মই ইনভেষ্টৰ দৰে কথাবোৰত কেতিয়াও মন দিয়া নাই। চব মোৰ মানুহজনেই কৰে। গতিকে এইবোৰত মূৰ সুমুৱাই মোৰ শান্তিৰ সৰল জীৱনটো অশান্তি কৰিব নুখুজো। মোৰ কথাখিনি হয়তো স্বাৰ্থপৰ পত্নীৰ দৰেই শুনাইছিল। আচলতে মই তাইক একো সহায় নকৰাৰে সিদ্ধান্ত লৈ পেলাইছিলো। মানুহজনীক শেষ নিগেটিভ ভাৱটো দি তাইৰ চক্ৰবেহু ভেদ কৰি কলেজ যোৱাৰ সময় ধৰিছিলো। কমনৰুমত সহকৰ্মীসকলক পুৱাবেলাৰ কথাখিনি ৰস লগাই ক'লো। তেওঁলোকে বিভিন্নধৰণে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে। মূৰৰ চুলি সৰি টকলা হোৱা নিত্য বৰুৱাই ক'লে- 'তাই তাৰমানে পাখিমেলি উৰিবলৈহে বাকী। চব এইবিলাক ফাঁকি বুজিছা। কনকধাৰাই কম ঠগিলেনে। এই বিলাক ইজিমনি অহাতকৈ নহাই ভাল। মাৰোৱাৰীবোৰে দেখোন এই বিলাক কৰিয়েই কোটিপতি হ'লহেতেন.....। পানখনত চূণখিনি আঙুলিটোৰে বহলাই তামোলখন মুখত ভৰোৱা সময়কণ বৰুৱা ৰ'ল তাৰপিছত মোৰফালে টাৰ্ণ এটা দি ক'লে

-'স্বৰাজ এল আই চি স্কীমটো কিন্তু ভাল চলিছে। তুমি এটা খুলিবা দেই।' স্নায়বিক বিকাৰত ভোগা ৰুগীৰ দৰেই হাঁহিত মোৰ এইবাৰ মুখখনে থপিয়াই থলে।

- বৰুৱা আপুনি কিন্তু এতিয়া চেম্পুৰ মডেলিং কৰিব পৰাকৈ উপযুক্ত হৈ উঠিছে। মুখচহকী ৰিতিষগাই কমনৰুমতে সোমায়েই চিঞৰিলে। নিত্য বৰুৱাৰ মূৰটো আৰু মুখৰ শালমইনা কেইটাই ৰিতিঋাৰ কথাত সমৰ্থন জনাইছিল হবলা। বজাৰৰ বিভিন্ন প্ৰডাক্টৰ এজেন্ট নিত্য বৰুৱাই এক বিশেষ ছন্দমাত হাঁহি হাঁহি মূৰ দুপিয়াইছিল। নিত্য বৰুৱাই হাঁহিলে ওঁঠটো বাওফালে বেঙ্কিকৈ হালে।

(তননীতাৰ হাতত)



# শিশুৰ চৰিত্ৰ গঠনত প্ৰাচীন কাহিনী আৰু সাধুকথাৰ প্ৰভাৱ

*বাণী দেৱী*
গ্ৰন্থাগাৰিকা
সোণাৰি মহাবিদ্যালয়

Man formed from the dust of the earth grows and ripens like a plant rooted in the soil- Pastalozzi.

মাতৃ গৰ্ভত দহ মাহ দহ দিন থাকি জন্মলোৱা এটি সন্তান, অঙ্কুৰৰ পৰা গজি উঠা এটি গছ পুলিৰ দৰেই। সাৰ পানীৰ অভাৱত গছ পুলিটো ঠন ধৰি নুঠাৰ দৰেই এটি শিশুক কেচুৱা অৱস্থাৰে পৰা এটা সুস্থ সুন্দৰ পৰিবেশ দিব নোৱাৰিলে শাৰিৰীক, মানসিক বিকাশত কেৰোণ ধৰাটো অতি স্বাভাৱিক। এটি শিশুৰ দৈহিক বিকাশ অতি দ্ৰুত। জীৱনৰ প্ৰথম তিনিটা বা পাচোটা বছৰক আমি শৈশৱ কালৰ ভিতৰুৱা কৰিব পাৰো। এই সময়ছোৱাত শিশু সকলৰ বিচাৰ বুদ্ধি, সংযম ক্ষমতা, অপৰিণত হৈ থাকে। সেই সময়ত সকলো পিতৃ-মাতৃৰে শিশুটিৰ সু অভ্যাস গঠন কৰি নিজৰ বৃহত্তৰ জীৱনৰ বাবে সাজু কৰি তোলাতো প্ৰধান কৰ্ত্তব্য।

সকলো শিশুৰেই এটি কল্পনা প্ৰৱণ মন থাকে। শিশু অৱস্থাত কল্পনা বিলাসীমনটো মনকৰিবলগীয়া। প্ৰাচীন গ্ৰন্থাৱলীৰ মাজত থকা আখ্যান উপাখ্যানবোৰৰ বহুতো কাল্পনিক কাহিনীয়ে শিশুৰ মানসিক বিকাশত প্ৰভাৱ পেলায়। ৰামায়ন, মহাভাৰত, গীতা, ভাগৱত, পুৰাণ আদিত বৰ্ণিত কাল্পনিক কাহিনীবোৰে এটি শিশুৰ মানসিক তথা চাৰিত্ৰিক গঠনত সহায় কৰে। এনেবোৰ নীতি কথা যুক্ত কাহিনীয়ে মনৰ মাজত গঢ়লৈ উঠা সজ ভাৱ আৰু সজ চিন্তাই শিশুটিক পৈণত বয়সত যি কোনো অবাঞ্চিত কাম কৰাৰ পৰা বিৰত ৰাখে। এনে কাহিনীয়ে যি নৈতিক শিক্ষা দিয়ে সেই শিক্ষাই শিশুটিক নীতিগত ভাৱে জীৱনত আগবাঢ়ি যাবলৈ বাধ্য কৰাই।

শৈশৱ অৱস্থাৰ আন এটি বিশেষত্ব হ'ল কৌতুহলী মনোভাব। কাৰণ এটি শিশুৰ বাবে সমগ্ৰ জগত খনেই বিস্ময়কৰ। এই অচিনাকী জগত খনৰ লগত চিনাকী হবলৈ যাওঁতে এটি শিশুৱে হোৱাই নোহোৱাই নানা প্ৰশ্নেৰে পিতৃ-মাতৃক ব্যতিব্যস্ত কৰি তোলে।

তেনে পৰিস্থিতিত আমি পিতৃ-মাতৃ সকলে যদি মনোমোহা পৌৰাণিক কাহিনীৰ আলমত শিশুটিৰ মনৰ মাজত উদয়হোৱা ভাব বোৰৰ যথাৰ্থ সমিধান দিব পাৰো তেন্তে সেয়া তাৰ জীৱনৰ সাফল্যত মাইলৰ খুটি হৈ ৰ'ব।

আমি সকলোৱেই জানো শিশু মাত্রেই অনুকৰণ প্রিয়। ভাল বেয়া জ্ঞানবোধ নথকা অনুকৰণপ্রিয় এটি শিশুক যদি অসুস্থ পৰিবেশত ৰখা হয় তেন্তে শিশুটিৰ মানসিক তথা চাৰিত্রিক বিকাশ সেই পৰিবেশত দেখাৰ দৰেই হ'ব। সেইবাবে প্রত্যেক পিতৃ মাতৃৰ প্রধান কৰ্ত্তব্য শিশুটি ডাঙৰ দীঘল হোৱা বাতাবৰণৰ প্রতি লক্ষ্য ৰখা আৰু সৰুৰে পৰা মানসিক বিকাশত সহায় কৰিব পৰা কাজকৰ্ম কৰাটো। আমি যদি শিশু অৱস্থাৰ পৰাই আমাৰ সন্তানক গীতাত কৃষ্ণই অৰ্জ্জুনক উপদেশ দিয়াৰ দৰে বিভিন্ন পৌৰাণিক ধৰ্মীয় গ্রন্থৰ আখ্যান উপাখ্যানৰ মাজেৰে "সত্যৰ জয় অসত্যৰ পৰাজয়" "কৰ্ম্মই ধৰ্ম" আদি কথাবোৰ শিশুটিৰ মনৰ মাজত থাপিব পাৰো তেতিয়া নিশ্চয় শিশুটিক বয়সে সুস্থভাবে আগুৱাই নিয়াত অসুবিধা নহ'ব। ৰামায়নৰ ৰাম লক্ষ্মণৰ ভাতৃ প্রেম, পিতৃভক্তি, দেশ প্রেম, প্রতিজ্ঞা পালন আদি কথাবোৰে এটি শিশুৰ মনত প্রভাব পেলাব পাৰে যদিহে শিশু অৱস্থাত অনুকুল পৰিবেশত এনেবোৰ কাহিনী কোৱা হয়।

কৃষ্ণ যশোদাৰ কাহিনীৰ মাজেৰে এটি শিশুৰ মনত এনে ভাবৰ উদয় হ'ব পাৰে যে, বিচাৰিলে নিজৰ আত্মাতে গোটেই বিশ্বখন পাব পাৰি। কৃষ্ণই মুখ মেলোতে যশোদাই দেখা বিশ্বব্রহ্মাণ্ড খনৰ কথা যেতিয়া এটি শিশুৱে শুনে তেতিয়া অবোধ শিশুটিৰ ভিতৰতো ব্রহ্মাণ্ডখন আছে বুলি বিশ্বাস কৰিব পাৰে। এই বিশ্বাসৰ অন্তত শিশুটিৰ মনত গঢ় লৈ উঠিব আত্মবিশ্বাসৰ। ডাঙৰ হোৱাৰ লগে লগে সি গম পাব আত্মবিশ্বাস থাকিলে কৰিব নোৱাৰা কাম একো নাই। এটি শিশুৰ মনত সৰুৰে পৰা আত্মবিশ্বাস জগাই তুলিব পৰাটো পিতৃমাতৃৰ কৃতিত্ব। বুদ্ধদেৱৰ জন্ম হৈছিল পথত, যীশুৰ জন্ম হৈছিল ঘোৰাশালত, কৃষ্ণৰ জন্ম হৈছিল পোতাশালত, ঈশ্বৰৰ সৌভাগ্য নাছিল- কিন্তু এইসকল ব্যক্তি জন্মলোৱাৰ সম্পূৰ্ণ সাৰ্থকতা হৈছিল। এনে প্রতিকুল অৱস্থাৰে জন্মলোৱা এই সকল ব্যক্তি মহান হোৱাৰ অন্তৰালত লুকাই আছে আত্মবিশ্বাস। আত্মবিশ্বাসে জীৱনক মাংগল্য প্রদান কৰে।

আমি এটা কথা জানো এটি শিশুৰ নৈতিক চেতনা নাথাকে তেনে অৱস্থাত ন্যায়-অন্যায়, উচিত অনুচিত, এনেবোৰ বিষয়ে একো নুবুজে। এনে নৈতিক চেতনা আমি প্রাচীন আখ্যান উপাখ্যানৰ আলমত শিশুৰ মনত জগাই তুলিব পাৰো। শিশু অৱস্থাৰে পৰা নৈতিক চেতনাই গঢ়লৈ উঠিলে বৃহত্তৰ জীৱনত ভাল বেয়া বিচাৰ কৰিব পৰা ক্ষমতা সুদৃঢ় হ'ব আৰু লগতে শান্তি সমৃদ্ধি আৰু নৈতিক পবিত্রতা আৰু সাহস বাঢ়িব।

বৰ্ত্তমান সময়ত শিশুসকল পৌৰাণিক আখ্যান উপাখ্যানত বৰ্ণিত কাহিনী শুনাৰ প্রতি আগ্রহী নহয় যেন লাগে আৰু সেইবাবেই হয়তো এই শিশুসকলৰ মানসিকতাৰ পৰিবৰ্ত্তন চকুত পৰে। বৰ্ত্তমান সমাজখনত সহিষ্ণুতা, নৈতিকতা, মৰমস্নেহ, প্রেম ভালপোৱা, দয়া ক্ষমা মমতা আদি শব্দবোৰৰো অভাৱহোৱা যেন অনুভৱ হয়, "ভয়েই ভক্তি" বোলা কথাষাৰ যেন আজি অৰ্থহীন হৈ পৰিছে। জন্ম সদায় মাতাৰ পৰা হয় গতিকে ভক্তি মানেই মাতা। পিতৃ মাতৃৰ প্রতি ভক্তি বৰ্ত্তমান সমাজত কমি আহিছে। 'মাতা' শব্দৰ মাজতেই যেন নিহিত হৈ আছে দয়া, ক্ষমা, কৃপা, কৰুণা, মৃদুতা, কোমলতা, মমতা আদি এই স্ত্রীলিংগ বাচক শব্দবোৰ। এনেবোৰ কথা আমি আটায়ে আমাৰ সন্তানহঁতক মনৰ কোণত থাপিত কৰিব পৰাটো অতি প্রয়োজন হৈ পৰিছে আৰু এইবোৰৰ বাবেই আমি ৰামায়ন, মহাভাৰত, গীতা ভাগৱত আদিৰে শিশুমন আকৃষ্ট কৰিব পৰা আখ্যান উপাখ্যানৰ কাষ চাপিব লাগে।

ঠিক তেনেদৰেই সাধুকথাইও শিশুৰ চৰিত্র গঠনত প্রভাৱ পেলাব পাৰে বুলি দৃঢ়তাৰে ক'ব পাৰি। সাধুকথা, ৰূপকথা আদিম কালৰে পৰা মুখে মুখে চলি অহা কিছুমান কাল্পনিক কাহিনী, যি কাহিনীয়ে কল্পনা বিলাসী শিশুৰ মনত প্রভাব পেলাব পাৰে। সাধুকথাবোৰ কিমান প্রাচীন সেইকথা ক'ব পৰা নাযায়। এটা সময়ত প্রকৃতি নিৰ্ভৰশীল মানৱ সমাজে প্রকৃতিৰ অফুৰন্ত শক্তিত বিস্ময়াভিভূত হৈ নানান কল্পনা কৰিছিল। কল্পনাৰ সূদুৰ প্রসাৰিতা আৰু কঠনভঙ্গীৰ সৰলতা এই দুয়োটা বস্তুৱে এটি শিশুৰ অন্তৰত সহজে সাঁচ বহুৱাব পাৰে।

সাধুকথাক আমি দুটা ভাগত ভাগ কৰি চাব পাৰো- সৎ বা সততাৰ পৰা হোৱা সাধু আৰু অন্যটো সাউদৰ পৰা হোৱা সাধু। প্রাচীন কালত সদাগৰ সকলে তেওঁলোকৰ যাত্রাত হোৱা বিচিত্র অভিজ্ঞতা, প্রকৃতিৰ বিচিত্র ৰূপ কেতিয়াবা জীৱন ৰক্ষাৰ বাবে দেখুৱাব লগা বল বিক্রমৰ বিস্ময়কৰ কথাবোৰ কল্পনাৰ ৰহনেৰে সজাই পৰাই কোৱা দেখা যায়- এনে বিস্ময়কৰ কাহিনী এটি শিশুৱে শুনি যেনেদৰে আমোদ পাই ঠিক তেনেদৰে জীৱন যুঁজত নামোতে শৌৰ্য

বীৰ্য্য বা বিক্ৰমৰ যে প্ৰয়োজন হ'ব পাৰে এনে ভাবৰ উদয়হোৱাৰ সম্ভাৱনা থাকে।

নীতিমূলক কাহিনীত পখী, জীৱজন্তুৱে কল্পনা বিলাসী মানুহৰ মনো জগতত প্ৰাধান্য পাবলৈ ধৰিলে আৰু এইবোৰক প্ৰতীক হিচাবে লৈ নীতি শিক্ষা দিয়াৰ চেষ্টা কৰিলে। শহা. হৰিণা, কপৌ, বগলী, ঘৰচিৰিকা আদি শান্ত আৰু নিৰীহতাৰ প্ৰতীক, কাউৰী, বান্দৰ, শিয়াল আদি ধূৰ্তালি, শঠতা আদিৰ প্ৰতীক বাঘ সিংহ আদি বলবান জন্তুবোৰ শক্তি আৰু সামৰ্থৰ প্ৰতীক। এইখিনিতে এটা কথা ক'ব পাৰি অসমীয়া সাহিত্যৰ লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ "বুঢ়ী আইৰ সাধু" খনিৰ গঙ্গাটোপ, চিলনীৰ জীয়েকৰ সাধু, ঢোৰা কাউৰী আৰু শিয়াল, তেজা আৰু তুলা আদি সাধুবোৰত সততা জড়িত। এনেবোৰ সাধুকথাৰে যদি শিশু সকলক প্ৰভাৱান্বিত কৰা হয়, তেন্তে তেওঁলোকৰ মনত সততাৰ চাপ পৰাৰ লগতে এটা কথা বুজি উঠিব যে সংসাৰখনত ধূৰ্ত্ত আৰু শঠতাৰ অভাৱ নাই, অন্যহাতে বাঘ, সিংহৰ দৰে শাৰিৰীক শক্তিৰো প্ৰয়োজন আছে।

এনে নীতি শিক্ষামূলক সাধুকথাবোৰ হৈছে বৌদ্ধজাতক, পঞ্চতন্ত্ৰ হিতোপদেশ, কথা সৰিৎ সাগৰ, দশকুমাৰ চৰিত্ৰ, বেদ বেদান্তৰ কাহিনী আদি। এনেবোৰ সাধুকথাই শিশুৰ মানসিক বিকাশত সহায় কৰে। সাধুকথা আৰু শিশু দুয়ো দুয়োৰে পৰিপূৰক গতিকে শিশু মনত সাধুকথাৰ প্ৰভাব অনস্বীকাৰ্য।

প্ৰাচীন আখ্যান উপাখ্যানবোৰ ধৰ্মগ্ৰন্থৰ ভিতৰুৱা অংশ-ই এটি শিশুক নৈতিক জ্ঞান দিব পাৰে, বিজ্ঞানে নৈতিক জ্ঞান সাধন নকৰে। স্বামী বিবেকানন্দই কৈ গৈছে- "বিজ্ঞানে এখন বুলডজাৰ নিৰ্ম্মাণ কৰিব পাৰে কিন্তু এটি চুচৰিফুৰা শিশু ইয়াৰ আগত পৰিলে শিশুটিৰ গাৰ ওপৰেদি চলাই নিনি ৰখাই দিবলৈ যি ভাব সেই নৈতিক ভাবৰ শিক্ষা বিজ্ঞানে দিব নোৱাৰে" গতিকে এনে নৈতিক জ্ঞান আৰু মানৱীয় অনুভূতি সঞ্চাৰ কৰিবলৈকে শিশু অৱস্থাত পৌৰাণিক কাহিনী তথা সাধুকথাৰ প্ৰয়োজন আছে। অন্যহাতে কিছুমান আখ্যানত থকা অন্ধবিশ্বাস আৰু কু সংস্কাৰ দূৰ কৰিবলৈ বিজ্ঞানৰো প্ৰয়োজন নোহোৱা নহয়।

সততাৰ আধাৰ পাঠত বিজ্ঞান সংযোজনে এটি শিশুৰ চৰিত্ৰ গঠনত সহায় কৰিব। ■



# Mahatma Gandhi and Gender Equality

*Sunil Dutta*
*Anjali Saud Dutta.*

***"If I was born a woman, I would rise in rebellion against any pretension on the part of man that woman is born to be his plaything." -Mahatma Gandhi.***

Mahatma Gandhi is one of those rare personalities who have not only shaped their countries but also changed the world. He is the maker of modern India and is rightly called the 'Father of the Nation'. He is an unusual man with exceptional qualities of mind and heart. He began his career as a lawyer and became a great political and spiritual leader. He was an educationist, a social reformer, a religious thinker, a thought-provoking philosopher, and above all a political leader. He successfully spearheaded the Indian freedom movement and courageously ended the British rule in India. He was the first icon of a people's struggle against exploitation and subjugation. He was a man of universal peace and freedom and devoted himself to truth and non-violence. He lived a simple life, wore plain clothes and had only a few possessions. He is remembered today for his fight against racism, colonialism, violence, exploitation, and injustice. This towering personality is also popularly known as Gandhiji, Bapu or Bapuji.

The noble qualities of Gandhiji's personality tremendously inspired veteran freedom fighters like Jawaharlal Nehru. As Nehru himself says,- ***'He was like a powerful current of fresh air that made us stretch ourselves and take deep breaths ...'***

The Nightingale of Indian literature Sarojini Naidu addresses him as ***'O mystic Lotus, sacred and sublime.'*** K.R.S. Iyengar regards him as a prophet and says, ***'Gandhi was a man speaking to men; he was more then an agitator or politician, he was the liberator, the Messiah, the Great Soul.'***

Lord Mountbatten, the last British Viceroy of India was very

much impressed with his nobility of character. He says, ***'Mahatma Gandhi will go down in history on a par with Buddha and Jesus Christ.'***

George Orwell, a great master of English prose, was impressed by the extraordinary qualities of Gandhiji's character. He says: ***'... I believe that even Gandhi's worst enemies would admit that he was an interesting and unusual man who enriched the world simply by being alive.'***

There are divergent views regarding the exact identity of the conferrer of the title "Mahatma" to Gandhiji. Krishna Dutta and Andrew Robinson state that Robindranath Tagore first accorded Gandhiji the title "Mahatma." One source reveals that Nautamlal Bhagavanji Mehta first awarded the title "Mahatma" to Gandhiji on January 21, 1915 at Kamribai School in Jetpur, India. In the personal ***Note-book*** of Shri Phanidhar Saud, a retired Sub-registrar of Co-operative Societies, Govt. of Assam, it is recorded that Vaidyaraj Jivaram Bhai, a scholar in Sanskrit and Ayurveda, first conferred the title "Jagatvandani Mahatma" o Gandhiji on 27 January, 1915 a Goondala on his return from Sout Africa. Jivaram Bhai accorded thi title in a meeting held at Rasasal Ranasura Das Brindaban Atwar Oushadhashram. The meeting wa organized to welcome Gandjhij formally after his success in Sout Africa. Again, Mr. Bhuba Chandra Handique observes in hi Assamese article, "Bapuji Bacharar Mukuta Mala" tha Gandhiji was given the epithe "Mahatma" in 1915 by the Kang Gurukul. Much research is neede in this regard.

Mohandas Karamchan Gandhi, who later came to b known as Mahatma Gandhi, wa born of a Bania (Vaishya o trading caste) family at Porbanda Kathiawar, Gujrat, India, o October 2, 1869. He was th youngest of the three sons o Karamchand alias Kaba Gandh and Putlibai. His father was Prim Minister successively a Porbandar, Rajkot and Vankane states. In 1876, Mohandas wen to Rajkot with his parents an attended primary school there ti his twelfth year. He passe Matriculation Examination in 188





became a Barrister in law in 1889 and began to practise law at the Bombay High Court.

In April 1893, he left for South Africa for legal work in an Indian firm. He founded Natal Indian Congress and enrolled as the first Indian Advocate of Supreme Court of Natal in 1894. He launched his first Satyagraha movement at Johannesburg on 11 September, 1906 against racial segregation and compelled the South Africa government to grant rights of permanent citizenship in 1914. He returned to India in 1915. He led many peaceful and non-violent movements against the British rule in India during the period 1920-1947. He called non-violent civil disobedience method Satyagraha (holding to the truth). Many civil rights activists have followed this method across the world. Nelson Mandela and Martin Luther King Jr. were chief among them. Gandhiji united different communities of India and led them to join the freedom movement. He fought against the British government till India became independent in 1947.

The ***Bhagawat Gita***, the ***Upanishads*** and the ***Vedanta Philosophy*** had a profound impact on Gandhiji's mind. He understood that Hinduism was the source of salvation. He also studied the ***Bible***, and the ***Koran***. He was deeply moved by the ancient play ***Shravan Pitribhakta***. Dadabhai Naorojee, 'the uncrowned king of Bombay' and Professor Gopal Krishna Gokhale, a leading statesman and educationist of India, influenced Gandhiji deeply. It was Dadabhai who first gave him the real lesson in 'Ahimsa' (non-violence) by teaching him to fight evil not by evil but by love. His mother Putlibai left a lasting impression on him with her love and iron will. She was perhaps the greatest single influence in shaping his philosophy. Ruskin's ***Unto This Last*** impressed him greatly. The major writings of Tolstoy and Thoreau helped Gandhiji formulate his technique of 'Passive Resistance.' Gandhiji always remained thankful to them.

Gandhiji worked for social, economic, and educational improvements to rebuild India. He encouraged the development of small cottage industries such as spinning cotton in the villages of India. He vehemently opposed the

partition of his dear country into India and Pakistan and worked for Hindu-Muslim unity. He was a ruler without any sword and millions loved and obeyed him. He was not the politician in the Machiavellian sense. He never lost touch with religion and spirituality while dealing with politics. He was not like Karl Max and his followers who rejected religion in politics. According to Gandhiji, politics devoid of religion is a deathtrap.

Gandhiji appeared in Indian political scene when Gopal Krishna Gokhale and B.G. Tilak were the leaders of the Congress. Gokhale led the Moderates and Tilak led the revolutionaries. The revolutionaries never entered into the heart of common masses. Gandhiji understood the potentialities of Indian masses as he watched the situation through the length and breadth of the country as advised by his Guru, Gokhale. He assumed the leadership of the Congress after the death of Lokomanya Bal Gangadhar Tilak in 1920. He organized the poor farmers and labourers of India to protest against British oppression and discrimination. He led countrywide movement for the alleviation of poverty, liberation of women and brotherhood among people of different castes and religions. The Indian peasants defied the British rule under his leadership.

The great scientist Albert Einstein was also deeply impressed by Gandhiji's non-violent principles. He believed that Gandhiji's example would inspire international help and co-operation for ensuring world peace. In his book ***Out of my Years*** (1950), Einstein wrote about Gandhiji:

***"Generations to come, it may be, will scarce believe that such a one as this even in flesh and blood walked upon this earth"***

Indeed, Mahatma Gandhi is regarded as one of the greatest leaders of the world. He achieved his greatness after a long process of trial and error. He was a visionary and a man of indomitable spirit. He was a good-hearted person, and a great humanitarian. He was an epitome of nationalism, love, non-violence and sacrifice. Though he was assassinated on 30 January 1948 by a Hindu fanatic named Nathuram Godse, he is very much alive in the minds and hearts of millions of people. Mahatma's birthday is a National Holiday and the entire Indian nation gratefully acknowledges his sacrifice and contribution by commemorating the day as 'Gandhi Jayanti' every year with great love and deep respect. The United Nations Organization has observed his birthday as the International Day of Non-violence since 2007.

Gandhiji made outstanding contribution to the improvement of the position of women who had for centuries been oppressed in Indian societies. According to him, the condition of women was as bad as that of the untouchables. He called upon women to enter into public life and share the problems and privations of men. They should remove their fear and suffer for their cause. Gandhiji gave them opportunities to join the Freedom Movement spearheaded by him. Many women were arrested and imprisioned for their active involvement in it. The women were thus empowered to enjoy equal political rights with men. In fact, he included women in all his constructive programmes and in various social and academic institutions. As a result, Indian women were able to get equal employement opportunities in free India and to acclimatize themselves to the changing conditions. He also called upon men to respect women.

In his article entitled ***'Equality of Man and Woman,'*** Mahatma Gandhi defined his conception of gender equality. He said that woman is the companion of man gifted with equal mental capacities. A woman has the same right to freedom and liberty as a man has. She is entitled to have a supreme position in her own sphere of activity as a man is. Gandhiji criticized the vicious custom which gave superiority to the most ignorant and worthless man over the deserving women.

According to Gandhiji, man and woman are equal in status, but not identical. They are a peerless pair. They are complementary to each other. The existence of one is not possible without the other. So damage to the status of either of them will lead to the equal ruin of both. That is why, parents should treat their daughters and sons with complete equality.

Gandhiji found no justification for men to deprive women of equal rights on the ground of illiteracy. However, he stressed the need for their education to enable them to enjoy their natural rights wisely and to work for their expansion. In this connection, he said that a human being without education is not far removed from an animal. So education is necessary for both man and woman.

According to Gandhiji, describing women as the weaker sex is a libel. It is man's injustice to women.He went against the saying attributed to Manu that ***"for woman there can be no freedom."*** This saying shows that women were kept in a state of subjection. He said that in Indian literature a wife is described as ***Ardhangini*** (the better - half) and ***Sahadharmini*** (the help mate).

Expressing his views on the responsibility of Indian women as mothers, Gandhiji said that the future of India depends on women as they will nurture the future generation. They can bring up the Indian children as simple, God-fearing and brave men and women, or they can coddle them to be weak and unfit. They must adopt methods suitable to Indian environment. They should conserve the best in Indian culture and reject the base and degrading. In this context, he referred to the work performed by Sita, Draupadi, Savitri, and Damayanti.

Gandhiji disliked the dowry system and said that it discredits a man's education and dishonours womanhood. Marriage is not a matter of arrangement for money. This system should be eradicated. He also put forward his views on widowhood and said that voluntary widowhood adds dignity to life, sanctifies the home and uplifts religion. On the other hand, imposed widowhood is an unbearable yoke. It defiles the home by secret vice and degrades religions. Moroever, he opposed child marriages as they weaken the physical and moral resources of the nation.

To conclude, Gandhiji contributed enormously to gender equality by espousing the causes of women with great generosity and paramount importance. ■



# মিচিং সকলৰ বিবাহ পদ্ধতি

- ৰঘুনাথ কাগয়ুং

*অতীজত কোনো যুৱক বা যুৱতীয়ে কোনো অজাতি, মিপাগ বা পাগৰৰ যুৱক-যুৱতীক বিয়া পাতিলে সামাজিক আইন অনুসৰি যুৱক-যুৱতী হালক শাস্তি বিহিছিল। অকল ইমানতে ক্ষান্ত নাথাকি যুৱক-যুৱতীহালক সমাজৰ পৰা বহিস্কাৰ কৰিছিল আৰু সমাজৰ ৰায় অনুসৰি যুৱক-যুৱতী হালৰ মাক-দেউতাকৰ লগত খোৱা-বোৱা, চলন-ফুৰন আৰু অন্যান্য সামাজিক প্ৰথাসমূহ বিছিন্ন কৰিছিল।*

শদিয়াৰ পৰা সুদুৰ ধুবুৰীলৈ এই বিস্তৃতাঞ্চলত সিচঁৰতি হৈ থকা মিচিংসকল প্ৰধানতঃ নদীকেন্দ্ৰীক। মুখ্যতঃ চিৰি লুইতক কেন্দ্ৰ কৰি চিৰি লুইতৰ চেঁচা পানী লেখি লেখিয়েই মিচিং সকলে ৰচিছিল ভৱিষ্যতৰ আমেজ ভৰা ৰূপালী স্বপ্ন, সোণালী কল্পনা, মিঠাভৰা জোনালী সংগীত, চিৰি লুইতৰ পাৰত বহি সাজিছিল স্বপ্নৰ বালিঘৰ আৰু চিৰি লুইতৰ বুকুতেই গঢ়ি উঠিছিল মিচিংসকলৰ ৰীতি-নীতি, কলা-সংস্কৃতি, সমাজ-সভ্যতা আৰু জীৱন-জীজ্ঞাসা।

বিশেষতঃ অৰুণাচলৰ অধিবাসী পাঃদাম, মিএঃং আদি আদী জাতিৰ স'তে যদিও একালত মিচিংসকলৰ বৈবাহিক পদ্ধতিৰ সমিল-মিল আছিল, সম্প্ৰতি দূৰত্বৰ সীমাবদ্ধতা আৰু যোগাযোগ বিচ্ছিন্নতাৰ পৰিপ্ৰেক্ষিতত মিচিং সকলৰ বিবাহ পদ্ধতি নিজস্ব স্বকীয়তাৰে ধাবমান হৈছে। অৱশ্যে এইটোও স্বীকাৰ্য্য যে অতীজৰ অন্যান্য জনজাতিৰ বিবাহ নীতিৰ স'তে (যেনেঃ পাঃদাম, মিএঃং) যদিও মিচিংসকলৰ বৈবাহিক পদ্ধতিৰ আমূল পৰিৱৰ্তন হ'ল তথাপিও দাঁতি কাষৰীয়া অন্যান্য জাতিৰ ক্ৰমবিৱৰ্তিত বিবাহ নীতিৰ প্ৰভাৱৰ পৰা মিচিং সকলৰ বিবাহ নীতি মুক্ত হ'ব পৰা নাই।

আলোচ্য বিষয়টো ক'বলৈ যোৱাৰ প্ৰাক্ মুহূৰ্তত বিবাহ সিদ্ধ বা নিষিদ্ধ সম্পৰ্কে আলোকপাত কৰিলে বিষয়টো আলোচনা কৰাত সুস্পষ্ট হ'বযেন বোধগম্য হয়।

**ক) বংশগত ঃ**

বিবাহযোগ্য যুৱক-যুৱতী একে বংশজাত, একে গোত্ৰ, সমগোত্ৰ, একে পৰিয়াল, একে উপাধি আৰু একে উপবংশগত হ'লে বিবাহ পতা অসম্ভৱ। উল্লেখনীয় যে কোনো এটা উপাধিয়েই মিচিংসকলৰ একো একোটা বংশ, গোত্ৰ, আৰু পৰিয়াল। সেয়ে কাগয়ুং উপাধিৰ

যুৱকে কাগয়ুং উপাধিৰ যুৱতীক বিয়া পাতিব নোৱাৰে। আনহাতে ৰেগন বংশৰ পৰা ফালৰি কাটি গন্‌তা আৰু গন্‌মে বংশৰ সৃষ্টি। সেয়ে গন্‌তা আৰু গন্‌মেৰ মাজতো মিতিৰ পাতিব নোৱাৰেই ৰেগন বংশৰ স'তেও এই দুয়োটা বংশ মিতিৰ পতা অবান্তৰ।

**খ) সম্বন্ধগত বা সম্বোধনগতঃ** বিবাহযোগ্য যুকৰ যুৱতীৰ মাক-দেউতাক, ভাই-ভনী বা ককাই- বাই সম্বন্ধগত হ'লে বিয়া সিদ্ধ হয়। কিন্তু যুৱক-যুৱতীৰ দুই মাক একে বংশৰ হ'লে বিয়া নিষিদ্ধ। (যেনেঃ যুৱকজনৰ মাক যদি দলে বংশৰ আৰু যুৱতী গৰাকীৰ মাকও যদি দলে বংশৰ তেতিয়া বিয়া পাতিব নোৱাৰে।

আনহাতে যুৱতীৰ ক্ষেত্ৰত যুৱকজন মাগ্ব বা ভিনিহি আৰু য়িগী বা খুলশালী , সম্বোধনগত হ'লেহে বিবাহ সিদ্ধ হয়। একেদৰেই যুৱকৰ ক্ষেত্ৰত যুৱতী গৰাকী মাংমী বা নৰৌ আৰু য়িগী বা খুলশালী সম্বোধনগত হ'লেই বিবাহ সিদ্ধ হয়। কিন্তু যুৱকৰ ক্ষেত্ৰত যুৱতী গৰাকী বাই বা বাইদেউ আৰু বৃৰমে বা ভনী সম্বোধনগত হ'লে বিবাহ নিষিদ্ধ। আকৌ যুৱতীৰ ক্ষেত্ৰত যুৱকজন চাংচি বা দাদা আৰু বৃৰঃ বা ভাইটি সম্বোধনগত হ'লেও বিবাহ নিষিদ্ধ।

যুৱক-যুৱতীৰ সম্বন্ধৰ বাহিৰেও যুৱতীগৰাকীৰ মাক-দেউতাক যুৱক জনৰ বাবে কাকৃঃ-এঞাঞিঃ সম্বোধনগত হ'লেহে বিবাহ সিদ্ধ হয়। একেদৰে যুৱকৰ মাক-দেউতাক যুৱতীগৰাকীৰ বাবে কাকৃঃ-এঞাঞিঃ সম্বোধনগত নহলে বিবাহ সিদ্ধ নহয়। স্মৰ্তব্য যে সাধাৰণতে মামা-মামী বা শশুৰ-শাহুক মিচিং ভাষাত কাকৃঃ-এঞাঞিঃ বুলি কয়।

আনহাতে যুৱকজনৰ মাক-দেউতাকৰ বাবে যুৱতীগৰাকী য়ামেং সম্বোধিত হ'ব লাগিব আৰু যুৱতী গৰাকীৰ মাক-দেউতাকৰ বাবে যুৱকজন 'ইঅ' (Vo) সম্বোধিত হ'লেহে বিবাহ সিদ্ধ হয়। উল্লেখনীয় যে নিজৰ বা সম্বন্ধীয় বাইদেউ বা ভনীয়েকৰ পুতেক আৰু বিবাহযোগ্য যুৱতীৰ মাক-দেউতাকে বিয়া দিব খোজা যুৱকজনক "ইঅ' (Vo) বুলি সম্বোধন কৰে। 'য়ামেং'' ৰ ক্ষেত্ৰতো ঠিক একেই।

**গ) জাতিগতঃ** মিচিং সকল অজাতি (যেনেঃ অসমীয়া, বঙালী, বিহাৰী) মিপাগ (অসমীয়া) আৰু পাগ্‌বৰ (দাস) স'তে বিয়া নিষিদ্ধ। অন্যান্য জাতিৰ দৰেই মিচিং সমাজতো অতীজত দাস প্ৰথাৰ প্ৰচলন আছিল আৰু দাস বা পাগবৰ স'তে বিয়া-বাৰু নিষিদ্ধ কৰিছিল।

অতীজত কোনো যুৱক বা যুৱতীয়ে কোনো অজাতি, মিপাগ বা পাগবৰ যুৱক-যুৱতীক বিয়া পাতিলে সামাজিক আইন অনুসৰি যুৱক-যুৱতী হালক শাস্তি বিহিছিল। অকল ইমানতে ক্ষান্ত নাথাকি যুৱক-যুৱতীহালক সমাজৰ পৰা বহিষ্কাৰ কৰিছিল আৰু সমাজৰ ৰায় অনুসৰি যুৱক-যুৱতী হালৰ মাক-দেউতাকৰ লগত খোৱা-বোৱা, চলন-ফুৰন আৰু অন্যান্য সামাজিক প্ৰথাসমূহ বিচ্ছিন্ন কৰিছিল।

কিন্তু শিক্ষাৰ জেউতীৰে আলোকিত নতুন চাম যুৱক-যুৱতীয়ে সমাজৰ সেই আইন ভংগ কৰি সকলো জাতিৰ স'তে বিয়া-বাৰু পাতিব ধৰিছে আৰু খুউব কম সংখ্যক ঠাইৰ বাহিৰে এনেকুৱা মাংগলিক অনুষ্ঠানক অধিকাংশ মিচিং সমাজেই স্বীকৃতি দিছে বুলি কলেও অত্যন্ত বঢ়ায় কোৱা নহ'ব।

**বিবাহ পদ্ধতিঃ** মিচিংসকলৰ বিবাহ পদ্ধতি প্ৰধানতঃ গন্ধৰ্ব প্ৰথা, প্ৰস্তাৱ প্ৰথা আৰু সামাজিক বিবাহ প্ৰথা এই তিনিভাগত বহল অৰ্থত ভাগ কৰিব পাৰি।

সামাজিক বিবাহ প্ৰথা মতে মাক-দেউতাক আৰু যুৱক-যুৱতীৰ ইচ্ছানুসৰি সামাজিকভাৱে এই বিবাহ অনুষ্ঠিত কৰে। এই বিবাহ প্ৰথা মিচিং ভাষাত 'মিডাং' বোলা হয়। এই বিবাহ মিচিংসকলে অতি আড়ম্বৰ পূৰ্ণকৈ অনুষ্ঠিত কৰে। তুলনামূলক ভাৱে এই বিবাহ প্ৰথা অসমীয়া বিবাহ পদ্ধতিৰ স'তে একেই।

কোনো যুৱকে কোনো যুৱতীৰ প্ৰতি সন্মোহিত হৈ বিয়া পাতিবৰ মন যায় অথচ, প্ৰকাশ কৰিব নোৱাৰে। তেতিয়া কোনো লোকৰ হতুৱাই যুৱক জনে যুৱতী গৰাকীক নিজৰ প্ৰস্তাৱ আগবঢ়াই। লোকৰ হতুৱাই প্ৰস্তাৱটো আগবঢ়োৱা বাবে এনেকুৱা বিয়াক প্ৰস্তাৱ বিয়া বোলা হয়। মিচিঙত এই বিয়াক কোৱা হয় 'য়াম্‌নী তাদ্‌নাম'।

তৃতীয়বিধ হ'ল গন্ধৰ্ব বিবাহ। কোনো যুৱক-যুৱতীয়ে ইটোৰ প্ৰতি সিটো সন্মোহিত হৈ বিয়াৰ পূৰ্বেই ইটোৱে সিটোক পতি-পত্নী নিৰ্বাচিত কৰে। অতীজত কোনো বিবাহযোগ্য যুৱকে কোনো যুৱতীক ভাল পালে মুৰং ঘৰত গোপনে দঞি-পলঃক (চন্দ্ৰ-সূৰ্য) সাক্ষী কৰি এই বিবাহ সম্পাদন কৰিছিল। নিজে-নিজে পতী-পত্নী নিৰ্বাচন কৰা বাবে এই বিবাহক মিচিঙত 'কালৃগচুনাম' আৰু গোপনে অনুষ্ঠিত কৰা বাবে এই বিবাহক ঘৰৰ বোৱাৰী হ'ল বুলি ইৰৰইয়া (দীৰ্ঘজীৱি হওক) জয়ধ্বনি দিয়ে।

বিয়াৰ পিছদিনা দৰা ঘৰে নিজৰ বংশ-পৰিয়ালৰ ব্যক্তিৰ হতুৱাই আপং দুকলহ কইনা ঘৰলৈ দি পঠিয়াই আৰু ছোৱালী নিয়াৰ কথা অবগত কৰে।

ইয়াকে মিচিঙত দুগ্‌তাদ্ বোলে। কইনাঘৰে তেতিয়া তেওঁলোকৰ বংশ-পৰিয়ালক মাতি আনি কীবাং (মেল) বহুৱাই আৰু যথাৰীতি মতে দৰা পক্ষক আপ্যায়ন কৰে আৰু দৰাঘৰে অনা আপং দুকলহ মেলুৱৈ সকলৰ মাজত ভগাই খায়।

দুগ্‌তাদৰ সিদ্ধান্তমৰ্মে কিছু দিনৰ পিছতে অৰাই অনুষ্ঠিত কৰে। উক্ত দিনা দৰা-পক্ষ আৰু কইনা পক্ষৰ মাজত চলন ফুৰন বিনিময় হয়। দৰা পক্ষই প্ৰথমে কইনা পক্ষলৈ যায় আৰু কইনা পক্ষৰ বংশ পৰিয়ালৰ আতিথ্য গ্ৰহণ কৰে। তাৰ পিছত কইনা পক্ষও দৰা পক্ষলৈ যায় আৰু দৰাপক্ষৰ বংশ-পৰিয়াল বা মিতিৰ কুটুমৰ আতিথ্য গ্ৰহণ কৰে।

অৰাইৰ কিছু দিনৰ পিছত কইনাই পতিৰ স'তে মাকৰ ঘৰলৈ যায়। ইয়াকে কয় 'য়াগে'। য়াগেত কইনাৰ জন্ম গাঁৱৰ প্ৰতিঘৰ মানুহৰ ওচৰলৈ গৈ তামোল-পাণ দি সুখ-দুখৰ কথা-বাৰ্ত্তা বিনিময় কৰে। কিছুদিন মাকৰ ঘৰত থাকি আকৌ পতি ঘৰলৈ ঘুৰি যায়।

য়াগেৰ আগলৈকে কইনাই মাকৰ ঘৰত সোমোৱা নিষিদ্ধ। য়াগেৰ পিছত ইচ্ছামতে মাকৰ ঘৰত কইনাই আহ-যাহ কৰিব পাৰে। বহুত বছৰৰ পিছত শেষবাৰৰ বাবে কইনাই মাকৰ ঘৰলৈ সামাজিক নীতি অনুসৰি পদাৰ্পণ কৰে। ইয়াকেই দুনী বুলি কোৱা হয়। দুনীত কইনাই জন্ম গাঁৱৰ প্ৰতিজন ব্যক্তিক তামোল-পাণ দিয়ে। লগতে এৰাতিৰ বাবে গাঁৱৰ ৰাইজক নিমন্ত্ৰণ জনাই বিহু মাৰিবলৈ দিয়াই নহয় নিজেও বিহু মাৰে। বিহুৰ শেষত নিজৰ অতীতৰ অজ্ঞাত অপৰাধৰ বাবে ক্ষমা প্ৰাৰ্থনা খোজে। এই দুনীৰ পিছত কইনাৰ ক্ষেত্ৰত মাক-দেউতাকৰ একো অধিকাৰ নাথাকে। ■







# বিবাহ অনুষ্ঠানত দৰা আৰু কইনা সখীৰ ভূমিকা

*-বিৰিঞ্চি কুমাৰ শইকীয়া*

**অসমীয়া সমাজত বিবাহৰ পূৰ্বে দুয়োখনঘৰৰ বয়োজ্যেষ্ঠ সকলে কইনা চোৱাৰ আনুষ্ঠানিকতা সম্পন্ন কৰাৰ আগে পাছে দৰাজন সখীসহ কইনাৰ ঘৰলৈ যোৱাটো বাঞ্চনীয়। আনফালে আকৌ আনুষ্ঠানিকতাৰ সময়ত কইনাঘৰত কইনাসখীয়ো সংগীস্বৰূপে কইনাৰ লগত থকা দেখা যায়।**

পৃথিৱীৰ সকলো জনগোষ্ঠীৰে নিজস্ব বিভিন্ন পৰম্পৰা ৰীতি-নীতি সংপৃক্ত হৈ থাকে বিবাহ অনুষ্ঠানৰ লগত। তদ্ৰূপ অসমীয়া সমাজৰ বিবাহ অনুষ্ঠানো ইয়াৰ ব্যতিক্ৰম নহয়। প্ৰচলিত এই পৰম্পৰা, ৰীতি-নীতিবোৰৰ জৰিয়তে অসমীয়া লোক সংস্কৃতি তথা স্বকীয়তাও প্ৰতিফলিত হয়। এই অনুষ্ঠানৰ বিভিন্ন পৰম্পৰাৰ ভিতৰত এক উল্লেখনীয় হ'ল দৰা আৰু কইনাৰ সখী।

বন্ধুত্ব এক বিশেষ মৰ্য্যাদাপূৰ্ণ সম্পৰ্ক। মানৱজীৱনৰ বিভিন্ন সম্পৰ্ক যেনে-ককাইদেউ, বাইদেউ, মামা, পেহী আদি জন্মগত হোৱাৰ বিপৰীতে বন্ধুত্ব আমি নিজ হৃদয়েৰে গঢ়া সম্পৰ্ক, য'ত তেজ মঙহৰ কোনো সম্পৰ্ক নাই, থাকে মাথো আন্তৰিকতা। তদুপৰি এই সম্পৰ্কত ধনী-দুখীয়া, উচ্চ-নীচ, জাত-পাত আদি গুৰুত্বহীন বিষয়। প্ৰকৃতবন্ধুৱে জীৱনৰ প্ৰতিক্ষণতে সমভাগী হৈ কাষত থিয় দিয়ে। অসমীয়া সমাজত বন্ধুত্বৰ মৰ্যাদা সুকীয়া। সেয়েহে অসমীয়া লোকসংস্কৃতিত সখী পতাৰ এক বিশেষ অনুষ্ঠান আছে। দুজন সমনীয়াৰ মাজত হৃদয়ৰ এই সম্পৰ্ক গঢ় লৈ উঠিলেই দুয়োখনঘৰে দুয়োজনকে সখী পাতি দিয়ে। কিন্তু দুখৰ বিষয় যান্ত্ৰিকতাময় আধুনিকতাৰ ধামখুমীয়াত আৱদ্ধ হৈ বৰ্তমান আমি এই অনুষ্ঠান-পৰম্পৰাক জলাঞ্জলি দিবলৈ ওলাইছোঁ।

যি কি নহওঁক আমাৰ অসমীয়া সমাজত বন্ধুত্বৰ মহত্ব উপলব্ধি কৰিয়ে জীৱনৰ এক বিৰল মূহুৰ্ত বিবাহ অনুষ্ঠানত বন্ধুক সমভাগী কৰা হয়। অৱশ্যে আন বিভিন্ন সমাজতো বন্ধুক সমভাগী কৰা হয় যদিও বোধহয় অসমীয়া সমাজৰ দৰে আন কোনো এখনতে বন্ধুত্বৰ এই ৰূপ প্ৰতিফলিত নহয়। এই খিনিতে উল্লেখনীয় যে বিশেষ মৰ্যাদা আৰোপ

কৰা বন্ধুজনৰ অৰ্থাৎ দৰা সখী বা কইনা সখীৰ নিৰ্বাচনত জাত-পাত বিচাৰৰ দৰে সংকীৰ্ণ মনোভাৱক প্ৰশ্ৰয় নিদি যি কোনো সম্প্ৰদায়ৰ বন্ধু বা সখীক আকোঁৱালি লোৱা হয়।

অসমীয়া সমাজত বিবাহৰ পূৰ্বে দুয়োখনঘৰৰ বয়োজ্যেষ্ঠ সকলে কইনা চোৱাৰ আনুষ্ঠানিকতা সম্পন্ন কৰাৰ আগে পাছে দৰাজন সখীসহ কইনাৰ ঘৰলৈ যোৱাটো বাঞ্ছনীয়। আনফালে আকৌ আনুষ্ঠানিকতাৰ সময়ত কইনাঘৰত কইনাসখীয়ো সংগীস্বৰূপে কইনাৰ লগত থকা দেখা যায়। দৰা-কইনা চোৱা অনুষ্ঠানৰ পাছত আঙুঠি পিন্ধোৱা অনুষ্ঠানতো দুয়োৰে সখী থকাটো লক্ষণীয়। মূল বিবাহ অনুষ্ঠানৰ পূৰ্বৰ অনুষ্ঠানবোৰত সখীৰ বিশেষ কৰণীয় ৰীতি-নীতি নাথাকে যদিও মূল বিবাহ অনুষ্ঠানত কিন্তু সখীসকলৰ পালনীয় কিছু ৰীতি-নীতি থাকে। মূল বিবাহৰ পূৰ্বে দৰা সখী আৰু কইনা সখী দুয়োৰে ক্ষেত্ৰত আগতীয়াকৈ দৰাৰ মাক-দেউতাকে দৰা সখীৰ মাক-দেউতাকক আৰু কইনাৰ মাক-দেউতাকে কইনা সখীৰ মাক-দেউতাকক গুৱা-পাণ আগবঢ়াই তেওঁলোকৰ পুত্ৰ বা কন্যাক দৰাসখী বা কইনাসখী কৰিবৰ বাবে অনুমতি বিছাৰি নিমন্ত্ৰণ কৰেগৈ। মাক-দেউতাকৰ অনুমতি সাপেক্ষে বিবাহৰ তিনি-চাৰিদিনমান আগৰ পৰা সখীয়েক বিয়াঘৰত উপস্থিত হয়। পিতৃ প্ৰধান সমাজৰ নিয়ম, বিবাহৰ পাছত কইনা গৰাকীৰ বাবে মাতৃগৃহ হৈ পৰে ক্ষন্তেকৰ আলহীৰ ঘৰ। সেয়েহে গাভৰু কালৰ শেহান্তত নিজ মাতৃগৃহৰ লগতে জ্ঞাতি-কুতুম্ব সকলেও ভাত এসাঁজ খুওৱাই পঠিওৱাটো এক পৰম্পৰা। এই পৰম্পৰাত সমানে অন্তৰ্ভুক্ত হয় কইনাসখী। তদুপৰি নিজ মাতৃগৃহত কইনা আৰু কইনাসখীক খাবলৈ দিয়া হয় একেখন কাঁহীত।

মূল বিবাহৰ আগদিনা দৰাঘৰৰ পৰা জোৰোণ আহি কইনাঘৰৰ সমাজত বহে। কইনাক জোৰোণ পিন্ধাৰৰ বাবে কইনাৰ সখীয়ে সজাই-পৰাই সমাজলৈ উলিয়াই আগবঢ়াই আনে। সখীয়ে জোৰোণ পিন্ধোৱাৰ প্ৰতি মুহূৰ্ততে কইনাক সহায় কৰি থাকে। আকৌ নিশালৈ কইনাৰ 'মূৰত তেল দিয়া' বা 'গাঠিয়ন খুন্দা' আদি অনুষ্ঠান আৰু মূল বিয়াৰ দিনা 'কইনা নুওৱা' আদি অনুষ্ঠানবোৰত কইনাৰ ছাঁ হৈ থাকে সখীগৰাকী। 'কইনা নুওৱা'ৰ পাছত সমাজত পাটিত বহুৱাই সজোৱা হয় কইনা গৰাকীক। পৰিবৰ্তনশীল সমাজত সৌন্দৰ্য-বিশেষজ্ঞৰ পয়োভৰৰ সময়ত কইনাৰ গাতো বিশেষজ্ঞৰ পৰশ স্পৰ্শিত হোৱাটো অস্বাভাৱিক নহয়। কিন্তু গ্ৰাম্য অঞ্চলৰ বিবাহবোৰত আজিও এই কামফেৰা কিন্তু সখীৰ ওপৰতহে ন্যস্ত হৈ থাকে। সেয়েহে আয়তীসকলে নামযোৰে এইদৰে-

"অ' মন তৰা আইদেউক সজাবলৈ
আহে ক'ৰ পৰা,
আইদেউক সজাবলৈ
সখীয়েক আহে
চুচুক-চামাক কৰি লাজতে মৰে।"

এইদৰে দিনটো অতিবাহিত হোৱাৰ পাছত নিশালৈ দৰা আহি সমাজত বহাৰ পাছতে সখীৰ সতে কইনা আহি দৰাৰ বাওঁহাতে বহে আৰু সখীগৰাকী কইনাৰ বাওঁহাতে কাষতে বহে। এই সময়ত কইনাই কথা নাপাতে আৰু যদিহে কোনো কাৰণত কিবা ক'বলগীয়া হয় তেতিয়া সখীক কেৱল ক'ব পাৰে।

আনফালে আকৌ দৰা ঘৰতো দৰাসখী বা দৰাধৰা বিবাহৰ তিনি দিনমান আগতে আহি উপস্থিত হয়। ঠাইবিশেষে দৰাঘৰত পালন কৰা 'মূৰত তেল দিয়া' বা 'গাঠিয়ন খুন্দা' আদি অনুষ্ঠানত সখীজন কাষত থকাটো বাঞ্ছনীয়। বিয়াৰ দিনা দৰা নুওৱাৰ পাছত সখীক নুওৱাৰ কোনো ৰীতি নাই যদিও দৰাৰ নবৌক বা আইতাক আদি সম্পৰ্কীয় লোকসকলে ধেমালীৰ ছলেৰে সখীয়েককো বেইৰ তলত নুওৱা দেখা যায়। দিনত সখীজনৰ বিশেষ কৰণীয় ৰীতি নাথাকে যদিও নিশালৈ দৰা কইনাঘৰলৈ ওলোৱাৰ সময়ত সখীজনেও দৰাৰ দৰেই ধুতিসাজ পিন্ধি দৰাৰ লগত ওলাই যায়। মাংগলিক অনুষ্ঠানবোৰত চাউল ব্যৱহাৰ কৰা হয়। দৰা আহি কইনাঘৰৰ পদূলিৰ কলতলত থিয়হোৱাৰ লগে লগে কইনাৰ ভনীয়েকে ভৰি ধুৱাই মাকে চাউল চটিয়াই আদৰে। কিন্তু বিয়া যিহেতু ৰং-ধেমালীৰ অনুষ্ঠান কিছুমানে দৰাৰ গালৈ বেছিকৈ চাউল চটিয়াই ধেমালী কৰে। এনে সময়ত সখীজনে লগত লৈ অহা ছাটিটো মেলি দৰাজনক চাউলৰ পৰা ৰক্ষা কৰে। যি কাৰণতেই নহওক দৰাৰ লগত এটা ডাঙৰ ক'লা ছাটি লোৱা হয় আৰু এই ছাটিটো সখীজনেই যিহেতু ল'ব লাগে গতিকে সখীজনক ছাটিধৰা বুলিও কোৱা হয়। দৰাই কইনাঘৰৰ সমাজত বহাৰ লগতে সখীজনেও দৰাৰ সোঁফাললৈ কাষতে বহে। কইনাৰ দৰে দৰাজনেও এনে সময়ত কিবা ক'বলগীয়া হ'লে

কেৱল সখীকহে ক'ব পাৰে।

সাধাৰণতে দৰাঘৰতে হওঁক বা কইনাঘৰতে হওঁক দৰাসখী আৰু কইনাসখীকলৈ নানান নির্দোষ ধেমালী কৰা হয়। সেয়েহে দৰা কইনাঘৰলৈ যাবলৈ ওলাওঁতে আয়তীয়ে নাম যোৰে এইদৰে-

"ৰাম ওলাল যাবলৈ,
তুলসীৰে মালা লৈ
দৰা-ধৰা ওলাইছে,
শুকান বেজাৰ পাবলৈ।

দৰা কইনাঘৰত উপস্থিত হোৱাৰ পাছত কইনাঘৰৰ আয়তীয়ে দৰাসখীকলৈ নাম যোৰে এইদৰে,-

"অ' মন তৰা এজনী কইনা দুজন দৰা,
এজনৰ মূৰতে তুলসীৰ মালা।
আনজন দেখিছোঁ ছাতি ধৰা,
মালা পিন্ধাজনে ছোৱালী পাব।
ছাতিধৰাজনে বোন্দাপৰ দিব।"

কেতিয়াবা দৰাসখীৰ লগত চিনাকী হ'বলৈ মাতি নামযোৰে এইদৰে-

"আন্ধাৰে জোনাকী
আহা দৰাধৰা আমি হওঁ চিনাকী
চিনাকী হ'বলৈ খালি হাতে নাহিবা।
মর্টন আৰু চফেৰে শৰাই ভৰাই আনিবা।।
এটা দিলে নহ'ব, দুটা দিলে নহ'ব।
প্ৰতিজনী নামতীক দৰ্জনকৈ লাগিব।"

আকৌ কেতিয়াবা দৰা সখীক সান্ত্বনা দিয়াৰ ছলেৰে নাম যোৰে এইদৰে-

"পৰি আয়না ভাগিলে,
সখীয়ে তোমাক ঠগিলে।
মিছাকৈয়ে দৰা সজাই,
তোমাক লগত আনিলে।।
দৰা সাজি আহিলা,
কলৰ তলত সোমালা।
মনত চাগৈ ভাবিছা,
মোৰনো হ'ব কেতিয়া।।
বসন্তকাল আহিব,
জুৰ মলয়া বলিব।
চিন্তা নকৰিবা,
তোমাৰো দিন আহিব।।"

তদুপৰি কেতিয়াবা দৰাসখী আৰু কইনাসখীক যোৰা দিও ধেমালী কৰা হয় আৰু তেতিয়া আয়তীয়ে নাম যোৰে এইদৰে,-

"জুট জৰি জুটিছোঁ,
দৰা ধৰা আহিছে নামেৰেহে যোৰিছোঁ।
অ' দৰা ধৰা চিন্তা নকৰিবা।
তোমাৰে কাৰণে আছে কইনা ধৰা।।"

সমাজত দৰা-কইনা কাষত বহাৰ পাছতে লগুণ গাঁঠি দি বিভিন্ন ৰীতি-নীতিৰ মাজেৰে মূল বিবাহ কাৰ্য সম্পন্ন কৰা হয়; আৰু তাৰ পাছতে লগুণ গাঁঠি খোলা হয়। কিন্তু গাঁঠিখোলাৰ আগমুহূৰ্তত লগুণগাঁঠি দিয়া বস্ত্ৰখনক লৈ দৰাঘৰীয়া আৰু কইনাঘৰীয়াসকলে টনা-আজোৰা লাগে। কিন্তু যি হ'লেও এই বস্ত্ৰখন প্ৰথমে কইনাঘৰীয়া সকলে পোৱাৰ নিয়ম আৰু তাৰ পাছতে দৰাৰ সখীজনে গুৱা-পাণ আৰু অৰিহণা সহ শৰাই কইনাসখীলৈ আগবঢ়াই বস্ত্ৰখন বিছাৰি আনিব লাগে।

এইদৰে বিবাহকাৰ্য সম্পন্ন হোৱাৰ পাছতে সখীসহ দৰা কইনাক সমাজৰ পৰা কইনাৰ ঘৰৰ ভিতৰলৈ নি কেওজনকে জলপানেৰে আপ্যায়িত কৰা হয়। তাৰ পাছতে দৰাৰ কইনাসহ আৰম্ভ হয় গৃহযাত্ৰা। এই যাত্ৰাত আন বিভিন্ন জনৰ লগতে কইনাৰ সহযাত্ৰী হয় কইনাসখী গৰাকী। অৱশেষত এসময়ৰ সুখ-দুখৰ সমভাগী শৈশৱৰ লগৰীক স্বামীৰ হাতত অৰ্পণ কৰি নিজ গৃহলৈ উভতি আহে সখী। বিয়াৰ পাছত নৱদম্পতীয়ে আন বিভিন্ন জনৰ লগতে আশীৰ্বাদ বিছাৰি মানধৰে দৰাসখীক। ঠিক তেনেকৈ আঠ মংগলাৰ দিনাও কইনাৰঘৰত উপস্থিত থকা কইনাসখীকো মানধৰে নৱদম্পতীয়ে। তদুপৰি অনাগত দিনতো দুয়োসখী সমানে সমভাগী হয় নৱদম্পতীৰ।

এই দৰেই দৰা-কইনাই সামাজিক ৰীতি-নীতিৰে আৱদ্ধ হৈ এক নৱজীৱনৰ পাতনি মেলি বন্ধুত্বৰ অস্তিত্বক চিৰদিন থাকে সুঁৱৰি। এই বন্ধুত্বৰ এনাজৰী আজীৱনৰ। সেয়েহে কইনা সখীৰ ক্ষেত্ৰত দেখা নগলেও দৰাসখীৰ ক্ষেত্ৰত দুয়োৰে-দুয়োৰ সখী বা ছাতিধৰা হোৱা দেখা যায়। যি পৰম্পৰাই অসমীয়া বিবাহ অনুষ্ঠানক কৰি তুলিছে অতুলনীয়, অনন্য আৰু বন্ধুত্বৰ মৰ্যাদাক স্থাপন কৰিছে এক সুকীয়া স্থানত। ■

# অন্ধবিশ্বাস, নাৰী আৰু বিজ্ঞান

- ৰীতা দত্ত
অসমীয়া বিভাগ
সোণাৰি মহাবিদ্যালয়

*....এগৰাকী নাৰীৰ প্ৰধান দুৰ্বলতাই হৈছে- স্বামীৰ অপকাৰ হোৱাটো মানি নোলোৱা। এই দুৰ্বলতাকে লৈ অনেক ভণ্ড জ্যোতিষীয়ে হেজাৰটকীয়া পাথৰ সেন্দুৰত মিহলাই নাৰীৰ অন্ধবিশ্বাসৰ সুবিধা লৈয়েই ব্যৱসায় চলাই যাবলৈ সুবিধা পাইছে।....*

অন্ধবিশ্বাসক লোকবিশ্বাসৰ পৰিসীমাৰ অন্তৰ্গত দিশ বুলি ক'ব পাৰি। A.H. KRAPPE য়ে তেখেতৰ 'THE SCIENCE OF FOLKLORE' নামৰ গ্ৰন্থত উল্লেখ কৰা মতে অন্ধবিশ্বাসৰ ইংৰাজী প্ৰতিশব্দ ৰূপে ব্যৱহৃত STARE ৰ পৰা বিকাশ হৈছে আৰু ইয়াৰ প্ৰতিশব্দ Superstition ৰ সমাৰ্থক গ্ৰীক শব্দ DEISIDAIMANIA আৰু ইয়াৰ অৰ্থ ঈশ্বৰৰ প্ৰতি ভয়। এই গ্ৰীক শব্দটোৱে সদায় দেখা জগত খনতে লুপ্ত হৈ থকা অদৃশ্য একোটা শক্তিয়ে মানুহৰ অন্তৰত কিদৰে বিশ্বাস প্ৰৱণতাৰ বিভিন্ন চক্ৰ নিৰ্ম্মাণ কৰি আহিছে তাৰেই ইংগিত বহন কৰে।

ডঃ নবীন চন্দ্ৰ শৰ্মা দেৱৰ মতে, 'প্ৰকৃতিৰ অলৌকিক কাৰ্য্যাৱলীৰ প্ৰতি সহজ বিশ্বাস প্ৰৱণতা, অজ্ঞেয়ৰ প্ৰতি যুক্তিবিহীন ভীতি বিহ্বলতা অথবা ৰহস্যাবৃত ঘটনা আৰু ভুলপথে পৰিচালিত শ্ৰদ্ধাৰ ওপৰত নিৰ্ভৰশীল আচৰণ, অনুষ্ঠান আৰু বিশ্বাসৰ প্ৰতি আনুগত্য আদিয়েই অন্ধবিশ্বাসৰ বুনিয়াদ।'

অন্ধবিশ্বাস যুক্তিহীন। ই আনৰ অপকাৰো কৰিব পাৰে। উদাহৰণস্বৰূপে কোনো সংস্কৃতিত বিদ্যুৎ আক্ৰান্ত হৈ আহত হোৱাজনক বা পানীত পৰি মৰিবলৈ উদ্যত লোকক ৰক্ষা কৰা নিষিদ্ধ কৰ্ম। এই অন্ধবিশ্বাসৰ ফল অতি মাৰাত্মক।

সমাজৰ সৰ্বস্তৰতে অন্ধবিশ্বাসৰ প্ৰচলন আছে; লাগিলে



সি অভিজাত অথবা শিক্ষিত সমাজেই হওক। কিন্তু শিক্ষিত সমাজৰ অনেকে অন্ধবিশ্বাসৰ সৈতে সংগ্ৰামো নকৰাকৈ থকা নাই। তথাপিও শনি বা মঙ্গলবাৰে দাড়ি-চুলি নকটাকৈ থাকে। এই কথাষাৰ কিন্তু তেনেলোকে - অন্ধবিশ্বাসৰেই নামান্তৰ বুলি মানি লবলৈ বেয়া পায়।

অসমীয়া লোক সংস্কৃতি প্ৰধানকৈ স্ত্ৰী নিৰ্ভৰশীল। কাৰণ নাৰীয়েহে ৰীতি-নীতি, পৰম্পৰা আৰু ধ্যান-ধাৰণা সমূহক মুখ্যভাৱে সংৰক্ষণ কৰি আহিছে। উদাহৰণৰ বাবে আৰু বিষয়বস্তুক স্পষ্ট কৰিবৰ বাবে অসমীয়া সমাজে মানি অহা জীৱন সম্পৰ্কীয় লোকাচাৰ বোৰলৈ আজি আঙুলিয়াব বিচাৰিছো। সেইবিলাক হ'ল ক্ৰমেঃ (ক) জন্ম সম্পৰ্কীয় লোকাচাৰ, (খ) বিবাহ সম্পৰ্কীয় লোকাচাৰ আৰু (গ) মৃত্যু সম্পৰ্কীয় লোকাচাৰ।

**জন্ম সম্পৰ্কীয় লোকাচাৰ তথা বিজ্ঞান ঃ** নাৰীৰ গৰ্ভত ভ্ৰূণে স্থিতি লোৱাৰ পৰা সন্তান প্ৰসৱ কৰালৈকে, বা প্ৰসৱ কৰাৰ পৰা সন্তানমুখী সকলো নীতি-নিয়ম পালন কৰালৈকে মুখ্যতঃ নাৰীৰ ওচৰত নাৰীয়েই উপস্থিত থাকি কৰ্তব্য কৰি যায়। সন্তান গৰ্ভত থকা অৱস্থাত স্বামীয়ে জীৱহত্যা কৰিব নেপায় আৰু স্ত্ৰী-সংসৰ্গৰ পৰা বিৰত থাকিব লাগে। জীৱহত্যা কৰিলে নিজৰ সন্তানৰ অপকাৰ হব বুলি বিশ্বাস কৰা হয়। এই ক্ষেত্ৰত বিজ্ঞানে কি কয় আমি নেজানো যদিও স্ত্ৰীৰ সংসৰ্গৰ পৰা বিৰত থাকিবলৈ চিকিৎসা বিজ্ঞানেও পৰামৰ্শ দিয়ালৈ চাই তাক অন্ধবিশ্বাস বুলি কব নোৱাৰি। জীৱহত্যা কৰা-নকৰাটো বিশেষকৈ মনৰ সৈতে সম্পৃক্ত এক ধাৰণা যাক উলায়ো কৰিব নোৱাৰি। ঠিক তেনেদৰে গৰ্ভস্থ মাতৃক পঞ্চামৃত খোৱাটোও বিজ্ঞানসন্মত। কিন্তু নবাগতৰ মুখ নেলাগিবলৈ মাকে দিয়া মাটিৰ ফোঁটটো কিমান বিশ্বাসযোগ্যহু

**(খ)** বিবাহ সম্পৰ্কীয় লোকবিশ্বাস বা লোকাচাৰলৈ চালেও আমি দেখো 'বেই'ৰ তলত কণী দিয়াৰ ব্যৱস্থা বা নিয়ম আৰু দৰাৰ ঘৰৰ পৰা জোৰণৰ লগত 'মাছ' দিয়াৰ যি ৰীতিৰ প্ৰচলন আছে, তাতো আছে এক লোকবিশ্বাস। মাছ প্ৰজননৰ প্ৰতীক। ঠিক একে উদ্দেশ্যেৰে নোৱাই তোলনী বিয়াতো কাপোৰৰ কেঁচুৱা

সাজি কইনাৰ মাক, আইতাকহঁতে কোলাত লৈ চুমা খায়। ঠিক সেইগৰাকী নাৰীয়ে যদি ভৱিষ্যতে সন্তানৰ মুখ নেদেখে; তেতিয়া তেওঁক কুলক্ষনীয়া আখ্যা দিয়া হয়। আকৌ ভাগ্যৰ বিড়ম্বনাত অকালতে বৈধব্য ল'বলগীয়া তিৰোতাকো একে দৃষ্টিৰে চোৱা হয়। আনকি এনে নাৰীক লৈ অনেক লোক বিশ্বাসেও গঢ় লৈ উঠিছে। যেনে শুভ কামত যাত্ৰা কৰোতে এনে নাৰীক দেখিব নেপায় বা কোনো মাঙ্গলিক কামতো তেনে নাৰীক অংশগ্ৰহণ কৰিবলৈ দিয়া নহয়। এই বোৰে সেই নাৰীগৰাকীক অধিক মনোকষ্টহে দিয়ে। তাতকৈ তেনেনাৰীক মানসিক শক্তি প্ৰদান কৰিবলৈহে আমি চেষ্টা কৰিব লাগে।

(গ) মৃত্যু সম্পৰ্কীয় লোকাচাৰ সমূহতো বিশেষকৈ পৰিয়ালৰ প্ৰধান বা স্বামীৰ মৃত্যু হ'লে নাৰীয়েই প্ৰথমে শিৰৰ সেন্দুৰ পৰিহাৰ কৰি বগা-উকা সাজ পৰিধান কৰিব লাগে। নাৰীয়ে সাধাৰণতেই শ্মশান যাত্ৰাত অংশ গ্ৰহণ নকৰে।

অন্যান্য দৈনন্দিন পালনীয় ৰীতি-নীতি সমূহতো নাৰীৰ ভূমিকাই অধিক। মাহেকীয়া ঋতুস্নানৰ সময়ত প্ৰত্যেকগৰাকী নাৰীয়েই যথেষ্ট নীতি-নিয়ম মানি চলা দেখা যায়। এই কেইদিনত তেওঁলোকক অশুচি বুলি ধৰা হয়। তেওঁলোকে ৰন্ধা-বঢ়া বা গোঁসাই সেৱাৰ পৰা বিৰত থাকে। এই সম্পৰ্কত এক ব্যাখ্যা দাঙি ধৰিছে ডঃ বৰুণকুমাৰ চক্ৰৱৰ্তীয়ে এনেদৰে-গোটেই দিনটো পৰিশ্ৰম কৰি থকাই হয় বাবে উক্ত দিন তিনিটা বিশ্ৰামৰ কাৰণে ৰখা হয়। "মাসিকের ফলে স্ত্ৰীলোকেরা এমনিতেই এই সময় স্বাভাবিক অবস্থার তুলনায় দুর্বল হয়ে পড়ে। — তাছাড়া মাসিকের সময় মহিলাদের রক্তে Toxin এবং Menotoxin তৈরী হয়, যা সকল প্রকার সূক্ষ্ম জীবিতাংশয় (Protoplasmic) পক্ষই ক্ষতিকারক।" এইবোৰ কাৰণতেই মাহেকীয়াৰ সময়ত নাৰীয়ে সংসাৰৰ অনেক কৰ্মৰ পৰা দূৰত থকা উচিত। সেইবুলি অহা-যোৱা কৰা কানি কাপোৰ আদি তিয়াই-বুৰাই অযথা সময় অপব্যয় কৰাৰো কোনো যুক্তি নাই। বৰ্তমান নাৰীয়ে ঘৰুৱা কামবন কৰিও দিনটো অফিচে-কাছাৰীয়ে কৰ্মত ৰত হৈ



থাকিবলগীয়া হোৱাত এইবোৰ নিয়ম নগৰাঞ্চলত প্ৰায় নাইকিয়াই হৈ পৰিছে।

এনে ধৰণৰ অনেক অন্ধবিশাসে আমাৰ শিক্ষিত বা অশিক্ষিত সমাজক এনেদৰে আৱৰি আছে যে তাৰ পৰা সহজে নিস্তাৰ পাবও নোৱাৰি। দেখা যায় অনেক মাতৃয়ে পৰীক্ষাত সন্তানে শূণ্য পাব বুলি আলু-কণী জাতীয় খাদ্য খাবলৈ নিদিয়ে। শনি বা মঙলবাৰে চুলি বা হাত-ভৰিৰ নখ কাটিবলৈ নিদিয়ে। সন্তানক সততেই সোঁৱৰাই থাকে যে ঘৰ সৰা ঝাড়ু দুটা ওলোটাকৈ থব নেপায় বা লগলগাই থলে ঘৰত কাজিয়া হয়। ৰাতি জাৱৰ-জোঁথৰ বাহিৰত পেলাব নেপায়। প্ৰকৃততে, জাবৰৰ লগত মূল্যবান বস্তুও পেলনী যাব পাৰে বুলিহে এই কথাষাৰ কোৱা হয়। কন্যা সন্তানে খোজ কাঢ়োতে যাতে ভৰিৰে শব্দ নকৰে তাৰ বাবে মাতৃ জাতিৰ অনেকেই সচেতন।

উক্ত নিষেধবোৰ যদি আমি অন্য এক দৃষ্টিকোণৰ পৰা লক্ষ্য কৰো তেন্তে আমি লোকমনৰ আন কিছুমান দিশহে দেখা পাম। যেনে - বোৱাৰীয়ে জ্যেষ্ঠ জনৰ আগত ওৰণি লোৱা বা নিম্ন আসনত বহা। এইটো সম্পূৰ্ণ সন্মানসূচক ব্যৱহাৰ। কোনো শুভকাৰ্য উপলক্ষে অনুষ্ঠিত অনুস্থানৰ পূৰ্বে চৰু-কেৰাহী ধোৱা, ঘৰ-মছা আদি পাৰিপাট্য আৰু আত্মিক শুদ্ধতাৰহে পৰিচায়ক।

নাৰীয়েই ঘৰৰ গৃহিনী। সংস্কৃত আলংকাৰিকে 'ঘৰক ঘৰ' বোলাৰ পৰিৱৰ্ত্তে 'ঘৈণীকহে ঘৰ' বুলিছেঃ 'ন গৃহং গৃহমিত্যাহু গৃহিনী গৃহমুচ্যতে।' ডঃ প্ৰফুল্ল কুমাৰ নাথদেৱৰ ভাষাৰে সামৰিব পাৰিঃ "নাৰীৰ আচৰণ, কৰ্তব্যজ্ঞান আৰু দায়িত্ববোধৰ ওপৰতেই একোখন ঘৰৰ স্থায়িত্ব আৰু ভৱিষ্যৎ সুখ-শান্তি আৰু সমৃদ্ধি নিৰ্ভৰ কৰে।" সেই বাবেই কোৱা হয় "তিৰীয়েই গিৰি, তিৰীয়েই হতশ্ৰী।"

আমি ইয়াকো ক'ব নোৱাৰো যে অন্ধবিশ্বাস আৰু লোকবিশ্বাস সমাৰ্থক। লোকবিশ্বাস কিছুমানৰ অন্তৰালত যুক্তি-যুক্ততাও থাকে। কিন্তু অন্ধবিশ্বাসবোৰ ভিত্তিহীন। নহ'লে বৰ্তমান অসমৰ বাতৰি কাকতবোৰত ইমানকৈ 'ডাইনী' সন্দেহত কৰা হত্যাৰ কাহিনী পঢ়িবলৈ পোৱা নগ'লহেতেন। এনেধৰণৰ ক্ষতিকাৰক

অন্ধবিশ্বাসবোৰে কৰা আন এক জলন্ত উদাহৰণ হ'ল গড় নিধন কাৰ্য্য। যি গঁড়ৰ খড়গত প্ৰকৃততেই ৰোগীৰ অমঙ্গল দূৰ কৰিবপৰা কোনো পদাৰ্থই নাই বুলি প্ৰমানিত হৈছে; সেই গড় নিধন কাৰ্য্য বা হাতীৰ দাঁতৰ বাবে কৰা হস্তীনিধন কাৰ্য্য কোনোপ্ৰকাৰেই গ্ৰহনীয় নহয়। হয়তো আমি ভাগ্যৰ ওপৰত বিশ্বাসী সকলে বা জ্যোতিষ (ভুৱা) শাস্ত্ৰৰ বিধানক লৈ নিজকে প্ৰতিপত্তিশীল কৰি তুলিব বিচাৰা সকলে মানি ল'বলৈ টান পাম যে -এগৰাকী নাৰীৰ প্ৰধান দুৰ্বলতাই হৈছে- স্বামীৰ অপকাৰ হোৱাটো মানি নোলোৱা। এই দুৰ্বলতাকে লৈ অনেক ভণ্ড জ্যোতিষীয়ে হেজাৰটকীয়া পাথৰ সেন্দুৰত মিহলাই নাৰীৰ অন্ধবিশ্বাসৰ সুবিধা লৈয়েই ব্যৱসায় চলাই যাবলৈ সুবিধা পাইছে। ঠিক তেনেদৰে পুৰুষো সাৰি যোৱা নাই।

আজিৰ সময় প্ৰকৃতাৰ্থত সময় নহয়; দুঃসময়হে। সেয়ে উচিত-অনুচিত যুক্তি-অযুক্তি চিন্তাচৰ্চা কৰিহে আমি আগবঢ়া উচিত। ইও সত্য যে যিমানে সৰ্তকতা অৱলম্বন নকৰো কিয় আমি অন্ধবিশ্বাসৰ পৰা হাত সাৰিব নোৱাৰো। নহ'লে এই প্ৰবন্ধটো লিখি থকাৰ পৰত বেৰৰ জেঠীয়ে টিক্ টিকিওৱাৰ লগে লগে লিখা কথাবোৰ সত্য সত্য যেন ভাব এটি আমাৰ মনলৈও নাহিলহেঁতেন। এই লোক পৰম্পৰাবোৰ আমাৰ তেজৰ সৈতে যুগ যুগ ধৰি মিহলি হৈ আছে; তথাপিও যি বিশ্বাসে আনৰ অপকাৰ সাধন কৰে, তেনে বিশ্বাস বৰ্জন কৰিবলৈ আমি চেষ্টা কৰা উচিত। ■



# সমাজ সংগঠক চন্দ্ৰপ্ৰভা শইকীয়ানী

*মৃদুলা শৰ্মা*

চন্দ্ৰপ্ৰভা শইকীয়ানী নাৰীমুক্তি আন্দোলনৰ ধ্বজাধাৰী এগৰাকী বিৰল তথা বিস্ময়কৰ প্ৰতিভাৰ অধিকাৰিণী নাৰী। এই মহীয়সী নাৰীগৰাকীয়ে এখন ৰক্ষণশীল সমাজত জন্মগ্ৰহণ কৰিও কু-সংস্কাৰ আৰু সামাজিক অসমতাৰ বিৰুদ্ধে বিপ্লৱৰ সূচনা কৰিছিল। চন্দ্ৰপ্ৰভাৰ হৃদয়ত জাগি উঠা মানৱপ্ৰেম তথা নাৰীপ্ৰেমৰ ফল্গুধাৰাই সমগ্ৰ নাৰী সমাজক উদ্বুদ্ধ কৰিছিল। একেধাৰে কবি, গীতিকাৰ, ঔপন্যাসিক, গল্পকাৰ, শিক্ষাব্ৰতী, সাংবাদিক সুসংগঠক আৰু সুবক্তা চন্দ্ৰপ্ৰভা শইকীয়ানী অসমৰ নাৰীসমাজৰ বাবে কিংবদন্তীস্বৰূপ। ওৰেটো জীৱন অফুৰন্ত কৰ্মস্পৃহা আৰু অদম্য উৎসাহৰ দ্বাৰা নাৰীমুক্তিৰ ধ্বজা উখুৱাই দেশ আৰু জাতিৰ বাবে নিজক, উৎসৰ্গা কৰিলে এইগৰাকী প্ৰতিবাদী সত্তাই।

বজালী অঞ্চলৰ দৈশিঙৰী নামৰ এখন অতি পিছপৰা গাঁৱত ১৯০১ চনৰ ১৬ মাৰ্চত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জন্ম হয়। নানা ঘাত-প্ৰতিঘাত আৰু প্ৰতিবন্ধকৰ মাজেদি বাল্যকালতে যি শিক্ষা আহৰণ কৰিছিল তাৰ যোগেদি তেৰ বছৰ বয়সতে নিজৰ গাঁৱত এখনি বালিকা বিদ্যালয় গঢ়ি তুলিছিল। গাঁৱৰ কু-সংস্কাৰপূৰ্ণ সমাজত ছোৱালীৰ শিক্ষা গ্ৰহণৰ প্ৰতি কাৰো একো আগ্ৰহ নাছিল। সেই সময়ত অৰ্থাৎ ১৯ শতিকাত অসম নালাগে ভাৰতবৰ্ষৰ ক'তোৱেই নাৰীৰ শিক্ষাৰ প্ৰচলন নাছিল। তেনে এক সময়তে চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে চাইকেল চলাই গাঁৱে গাঁৱে নাৰীৰ শিক্ষা আৰু অধিকাৰ সম্বন্ধে প্ৰচাৰ চলাই স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ বাবে অক্লান্ত চেষ্টা কৰিছিল। চন্দ্ৰপ্ৰভাৰ জীৱনৰ এটাই সাধনা আছিল যে নাৰীক শিক্ষা আৰু সংস্কাৰমুক্ত কৰিব লাগে। সমাজত নিজৰ সন্মান, মৰ্যাদা আৰু স্বাধীনতা যেন দাবী কৰিব পাৰে নাৰীয়ে। তেওঁৰ সৃষ্টিশীল প্ৰতিভা আৰু স্পষ্টবাদিতাৰ পৰিচয় আমি তেওঁৰ কৰ্মৰাজিৰ দ্বাৰাই জ্ঞাত হৈছো।

চন্দ্ৰপ্ৰভা যেন এটি অগ্নি স্ফুলিংগ। অসমৰ নাৰী সমাজৰ বাবে এক গৌৰৱোজ্জ্বল সত্তা।

সমাজ সেৱাৰ মনোভাব চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনত আৰম্ভ হৈছিল অতি কম বয়সতে। কিশোৰী অৱস্থাতে তেওঁৰ সাহস, আৰু উৎসাহ দেখি সেই সময়ৰ স্কুল পৰিদৰ্শক নীলকান্ত বৰুৱাই নগাঁৱৰ মিছন নৰ্মাল স্কুলত পঢ়াৰ সুযোগ দিছিল। চন্দ্ৰপ্ৰভাৰ ভনীয়েক ৰজনীপ্ৰভাও অতি মেধাৱী আৰু তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰী আছিল। মিছন স্কুলত সেই সময়ত হিন্দু ছোৱালীৰ ওপৰত কৰা অমানৱীয় দুৰ্ব্যৱহাৰৰ বাবে তেওঁৰ অন্তৰত গুজৰি-গুমৰি থকা জুইকুৰা দপদপাই জ্বলি উঠিছিল আৰু সাহসেৰে অন্যায়ৰ প্ৰতিবাদ কৰি সফল হৈছিল। ১৯১৭ চনত চন্দ্ৰপ্ৰভাই নগাঁও মিছন স্কুলৰ পৰা সুখ্যাতিৰে এম ই আৰু নৰ্মাল শিক্ষা সমাপ্ত কৰিছিল। শিক্ষা সমাপ্ত কৰি নগাঁৱৰে একমাত্ৰ বালিকা প্ৰাথমিক বিদ্যালয়খনত তেওঁ শিক্ষকতা কৰিবলৈ লয়। শিক্ষকতা কৰি থকাৰ সময়তে চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে নগাঁৱৰ মহিলাসকলক একগোট কৰি মহিলা সমিতি গঠন কৰাত উঠিপৰি লাগিল। মহিলাৰ অনুষ্ঠান গঠন কৰি তেওঁ সাহিত্য চৰ্চা আৰু বিভিন্ন উন্নয়নমূলক কাম কৰাৰ বাবে চেষ্টা চলালে। কু-সংস্কাৰ, অন্ধবিশ্বাস, জাতপাতৰ ভেদাভেদ আদি আঁতৰোৱাৰ উদ্দেশ্যে নতুন কাৰ্যক্ৰমণিকা প্ৰস্তুত কৰি মহিলাসকলক পোহৰৰ জোনাকী বাটলৈ উলিয়াই আনিবলৈ চেষ্টা কৰিলে।

চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনত অসমৰ ঐতিহাসিক চহৰ তেজপুৰৰ এক বিৰল ভূমিকা আছে। তেজপুৰৰ অপৰূপ প্ৰাকৃতিক তথা সাংস্কৃতিক পৰিৱেশে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনক আগুৱাই নিয়াত নতুন প্ৰাণশক্তি দিলে। তেজপুৰত শিক্ষকতা জীৱনৰ আৰম্ভণি কৰাৰ সময়তে অসম ছাত্ৰ সন্মিলন অনুষ্ঠিত হৈছিল। অসমৰ জাতীয় অনুষ্ঠান আছিল সেই সময়ত তিনিটা। সেয়া হ'ল - অসম ছাত্ৰ সন্মিলন, অসম সাহিত্য সভা আৰু অসম এছ'চিয়েছন এই তিনিওটা অনুষ্ঠানৰ সভা-সমিতিসমূহত চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে আগভাগ লৈছিল। বিশেষকৈ ১৯১৮



চনত তেজপুৰত অনুষ্ঠিত হোৱা ছাত্ৰ সন্মিলনৰ বাৰ্ষিক অধিৱেশনৰ সময়ত সেই সময়ৰ স্কুলীয়া ছাত্ৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নিৰ্দেশমৰ্মে স্বেচ্ছাসেৱিকাৰ দল গঠন কৰি অধিবেশনখনি সাফল্যমণ্ডিত কৰাৰ বাবে দায়িত্ব লৈছিল। সেই সময়তে তেওঁ সমাজকৰ্মী অমিয় কুমাৰ দাসৰ সংস্পৰ্শলৈ আহে। তদুপৰি সেই সভাতে প্ৰথম চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে কানি বৰবিহৰ অপকাৰিতাৰ বিষয়ে তেজস্বী বক্তৃতা প্ৰদান কৰিছিল। তেওঁৰ তেজোদীপ্ত বক্তৃতা শুনি সেই সময়ত সকলো স্তৰৰ ৰাইজ মুগ্ধ হৈছিল।

১৯১৯ চনত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ বৰপেটা অধিৱেশন আৰু তেজপুৰত অনুষ্ঠিত হোৱা অসম এছ'চিয়েছনৰ অধিৱেশনতো চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে সক্ৰিয় সহযোগিতা কৰাৰ লগতে নিৰ্ভীকভাৱে বক্তৃতা আগবঢ়াইছিল। উল্লেখযোগ্য কথা যে বৰপেটাত অনুষ্ঠিত সাহিত্য সভাৰ এই অধিৱেশনখনিতে প্ৰথম দুগৰাকী মহিলা প্ৰতিনিধিক অংশগ্ৰহণ কৰিবলৈ দিয়া হৈছিল আৰু তেওঁলোক আছিল ৰাজবালা দাস আৰু চন্দ্ৰপ্ৰভা শইকীয়ানী। চন্দ্ৰপ্ৰভা ভাষা জননীৰ সেৱাৰ মনোভাব প্ৰকাশ কৰাৰ লগতে এই অধিৱেশনৰ মুকলি সভাতে বৰপেটাৰ কীৰ্তনঘৰত মহিলাৰ প্ৰৱেশৰ বাবে বৰপেটাবাসীক আহ্বান জনাইছিল। সেই সময়ত তেওঁৰ নিৰ্ভীক আৰু তীব্ৰ ভাষাৰ বক্তৃতা প্ৰদানে সকলোকে আচৰিত কৰিছিল আৰু তাৰ বাবে সমালোচনাৰ পাত্ৰীও হৈছিল।

স্বাধীনতা আন্দোলনৰ এগৰাকী সেনানীৰূপে চন্দ্ৰপ্ৰভা শইকীয়ানী খ্যাত। মহাত্মা গান্ধীৰ আদৰ্শক তেওঁ মনে-প্ৰাণে গ্ৰহণ কৰিছিল। ১৯৩০ চনত গান্ধীজীৰ নেতৃত্বত অসহযোগ আন্দোলন চলিছিল। চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি অসমৰ মহিলাসকলৰ মাজতো জাগৰণৰ সৃষ্টি কৰিছিল। তেওঁ শিক্ষয়িত্ৰীৰ চাকৰি এৰি দি স্বাধীনতা আন্দোলনত যোগ দিছিল। মহাত্মাৰ বাণী প্ৰচাৰ কৰাৰ বাবে ব্ৰিটিছ চৰকাৰে বাধা প্ৰদান কৰিছিল আৰু জে'লৰ ভাত খাবলগীয়াও হৈছিল। তদুপৰি ডেৰ বছৰকাল কাৰাদণ্ড ভোগ কৰে। চন্দ্ৰপ্ৰভা শইকীয়ানীৰ অশেষ চেষ্টাৰ

ফলশ্ৰুতিত 'অসম প্ৰাদেশিক মহিলা সমিতি' স্থাপন হয়। অসমৰ গাঁৱে-ভূঞে বিভিন্ন শাখা-প্ৰশাখা স্থাপন কৰি সবল নেতৃত্ব দিয়ে। নিজে সম্পাদিকাৰূপে দায়িত্ব লৈ অসমত গণতান্ত্ৰিক মহিলা অনুষ্ঠান গঢ়ি অৱহেলিত, বঞ্চিতা নাৰী সমাজক পোহৰৰ বাট দেখুৱালে। ১৯২৬ চনৰ পৰা ১৯৬৩ চনলৈকে এই সুদীৰ্ঘকাল দক্ষতাৰে সম্পাদিকাৰ পদত থাকি শেষলৈ সভানেত্ৰীৰ পদ লয়। কিন্তু স্বাস্থ্যজনিত কাৰণত ১৯৬৯ চনত সেই পদৰ পৰা অৱসৰ লৈ অসম প্ৰাদেশিক মহিলা সমিতিৰ উপদেষ্টাৰূপে জীৱনৰ অন্তিম সময়লৈকে মহিলা সমিতিৰ কামত জড়িত হৈ আছিল। চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নেতৃত্বত মহিলা সমিতিয়ে নাৰীৰ বিভিন্ন সমস্যাৰ প্ৰতি মনোযোগ দিয়াৰ উপৰি মহাত্মা গান্ধীৰ অনুপ্ৰেৰণাত গঠনমূলক কাম, অস্পৃশ্যতা বৰ্জন, বাল্যবিবাহ বন্ধ, বিদেশী কাপোৰ বৰ্জন আদি আঁচনি হাতত লয়। উল্লেখযোগ্য কথা যে বিদেশী কাপোৰ বৰ্জনৰ আহ্বানৰ সময়ত চন্দ্ৰপ্ৰভা শইকীয়ানীয়েই প্ৰথম খদ্দৰ কাপোৰ পিন্ধিবলৈ আৰম্ভ কৰে।

আজীৱন দেশৰ আৰু সমাজৰ কামত নিজকে উৎসৰ্গা কৰা চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে ১৯৪৮ চনত অসম প্ৰাদেশিক মহিলা সমিতিৰ যত্নত হাজোৰ 'হয়গ্ৰীৱ মাধৱ' মন্দিৰৰ দুৱাৰ সকলো শ্ৰেণীৰ মানুহৰ বাবে মুকলি কৰাৰ সংকল্প লৈছিল আৰু সফলো হৈছিল।

চন্দ্ৰপ্ৰভা শইকীয়ানী আছিল প্ৰখৰ বুদ্ধিসম্পন্না, সাহসী আৰু প্ৰজ্ঞাৱতী। ১৯২৫ চনত নগাঁৱত অনুষ্ঠিত হোৱা সাহিত্য সভাৰ অধিৱেশনস্থলীত মহিলাসকলৰ প্ৰতি কৰা অন্যায়ৰ প্ৰতিবাদ শইকীয়ানীয়ে নিৰ্ভীকভাৱে ৰাইজৰ আগত প্ৰতিফলিত কৰিছিল। সেই সময়ত মহিলাই মুকলিমূৰীয়াকৈ বহি অধিৱেশন চাব নোৱাৰিছিল। তেওঁলোকক বাঁহৰ চিকৰ আঁৰত বহি সভা চাবলৈ অনুমতি দিছিল- এনে কথাত চন্দ্ৰপ্ৰভা শইকীয়ানী অতি বিদ্ৰোহী হৈ উঠিছিল আৰু তীব্ৰ প্ৰতিবাদ জনাই সকলো মহিলাকে চিকৰ আঁৰৰ পৰা ওলাই আহি অধিৱেশনস্থলীত বহিবলৈ হুংকাৰ দিছিল। এইক্ষেত্ৰত বহু পুৰুষে



প্ৰতিবাদ কৰিছিল যদিও কেইজনমান উদাৰমনা সাহসী পুৰুষে সমৰ্থন কৰিছিল।

স্বাধীনতা আন্দোলনৰ অক্লান্ত যুঁজাৰু চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে দেশৰ আৰু সমাজৰ হকে সমগ্ৰ জীৱন কাম কৰি গ'ল। ১৯৫৭ চনত বজালী সমষ্টিৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে। ক্ষমতা লিপ্সাৰ দুৰাকাংক্ষা নিলগাই থৈ জীৱনৰ অন্তিম সময়লৈকে দেশসেৱাৰে জীৱন ত্যাগ কৰিলে এই গৰাকী মহীয়সী নাৰীয়ে। ৰাজনৈতিক আৰু সামাজিক কামৰ স্বীকৃতিৰূপে ১৯৭২ চনত ভাৰত চৰকাৰৰ পৰা 'পদ্মশ্ৰী' উপাধি লাভ কৰিছিল। দুৰ্ভাগ্যবশতঃ সেই চনৰে ১৬ মাৰ্চত তেজস্বিনী নাৰীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। নিজ হাতে এই সন্মান গ্ৰহণ কৰিব নোৱাৰিলে। অসমৰ নাৰীমুক্তি আন্দোলনৰ প্ৰথমগৰাকী বিদ্ৰোহিনী নাৰীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি যাচিছো। ■

# ATRIBUTE TO A LEGEND: MOTHER TERESA

*Sri Chinmoy Sumon Dutta*
*Class - V, Pole Star Academy*

Mother Teresa was a great social worker. She devoted her life for the cause of the poor and the needy. She was awarded the Nobel Peace Prize in 1979. Her real name was Agnes Gonxha Bojaxhiu. She was born to an Albanian couple on August 27, 1910 in the town of Skopje in Yugoslavia.

When she was only four years old, the First World War shattered her peaceful life. Then, after three years, she lost her beloved father. Her mother had to do everything for her three children. Those difficulties made Agnes mature a lot.

Agnes's mother taught her something with some apples. Her mother told her to bring a basket of good apples. She put a bad apple among the good apples. After some days, her mother told her to check them. Agnes was shocked to find that the bad apple had spoilt all the good apples. Her mother wanted to tell her that she should be with good friends because one bad friend is enough to destroy all the good ones. She turned away from the worldly things for the horrors and hardships of war and for her own deeply religious bent of mind.

Her mission was to become a nun and she joined the Loreto nuns at their abbey in Ireland. She worked nine years as a novice. She also wanted to work in Bengal. This decision was taken when she was eighteen years old and finished schooling at Yugoslavia. She was also influenced by the missionaries who were sent to other countries to teach about Christianity.

Mother Teresa was committed to work in India especially in Bengal. She came to India as a teacher in St. Mary's School, Calcutta, in 1928. She took the first step to attain the international respect through her deeds. She started the organization titled 'Missionaries of Charity' that looked after the young orphans. This great woman died in Calcutta in 1997. I pay my tribute to this legendary figure. ■


অসম লেখিকা সংস্থাৰ, সোণাৰি শাখাৰ সহযোগত অনুষ্ঠিত সাহিত্য চ'ৰাত উদ্বোধনী ভাষণৰত - ডঃ ৰাজেন তামুলী, অধ্যক্ষ, সোণাৰি মহাবিদ্যালয়।







আলোচনা চক্ৰ অনুষ্ঠানত ভাষণৰত মহকুমা স্বাস্থ্য বিষয়া ডঃ প্ৰণৱ সাগৰ দিহিঙ্গীয়া

আলোচনা চক্ৰ অনুষ্ঠানত ভাষণৰত প্ৰবক্তা অৰ্পন কুমাৰ বৰুৱা, সোণাৰি মহাবিদ্যালয়।





চন্দ্ৰপ্ৰভা শইকীয়ানী স্মাৰক বক্তৃতানুষ্ঠানত ভাৰণৰত ডঃ ৰাজেন তামুলী, অধ্যক্ষ, সোণাৰি মহাবিদ্যালয়।



আন্তৰ্জাতিক নাৰী দিৱসত ভৱানীপুৰত অনুষ্ঠিত সভাৰ এটি দৃশ্য।



চন্দ্ৰপ্ৰভা শইকীয়ানী স্মাৰক বক্তৃতানুষ্ঠানত বিশিষ্ট কবি মীৰা ঠাকুৰক সম্বৰ্দ্ধনা






ভাষণৰত অৱস্থাত শ্ৰীযুত প্ৰণৱ সাগৰ দিহিঙ্গীয়া, মহকুমা স্বাস্থ্য বিষয়া




ভাষণৰত অৱস্থাত শ্ৰীযুতা বীণা বৰুৱা বুঢ়াগোঁহাই, ধাত্ৰী প্ৰশিক্ষিকা




ভাষণৰত অৱস্থাত শ্ৰীযুত অৰ্পণ কুমাৰ বৰুৱা